www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

এলাহ মানুহৰ বাবে অভিশাপ। এলাহে ব্যক্তিৰ আৰু জাতিৰ অন্তঃসত্ত্ব নাইকিয়া কৰে আৰু লোহাত মামৰে ধৰাৰ দৰে ব্যক্তি আৰু জাতিৰো ক্ষতি কৰে। – ছেমুৱেল স্মাইলছ

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

প্ৰথম বছৰ | সংখ্যা- ১১২ | সোমবাৰ | ২৬ জানুৱাৰী, ২০২৬ চন | Volume/Year- I | Issue- 112 | Monday | 26th January, 2026 | Asom Barta, Majuli | PRGI Reg. No.- ASASS/25/A2361 | Price- Rs. 10 | Total Page- 8

■ দিল্লীৰ কৰ্তব্য পথত বৃহৎ পেৰেডৰ মাজেৰে দেশৰ শক্তি আৰু সাংস্কৃতিক ঐতিহ্য প্ৰদৰ্শন ■

# আজি দেশে উদ্‌যাপন কৰিব ৭৭তম্ গণৰাজ্য দিৱস

**নিউজ ডেস্ক, অসম বাৰ্তা, ২৫ জানুৱাৰী ঃ** ভাৰতবৰ্ষই আজি নিজৰ ৭৭ সংখ্যক গণৰাজ্য দিৱস অতি উৎসাহ আৰু গৌৰৱেৰে উদ্‌যাপন কৰিছে। সমগ্ৰ দেশ ত্ৰিৰংগৰ ৰঙেৰে উজ্জ্বলি উঠিছে। ৰাজধানী দিল্লীৰ কৰ্তব্য পথত অনুষ্ঠিত হোৱা বাৰ্ষিক গণৰাজ্য দিৱসৰ পেৰেডে দেশৰ সামৰিক শক্তি, সাংস্কৃতিক বৈচিত্ৰ্য, ঐক্য আৰু উন্নয়নৰ এক অভূতপূৰ্ব সংগম প্ৰদৰ্শন কৰিছে। এইবাৰৰ পেৰেডৰ বিশেষত্ব হৈছে অপাৰেচন সিন্দূৰৰ পিছৰ পৰিৱৰ্তিত পৰিস্থিতিত থিমভিত্তিক গ্ৰেণ্ড প্ৰদৰ্শন। ভূমিৰ পৰা আকাশলৈকে জাতিটোৰ বীৰত্ব, সাহস আৰু প্ৰযুক্তিগত অগ্ৰগতি প্ৰদৰ্শিত হৈছে। বিভিন্ন ৰাজ্যৰ টেবল'ত দেশৰ সমৃদ্ধ সাংস্কৃতিক ঐতিহ্য আৰু বিবিধাতাৰ মাজত ঐক্যক উজ্জ্বল কৰি তোলা হৈছে। এই বিশেষ উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁৰ অফিচিয়েল এক্স হেণ্ডেলত পোষ্ট কৰি দেশবাসীক শুভেচ্ছা জ্ঞাপন কৰে। তেওঁ লিখে, "গণৰাজ্য দিৱসৰ শুভেচ্ছা। এই উৎসৱে আমাৰ সকলোৰে মিলিত সংকল্পত নতুন শক্তি আৰু উৎসাহ যোগাওক, যাতে আমি এক উন্নত ভাৰত (বিকশিত ভাৰত) ▸▸৬ পৃষ্ঠাত



◂ সমসাময়িক ▸

### ৰাষ্ট্ৰ ধৰ্মৰ পৰা নহয়, ধৰ্মও ৰাষ্ট্ৰৰ ওপৰত নহয়

✍ নলিনী ৰঞ্জন ভূঞা

ৰাষ্ট্ৰ ধৰ্মৰ পৰা নহয়, ধৰ্মও ৰাষ্ট্ৰৰ ওপৰত নহয়। দুয়োটাৰে নিজস্ব ক্ষেত্ৰ আছে। ধৰ্মই এজন ব্যক্তিক এজন ভাল মানুহ কৰি তোলে, আনহাতে জাতীয়তাবাদে এজন ব্যক্তিক দায়িত্বশীল নাগৰিক কৰি তোলে। ধৰ্ম যেতিয়া ব্যক্তিগত বিশ্বাস আৰু জাতীয়তাবাদ ▸▸৫ পৃষ্ঠাত

◂ সমসাময়িক ▸

### গণতন্ত্ৰ আৰু নাৰীশক্তি; নতুন যুগৰ অগ্ৰগতি

✍ কানুপ্ৰিয়া ডেকা

গণতন্ত্ৰ মানে হৈছে জনগণৰ শাসন, য'ত প্ৰতিজন নাগৰিক সমান অধিকাৰ আৰু সুযোগ লাভ কৰে। এই ব্যৱস্থাৰ মূল শক্তি হৈছে স্বাধীনতা, সাম্য আৰু ন্যায়। কিন্তু এই গণতান্ত্ৰিক মূল্যবোধবোৰৰ প্ৰকৃত সফলতা তেতিয়াহে দেখা যায়, যেতিয়া সমাজত নাৰী আৰু পুৰুষ ▸▸৫ পৃষ্ঠাত

নিৰ্বাচন আয়োগক তদন্ত আৰু ব্যৱস্থা গ্ৰহণৰ দাবী

## লাখ লাখ ভোটাৰৰ নাম কৰ্তনৰ অভিযোগ; মুখ্য নিৰ্বাচনী বিষয়াক স্মাৰক পত্ৰ দাখিল বিৰোধী ঐক্যৰ

বিজেপিৰ বিৰুদ্ধে ভোটাৰ তালিকাত ষড়যন্ত্ৰমূলক কৰ্তন আৰু জালিয়াতিৰ অভিযোগ



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৫ জানুৱাৰী ঃ** আগন্তুক ২০২৬ বিধানসভা নিৰ্বাচনৰ পূৰ্বে ভোটাৰ তালিকাৰ সংশোধন প্ৰক্ৰিয়াক লৈ ৰাজ্যৰ ৰাজনৈতিক পৰিৱেশ উত্তপ্ত হৈ পৰিছে। বিৰোধী দলসমূহে যৌথভাৱে অভিযোগ ▸▸৫ পৃষ্ঠাত

■ ইউ এছ টি এমক জাল-প্ৰৱঞ্চনাৰ থলী অভিহিত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ ■

## সনাতনী সমাজক ইউ এছ টি এমত নপঢ়িবলৈ আহ্বান মুখ্যমন্ত্ৰীৰ



আল কায়দাৰ সৈতে সম্পৰ্ক থকা সংগঠনৰ পৰা মহবুবুল হকৰ প্ৰথম ধনৰ আমদানিৰ অভিযোগ

**ষ্টাফ ৰিপ'ৰ্টাৰ, মহানগৰ, ২৫ জানুৱাৰী ঃ** গুৱাহাটীৰ ওচৰৰ মেঘালয়ত অৱস্থিত ইউনিভাৰ্চিটি অৱ চাইন্স এণ্ড টেকন'লজী, মেঘালয় (ইউ এছ টি এম) পুনৰ চৰ্চাৰ কেন্দ্ৰবিন্দু হৈ পৰিছে। ইউ এছ টি এমৰ ইণ্টাৰনেচনেল ৰিলেচনছৰ ▸▸৫ পৃষ্ঠাত

ৰাজ্যখনৰ চাহ বাগিচাসমূহৰ ৬ লাখৰো অধিক শ্ৰমিক আৰু কৰ্মচাৰীলৈ ৫ হাজাৰ টকাকৈ এককালীন বিত্তীয় সাহায্য প্ৰদান

## ডুমডুমাত 'মুখ্যমন্ত্ৰীৰ এটি কলি দুটি পাত' আঁচনিৰ শুভ উদ্বোধন মুখ্যমন্ত্ৰী ড° শৰ্মাৰ

কপালৰ ঘাম মাটিত পেলাই চাহগছ লালন-পালন কৰা, উৎপাদন কৰাসকলক মনত নেপেলালে অসমৰ চাহক লৈ দুশ বছৰীয়া গৌৰৱৰ কাহিনী আধৰুৱা হৈ ৰ'ব ঃ মুখ্যমন্ত্ৰী



**ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ২৫ জানুৱাৰী ঃ** অসমৰ ২০০ বছৰীয়া চাহ উদ্যোগলৈ চাহ বাগিচাৰ শ্ৰমিক-কৰ্মচাৰীসকলে আগবঢ়োৱা অনবদ্য অৱদানৰ স্বীকৃতিস্বৰূপে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি তিনিচুকীয়া জিলাৰ ডুমডুমাত 'মুখ্যমন্ত্ৰীৰ এটি কলি দুটি পাত' আঁচনিৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে। এই আঁচনিৰ অধীনত তিনিশ কোটিৰো অধিক টকা ব্যয়েৰে ৰাজ্যখনৰ চাহ বাগিচাসমূহৰ ছয় লক্ষাধিক শ্ৰমিক-কৰ্মচাৰীলৈ গাইপতি ৫ হাজাৰ টকাকৈ এককালীন বিত্তীয় সাহায্য ▸▸৬ পৃষ্ঠাত



### মিত্ৰতাৰ বিষয়ে আমি অহা অধিবেশনত বিতংকৈ আলোচনা কৰিম ঃ প্ৰমোদ বড়ো

**অসম বাৰ্তা, বৰপেটাৰোড, ২৫ জানুৱাৰী ঃ** আজি বৰপেটাৰোড সাহিত্য সভা ভৱনত ইউপিপিএলৰ কাৰ্যনিৰ্বাহক বৈঠক অনুষ্ঠিত হয়। উক্ত কাৰ্যনিৰ্বাহক বৈঠক অংশগ্ৰহণ কৰে বিটিচিৰ প্ৰাক্তন চিফ ▸▸৬ পৃষ্ঠাত



ঘোষণা হ'ল ২০২৬ চনৰ পদ্ম বঁটাৰ তালিকা

## অসমৰ পাঁচগৰাকী বিশিষ্ট ব্যক্তিলৈ পদ্মশ্ৰী সন্মান

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৫ জানুৱাৰী ঃ** ভাৰত চৰকাৰে গণৰাজ্য দিৱসৰ ঠিক পূৰ্বে ২০২৬ বৰ্ষৰ বাবে দেশৰ সৰ্বোচ্চ অসামৰিক সন্মান পদ্ম বঁটাৰ তালিকা প্ৰকাশ কৰিছে। এইবাৰ মুঠ ১৩১ গৰাকী বিশিষ্ট ব্যক্তিক এই সন্মানেৰে বিভূষিত কৰা হৈছে। তাৰ ভিতৰত পাঁচগৰাকীক পদ্মবিভূষণ, তেৰজনক পদ্মভূষণ আৰু এশ তেৰজনক পদ্মশ্ৰী বঁটা প্ৰদান কৰাৰ সিদ্ধান্ত লোৱা হৈছে। কলা-সংস্কৃতি, ▸▸৫ পৃষ্ঠাত

◂ সমসাময়িক ▸

### অখণ্ডতা আৰু ভাতৃত্ববোধৰ বাৰ্তা

✍ বেণুৰাম ৰাভা

ব্ৰিটিছসকলে ভাৰতৰ সৰু সুৰা ৰাজ্য বিলাকক একগোট কৰি প্ৰায় দুশ বছৰ কাল ৰাজত্ব কৰিছিল। কিন্তু প্ৰবল প্ৰতাপী নেতা মহাত্মা গান্ধীৰ অহিংসা আন্দোলনৰ হেয় স্বীকাৰ কৰি ইংৰাজে তেওঁলোকৰ দুশবছৰৰ শাসন আঁতৰাই ১৯৪৭ চনৰ ১৫ আগষ্ট তাৰিখে ভাৰতক স্বাধীনতা দিবলৈ মান্তি হৈছিল। কিন্তু দুখৰ বিষয় যে ভাৰতবৰ্ষ ভাৰত আৰু পাকিস্তান নামৰ দুখন ৰাষ্ট্ৰৰ ভাগ কৰা হ'ল। মুচলন্ত ৰাজত্ব কালত তেওঁলোকৰ বিৰুদ্ধে দেশৰ বিভিন্ন ▸▸৫ পৃষ্ঠাত

◂ সমসাময়িক ▸

### গণৰাজ্য দিৱসৰ প্ৰাসংগিকতা

✍ সত্যব্ৰত বৰা

আজিৰ ভাৰতত গণৰাজ্য দিৱসৰ প্ৰাসংগিকতা অধিক গভীৰ, বহুমুখী আৰু সময়ৰ সৈতে অধিক জীৱন্ত হৈ উঠিছে। ৭৬ সংখ্যক গণৰাজ্য দিৱস উদ্‌যাপন কৰাৰ মুহূৰ্তত দেশখনে নিজৰ অগ্ৰগতিৰ গৌৰৱ, সাফল্যৰ আনন্দ আৰু প্ৰত্যাহ্বানসমূহৰ মাজত ভাৰসাম্যতা ৰক্ষা কৰি আগবাঢ়ি যোৱাৰ ▸▸৬ পৃষ্ঠাত

চাহ বাগিছাৰ শ্ৰমিকসকলৰ সৰ্বাংগীণ কল্যাণৰ বাবে চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ ঃ পীযুষ হাজৰীকা

## মৰিগাঁও জিলাৰ ১৪৭০জন চাহ শ্ৰমিকলৈ এটি কলি দুটি পাত আঁচনিৰ বিত্তীয় সাহায্য

**ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ২৫ জানুৱাৰী ঃ** ৰাজ্যৰ অন্যান্য ঠাইৰ লগতে আজি মৰিগাঁও জিলাতো অসম চৰকাৰৰ এটি কলি দুটি পাত আঁচনিৰ অধীনত চাহ শ্ৰমিকসকলক ৫ হাজাৰকৈ টকাৰ আৰ্থিক সাহায্যৰ চেক প্ৰদান কৰা হয়। এই উপলক্ষে জিলাখনৰ গোপালকৃষ্ণ চাহ বাগিছাৰ ৰাজহুৱা ▸▸৬ পৃষ্ঠাত

## অসম আৰক্ষী, অগ্নিনিৰ্বাপক আৰু গৃহৰক্ষী বাহিনীৰ ১৮জন বিষয়া-জোৱানলৈ ৰাষ্ট্ৰপতিৰ পুলিচ পদক

মহাপৰিদৰ্শক ইমদাদুল হুছেইন বৰালৈ উৎকৃষ্ট সেৱা পদক

**নিউজ ডেস্ক, অসম বাৰ্তা, ২৫ জানুৱাৰী ঃ** দেশৰ ৭৭তম গণৰাজ্য দিৱস উদযাপনৰ পূৰ্বে ৰাষ্ট্ৰপতি দ্ৰৌপদী ▸▸৬ পৃষ্ঠাত

◂ সমসাময়িক ▸

### বৈচিত্ৰ্যত ঐক্য ঃ গণতন্ত্ৰ দিৱসৰ প্ৰকৃত অৰ্থ

✍ ডলী ফুকন

গণতন্ত্ৰ দিৱস কেৱল এটা ৰাষ্ট্ৰীয় উৎসৱ নহয়; ই হৈছে ভাৰতীয় জাতিৰ আত্মাৰ উৎসৱ। ২৬ জানুৱাৰী দিনটোত আমি আমাৰ সংবিধানৰ জন্মদিন উদযাপন কৰোঁ, যিটো আমাৰ স্বাধীনতা, অধিকাৰ আৰু কৰ্তব্যৰ ভিত্তি। কিন্তু এই দিনটোৰ গভীৰ অৰ্থ কেৱল সংবিধানৰ ▸▸৫ পৃষ্ঠাত

দেশবাসীক ঐক্য আৰু সংকল্পৰ আহ্বান; মহিলা শক্তি আৰু গণতান্ত্ৰিক যাত্ৰাৰ ওপৰত গুৰুত্ব



## গণৰাজ্য দিৱসৰ প্ৰাক সন্ধিয়া দেশবাসীক সম্বোধন ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৰ

**নিউজ ডেস্ক, অসম বাৰ্তা, ২৫ জানুৱাৰী ঃ** আজি সমগ্ৰ দেশে ৭৭তম গণৰাজ্য দিৱস উদ্‌যাপন কৰিব। ইয়াৰ পূৰ্বে দেওবাৰে সন্ধ্যা ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৰে ৰাষ্ট্ৰপতি ভৱনৰ পৰা দেশবাসীক সম্বোধন কৰি গণৰাজ্য দিৱসৰ শুভেচ্ছা জনায়। ভাষণত তেওঁ বিগত বছৰ- ▸▸৬ পৃষ্ঠাত



# ছয়গাঁও শাখা কবি সন্মিলনৰ উদ্যোগত স্ব-ৰচিত কবিতা আৰু আবৃত্তি প্ৰতিযোগিতাৰ লগতে বঁটা বিতৰণী সভা

**অসম বাৰ্তা, ছয়গাঁও, ২৫ জানুৱাৰী ঃ** সদৌ অসম কবি সন্মিলনৰ অন্তৰ্গত কামৰূপ জিলা কবি সন্মিলনৰ অন্যতম এটি শাখা ছয়গাঁও শাখা কবি সন্মিলনৰ উদ্যোগত যোৱা ২৪ জানুৱাৰীত ছয়গাঁও চম্পকনগৰ ছোৱালী হাইস্কুলত স্ব-ৰচিত কবিতা আৰু আবৃত্তি প্ৰতিযোগিতাৰ লগতে বঁটা বিতৰণী সভা সুকলমে অনুষ্ঠিত হৈ যায়। ছয়গাঁও শাখা কবি সন্মিলনৰ সভাপতি অনিল কুমাৰ সাউদে সভাপতিত্ব কৰা সভাখনত উপস্থিত থাকে সদৌ অসম কবি সন্মিলনৰ সাধাৰণ সম্পাদক চৈয়দ পাৰভিজ হুছেইন, সম্পাদক কৃষ্ণ দৈমাৰী, সাংগাঠনিক সম্পাদক মৃণাল কুমাৰ বৰা, কামৰূপ জিলা কবি সন্মিলনৰ সভাপতি আৰু সম্পাদক ক্ৰমে জগন্নাথ কলিতা আৰু অচ্যুত কলিতা, বিশিষ্ট কবি তথা ছয়গাঁও মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক ক্ৰমে ভূষন কলিতা, পৰেশ অধিকাৰী আৰু ডঃ লক্ষ্যধৰ শৰ্মাৰ লগতে উপস্থিত থাকে কামৰূপ জিলা কবি সন্মিলনৰ উপ সভাপতি ক্ৰমে ভৱেশ ডেকা, মাণিক চন্দ্ৰ দত্ত আৰু অনিল চন্দ্ৰ গোস্বামীসহ কোষাধ্যক্ষ শুক্লেশ্বৰ মালী আলোচনী সম্পাদিকা চম্পাৱতী কলিতা, উত্তৰ গুৱাহাটী শাখা কবি সন্মিলনৰ সভাপতি অৰূপধৰ বৰুৱা, যুৱ সমন্বয়ক পঞ্চমী সৰকাৰ আৰু ছয়গাঁও শাখা কবি সন্মিলনৰ সমূহ বিষয়ববীয়া আৰু সদস্য-সদস্যা, প্ৰমুখ্যে বৃহত্তৰ ছয়গাঁও অঞ্চলৰ বিশিষ্ট কবি, লেখকসহ ভালেমান স্থানীয় গণ্যমান্য লোক আৰু ছাত্ৰ-ছাত্ৰী সকল। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে ছয়গাঁও শাখা কবি সন্মিলনৰ সম্পাদক মৃদুল কলিতাই। ছয়গাঁও চম্পক নগৰ ছোৱালী হাইস্কুলৰ শিক্ষয়িত্ৰী ৰিজুমণি পাঠকে বন্তি প্ৰজ্জ্বলন কৰাৰ পাছতে সবিতা দেৱী বৰুৱাই পৰিবেশন কৰা নামেৰেই সভাৰ কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। সভাৰ আদৰণি ভাষণ আগবঢ়াই কামৰূপ জিলা কবি সন্মিলনৰ সম্পাদক অচ্যুত কলিতাই। তেখেতে ভাষণ প্ৰসংগত নৱপ্ৰজন্মক প্ৰেৰণা দিয়াৰ উদ্দেশ্যে ছয়গাঁও শাখা কবি সন্মিলনে কামৰূপ জিলা কবি সন্মিলনৰ সহযোগত বৃহত্তৰ ছয়গাঁও ভিত্তিত বিভিন্ন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ মাজত স্ব-ৰচিত কবিতা আৰু আবৃত্তি প্ৰতিযোগিতাৰ আয়োজন কৰিছিল বুলি মত ব্যক্ত কৰে। সভাত বিশিষ্ট অতিথি সকলৰ ভাষণৰ মাজতে শ্ৰীযুত তপন দাস আৰু পুত্ৰ বিবেক দাসে আগবঢ়াই গীতৰ শৰাই। তেওঁলোকৰ গীতৰ শৰাই উপভোগ কৰি আপ্লুত হৈ পৰে উপস্থিত কাব্যপ্ৰেমী দৰ্শক বৃন্দ। সভাত কুৰি জনতকৈও অধিক কবিয়ে স্বৰচিত কবিতা পাঠ কৰে। ইয়াৰ পিছতেই 'ক' আৰু 'খ' শাখাত অনুষ্ঠিত কৰা স্ব-ৰচিত কবিতা আৰু আবৃত্তি প্ৰতিযোগিতাৰ বিজয়ী প্ৰতিযোগী সকলক প্ৰমাণপত্ৰ একোখন, কাব্যগ্ৰন্থ একোখন আৰু বঁটা একোটা প্ৰদান কৰা হয়। উল্লেখযোগ্য যে - পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হোৱা বিজয়ী প্ৰতিযোগী সকল হ'ল ক্ৰমে, কবিতা আবৃত্তি প্ৰতিযোগিতাৰ বিবেক দাস, অনুস্কা নাথ আৰু মমী দাস। 'খ' শাখাৰ বিজয়ী প্ৰতিযোগী সকল হ'ল পাপৰি কলিতা, যুগশ্ৰী ৰাজবংশী আৰু নিতুপৰ্ণা দাস। আকৌ স্ব-ৰচিত কবিতা প্ৰতিযোগিতাৰ বিজয়ী প্ৰতিযোগীসকল হ'ল ক্ৰমে, 'ক' শাখাৰ শ্ৰীৰাখী কলিতা, চিমি কলিতা আৰু ধৃতিস্মীতা কলিতা। 'খ' শাখাৰ ক্ৰমে জয়শ্ৰী দাস, তগৰ ৰাজবংশী আৰু বৰষা কলিতাই। শলাগৰ শৰাই আগবঢ়ায় ছয়গাঁও কবি সন্মিলনৰ সম্পাদক মৃদুল কলিতাই। সভাত সভাপতিৰ ভাষণৰ পিছতেই সদৌ অসম কবি সন্মিলনৰ সাধাৰাণ সম্পাদক চৈয়দ পাৰভিজ হুছেইনে পাঠ কৰোৱাই কাব্যমন্ত্ৰ। আৰু সভাপতিয়ে সভাভংগ বুলি ঘোষণা কৰে।

চিলাই মেচিন এৰি খাকী পোছাকত ৰাজপথত যান-বাহন নিয়ন্ত্ৰণত ব্যস্ত দৰ্জী দীপক দাস

# মুখ্যমন্ত্ৰীৰ ডুমডুমা ভ্ৰমণৰ দিনাই মাকুমৰ দীপক দাসে দেখুওৱালে অনন্য নিদৰ্শন



**ষ্টাফ ৰিপৰ্টাৰ, ডুমডুমা, ২৫ জানুৱাৰী ঃ** আজি ২৫ জানুৱাৰী, দেওবাৰ। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি তিনিচুকীয়া জিলাৰ ডুমডুমালৈ আহিছে। উদ্দেশ্য - অসমৰ ২০০ বছৰীয়া চাহ উদ্যোগলৈ আগবঢ়োৱা অনন্য অৱদানৰ স্বীকৃতিস্বৰূপে ৰাজ্যৰ চাহ বাগিচাসমূহৰ ৬ লাখৰো অধিক শ্ৰমিক আৰু কৰ্মচাৰীলৈ গাই পতি ৫ হেজাৰ টকাকৈ এককালীন বিত্তীয় সাহায্য প্ৰদান কাৰ্য্যসূচীৰ আনুষ্ঠানিক শুভাৰম্ভ কৰা। এই উপলক্ষে ইয়াৰ সমীপৰ চামডাং বাইপাচ চাৰিআলিৰ ধাননি পথাৰত মুখ্যমন্ত্ৰীৰ 'এটি কলি দুটি পাত' আঁচনিৰ অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ডুমডুমালৈ অহাৰ দিনাই তিনিচুকীয়া জিলাৰ মাকুম জংচনৰ দীপক দাসে দেখুওৱালে এক অনন্য নিৰ্দশন। ৫৮ বছৰীয়া দীপক দাসে আজি এযোৰ খাকী পোছাকত সদাব্যস্ত মাকুমৰ ৰাজপথত পুৱাৰে পৰাই এগৰাকী হোম গাৰ্ডৰ দায়িত্ব পালন কৰা এক দৃষ্টিনন্দন দৃশ্য দেখা পোৱা গ'ল। দীপক দাসে কেৱল আজিয়েই যে এই কাম কৰিছে সেয়া নহয়, বিগত প্ৰায় ২০-২২ বছৰ ধৰি দীপক দাসে প্ৰতিদিনে এই কাম কৰি আহিছে। পেছাত এগৰাকী সাধাৰণ দৰ্জী দীপক দাসে সদাব্যস্ত মাকুম নগৰৰ পুলিচ পইণ্ট (ডিগবৈ ৰোডৰ সমীপত) ত আজি পুৱাই নিজৰ খাকী পোছাকযোৰ পিন্ধি যান-বাহন নিয়ন্ত্ৰণ কৰাৰ ক্ষেত্ৰত স্থানীয় মাকুম আৰক্ষীক পুৱাদ্যমে সহযোগিতা আগবঢ়ায়। কাৰণ আজি মুখ্যমন্ত্ৰী ড° শৰ্মা ডুমডুমালৈ আহিছে। নগৰখনত যান-বাহনৰ ভিৰ বাঢ়িব, তাতেই আজি আকৌ দেওবৰীয়া বজাৰৰ দিন। দেওবাৰৰ দিনটোত ক্ষুদ্ৰ মাকুম নগৰখনত যান-জঁটৰ সমস্যাৰ কথা সকলোৰে জ্ঞাত। দেওবাৰৰ দিনটোত দীপক দাসৰ আহৰিয়েই নাথাকে। কাৰণটো হ'ল দেওবাৰটো বজাৰৰ দিন হোৱাৰ বাবে দীপক দাসে আন দিনাতকৈ দুপইচা বেছি আৰ্জিব কৰে। মাকুমৰ অতি পৰিচিত ব্যক্তি দীপক দাসে মাকুম পুলিচ পইন্টৰ কাষৰ অম্বিকা এণ্টাৰপ্ৰাইজেছ নামৰ এখন বন্ধ দোকানৰ বাৰাণ্ডাত এটি চিলাই মেচিন লৈ গ্ৰাহকৰ কাপোৰ চিলাই কৰি দুপইচা উপাৰ্জন কৰি পত্নী আৰু পুত্ৰ-কন্যাৰে চাৰিজনীয়া পৰিয়ালটি কোনোমতে পোহপাল দি আহিছে। পুত্ৰ দীপাংকৰে যোৱা বৰ্ষত দুটা বিষয়ত লেটাৰসহ মেট্ৰিক পাছ কৰাৰ বিপৰীতে কন্যা মোহিনী সম্প্ৰতি অষ্টম শ্ৰেণীত অধ্যয়নৰত ছাত্ৰী। দীপক দাস মাকুম অঞ্চলৰ বিভিন্ন অনুষ্ঠানৰ সৈতেও জড়িত। দীপক দাসৰ বিষয়ে ক'বলৈ গ'লে বহুখিনি কথাই ক'ব লাগিব। দীপক দাসৰ জন্ম শিৱসাগৰৰ মেজেঙাত। প্ৰয়াত পিতৃ আছিল ৰে'ল বিভাগৰ কৰ্মচাৰী। শাৰীৰিক অসুস্থতাৰ বাবে পিতৃয়ে চাকৰিৰ পৰা স্বেচ্ছামূলক অৱসৰ লোৱাৰ পিছত পৰিয়ালসহ মাকুমলৈ উঠি আহে। দীপক দাস তেতিয়া ষষ্ঠ শ্ৰেণীৰ ছাত্ৰ। দীপক দাসক চিনি নোপোৱা মানুহ হ'য়তো তিনিচুকীয়াত খুউব কমেই ওলাব। যি সকলে তেওঁক নাজানে তেওঁলোকে দীপক দাসক গৃহৰক্ষী জোৱান বুলিয়েই জানে। দীপক দাসে পুৱা প্ৰায় ৮ বজাৰ পৰা বিয়লি ৪-৫ বজালৈ দোকানৰ বাৰাণ্ডাতে বহি কাপোৰ চিলাই কৰাৰ পিছত নিজৰ পুৰণি খাকী পোছাকযোৰ পিন্ধি নিশা ৭-৮ বজালৈ মাকুম যান-বাহন আৰক্ষীৰ সৈতে ৰাজপথত যান-বাহন নিয়ন্ত্ৰণত ব্যস্ত হৈ পৰে। কি কাৰণত, কেতিয়াৰ পৰা দীপক দাসে এই কাম কৰি আহিছে বুলি এই প্ৰতিবেদকে জানিব বিচৰাত তেওঁ কয় যে বিগত প্ৰায় ২০-২২ বছৰ ধৰি তেওঁ এই কাম কৰি আহিছে। কাৰণ ৰাজপথত যান-বাহনৰ ভিৰৰ মাজত বহু লোক অসহায় হৈ পৰা দৃশ্য দেখি তেওঁৰ মনত এক দুঃচিন্তাই গা কৰি উঠিছিল। নিতৌ সেই দৃশ্য দেখি দেখি তেওঁ এদিন নিজৰ ফালৰ পৰা কিবা এটা কৰাৰ সিদ্ধান্ত লয়। সেয়াই আছিল আৰম্ভণি। তেতিয়াৰে পৰাই দীপক দাসে নিতৌ বিয়লি এনেদৰে ৰাজপথত এই কাম কৰি আহিছে। সমাজৰ বাবে কিবা এটা কৰাৰ দুৰ্বাৰ হাবিয়াস থকা দীপক দাসে ইয়াৰ বাবে বিগত বিভিন্ন সময়ত বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, দল-সংগঠনৰ পৰা ৰাজহুৱা সম্বৰ্দ্ধনাও লাভ কৰি আহিছে। দীপক দাস মাকুম অঞ্চলৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত। পুত্ৰ-কন্যাই অধ্যয়ন কৰা মাকুম জি বি চি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰিচালনা আৰু উন্নয়ন সমিতিৰ এগৰাকী সক্ৰিয় সদস্য দীপক দাস স্থানীয় মাকুম প্ৰাথমিক বিদ্যালয়ৰ পৰিচালনা সমিতিৰ দুটা কাৰ্যকালৰ সভাপতিও। কামত কোনো সৰু-বৰ নাই। দীপক দাস ইয়াৰ এক উৎকৃষ্ট উদাহৰণ। পুৱাৰ পৰা আবেলিলৈকে কাপোৰ চিলোৱাৰ কাম কৰি বিয়লি খাকী পোছাকত মাকুম যান-বাহন আৰক্ষীক বিগত ২০ বছৰে সহযোগিতা কৰি অহা দীপক দাসৰ এই ত্যাগ অৱশ্যে আজিলৈকে চৰকাৰৰ দৃষ্টিগোচৰ নহ'ল। চৰকাৰে দীপক দাসৰ ত্যাগক স্বীকৃতি নিদিলেও দীপক দাস সকলোৰে বাবে এক আদৰ্শ। দীপক দাসৰ এই ত্যাগে এদিন আকাশ চুৱক, অসমবাসীৰ হৃদয় জিনক - তাৰেই কামনা কৰিলোঁ।

## নাজিৰা সমজিলাৰ বৰবাম চাহ বাগিছা আৰু বৰছিলা চাহ বাগিছাৰ ক্ৰমে ৩৭৫৩ আৰু ২৩০৫ গৰাকী চাহ শ্ৰমিকলৈ এটি কলি দুটি পাত আঁচনিৰ বিত্তীয় সাহায্য



**অসম বাৰ্তা, নামতি, নাজিৰা, ২৫ জানুৱাৰী ঃ** ৰাজ্যৰ অন্যান্য ঠাইৰ লগতে আজি নাজিৰা সমজিলাতো অসম চৰকাৰৰ এটি কলি দুটি পাত আঁচনিৰ অধীনত চাহ শ্ৰমিকসকলক ৫ হাজাৰকৈ টকাৰ আৰ্থিক সাহায্যৰ চেক প্ৰদান কৰা হয়। এই উপলক্ষে, সমজিলাখনৰ বৰবাম চাহ বাগিছাৰ খেলপথাৰত, আনুষ্ঠানিক ভাৱে ১৫ গৰাকী হিতাধিকাৰীক চেক প্ৰদান কৰা হয়। উল্লেখ্য যে, আজি বৰবাম চাহ বাগিছাৰ খেলপথাৰত মুঠ ৩৭৫৩ গৰাকী হিতাধিকাৰী আৰু বৰছিলা চাহ বাগিচাত মুঠ ২৩০৫ গৰাকী হিতাধিকাৰীয়ে চেক লাভ কৰে। উক্ত অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে সদৌ অসম তাই আহোম উন্নয়ন পৰিষদৰ অধ্যক্ষ ময়ূৰ বৰগোহাঁই। তেখেতে চৰকাৰৰ বিভিন্ন ধ্বজাবাহী আঁচনি অৰুণোদয়, মহিলা উদ্যমিতা আঁচনি আদিৰ সুবিধা গ্ৰহণ কৰি এই ধনৰ সদ্ব্যৱহাৰ কৰিবলৈ ৰাইজৰ প্ৰতি আহ্বান জনায়। চৰকাৰখনে চাহ বাগিছাত বিদ্যালয়, চিকিৎসালয় আদি স্থাপন কৰাই নহয়, চাহ বাগিছাৰ যুৱক-যুৱতীসকলৰ বাবে নিযুক্তিৰ ক্ষেত্ৰত ৩ শতাংশ সংৰক্ষণৰ ব্যৱস্থা কৰিছে বুলি উল্লেখ কৰি তেওঁ কয় যে বাগিছাৰ সৰ্বাংগীণ কল্যাণ চৰকাৰৰ উচ্চ অগ্ৰাধিকাৰৰ বিষয়। অনুষ্ঠানৰ অংশৰূপে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰা ডুমডুমাত অনুষ্ঠিত 'এটি কলি দুটি পাত' আঁচনিৰ বিত্তীয় সাহায্য প্ৰদানৰ কেন্দ্ৰীয় অনুষ্ঠানৰ পোনপটীয়া সম্প্ৰচাৰ কৰা হয়। ইয়াৰ পূৰ্বে প্ৰধানমন্ত্ৰী ড° নৰেন্দ্ৰ মোদীৰ 'মন কি বাত' অনুষ্ঠানৰো পোনপটীয়া সম্প্ৰচাৰ কৰা হয়। অনুষ্ঠানত নাজিৰা সমজিলাৰ সমজিলা আয়ুক্ত প্ৰতিভা মেশ্ৰাম, চাহ জনগোষ্ঠী মৰ্চাৰ সভাপতি সুজিত গোৱালা, আমগুৰি জিলা পৰিষদৰ সদস্যা জিনিতা চাহু, আটছা কেন্দ্ৰীয় সমিতিৰ কাৰ্যনিৰ্বাহক সদস্য জ্যোতি প্ৰসাদ নায়ক, আটছা শিৱসাগৰ জিলা সমিতিৰ উপদেষ্টা জয়ন্ত নায়ক, আটছা আমুগুৰি শাখাৰ সভাপতি দুৰ্গা কৰ্মকাৰ, বিশিষ্ট সমাজ কৰ্মী বিৰেন গোৱালা, আমগুৰি আঞ্চলিক পঞ্চায়তৰ সভানেত্ৰী আশাবন্তি বদ্ৰা তিৰ্কী আৰু বৰবাম বাগানৰ পৰিচালক অমৰজিত বৰা আৰু সমজিলা প্ৰশাসনৰ বিষয়াসকলকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি আৰু চাহ বাগিছাৰ শ্ৰমিক, কৰ্মীসকল উপস্থিত আছিল।

## ৰূপহীহাটত পিষ্টলসহ গ্ৰেপ্তাৰ ১

**অসম বাৰ্তা, ৰূপহীহাট, ২৫ জানুৱাৰী ঃ** গণৰাজ্য দিৱসৰ প্ৰাকক্ষনত ৰূপহীহাট আৰক্ষীৰ বৃহৎ সাফল্য। ৰূপহীহাট আৰক্ষীয়ে যোৱা নিশা এক গোপন সূত্ৰৰ পম খেদি পূব শিঙিমাৰীত পিষ্টলৰ বিৰুদ্ধে অভিযান চলায় গ্ৰেপ্তাৰ কৰে এটা সৰবৰাহকাৰীক। ধৃত সৰবৰাহকাৰীটো হল পূব শিঙিমাৰীৰ ছুলমান আলী। আৰক্ষীয়ে ছুলমান আলীৰ পৰা এটা ৩২ পিষ্টল, তিনিজাই সজীৱ গুলি আৰু ১৭ টাকৈ ড্ৰাগছৰ খালী কণ্টেইনাৰ জব্দ কৰি জেৰা অব্যাহত ৰাখিছে।

দুৰ্দান্ত জয়ৰে ছেমি-ফাইনেলত ৰাণা ক্লাব

## অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বীপ

**ষ্টাফ ৰিপৰ্টাৰ, মৰিগাঁও, ২৫ জানুৱাৰী ঃ** অসম ক্ৰিকেট সন্থাৰ সৌজন্যত আৰু মৰিগাঁও জিলা ক্ৰীড়া সন্থাৰ সহযোগিতাত ক্ষীৰোদ বৰুৱা ষ্টেডিয়ামত অনুষ্ঠিত হৈ থকা ৮ম সংখ্যক অসম প্ৰিমিয়াৰ ক্লাব চেম্পিয়নশ্বীপৰ মৰিগাঁও জিলা মণ্ডলৰ আজি অনুষ্ঠিত দ্বাদশখন খেলত মৰিগাঁও ৰাণা ক্লাবে অনায়াসে ভলুকাগুৰি দিব্য জ্যোতি ক্লাবক ১২০ ৰাণৰ ব্যৱধানত পৰাভূত কৰি সম্পূৰ্ণ পইণ্ট অৰ্জন কৰাৰ লগতে ছেমিফাইনেলত প্ৰৱেশ কৰিছে। মৰিগাঁও জিলা ক্ৰীড়া সন্থাৰ ক্ৰিকেট উপশমিতিৰ তত্ত্বাৱধানত অনুষ্ঠিত আজিৰ খেলখনত প্ৰথমে বেটিং কৰি মৰিগাঁও ৰাণা ক্লাবে দীপুমনি বৰদলৈৰ ২৯ আৰু চাহিদুৰ ৰহমানৰ ২২ ৰাণৰ অৱদানেৰে ৩৫-৪ অভাৰত সকলো উইকেট হেৰুৱাই ১৯৩ ৰাণ সংগ্ৰহ কৰে। বলিঙত ভলুকাগুৰিৰ হৈ সুৰজ কুমাৰে ৩ টা, সৌৰভ পাতৰ আৰু ৰাহুল সিঙে ২ টাকৈ উইকেট দখল কৰে। প্ৰত্যুত্তৰত লক্ষ্য অনুসৰণ কৰি দিব্যজ্যোতি ক্লাবে ৰাণা ক্লাবৰ আকৰ্ষণীয় বলিঙ-ফিল্ডিঙৰ সন্মুখত দিশহাৰা হৈ ২২-৪ অভাৰত ৰাজনীশ পণ্ডিতৰ ২২ আৰু জয়ন্ত দেৱৰ ১৮ ৰাণৰ অৱদানেৰে সকলো উইকেট হেৰুৱাই মাত্ৰ ৭৩ ৰাণহে সংগ্ৰহ কৰিবলৈ সমৰ্থ হয়। বলিঙত ৰাণা ক্লাবৰ হৈ মণ্টো বড়ো আৰু চাহিদুৰ ৰহমানে ৩ টাকৈ উইকেট দখল কৰে। আজিজ উল্লা খান আৰু নজৰুল ইছলামে পৰিচালনা কৰা আজিৰ খেলখনত স্ক'ৰাৰৰ দায়িত্ব বসন্ত নাথে পালন কৰে। ৰাণা ক্লাবৰ মণ্টো বড়োক মৰিগাঁও জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কাৰ্য্যবাহী অভিযন্তা বাবুল বড়োয়ে শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা প্ৰদান কৰে। অসম ক্ৰিকেট সন্থাৰ নতুন নিয়ম অনুসৰি অহা ২৭ আৰু ২৮ জানুৱাৰীত দুদিনীয়াকৈ অনুষ্ঠিত হ'বলগীয়া প্ৰতিযোগিতাৰ প্ৰথমখন ছেমিফাইনেলত দন্দুৱা স্পৰ্টচ ক্লাবৰ বিপক্ষে বৰিগাঁও উদয়ন সংঘই প্ৰতিদণ্ডিতা কৰিব।

## আগমনিত তীৰ খেলত ধ্বংস বহু পৰিয়াল

**অসম বাৰ্তা, আগমনিৰ, ২৫ জানুৱাৰী ঃ** ধুবুৰী জিলাৰ আগমনি থানাৰ অন্তৰ্গত সৰু ডাঙৰ সকলো বজাৰত অবৈধ তীৰ খেলৰ মুকলি বেহাই ৰাইজৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, অঞ্চলটোৰ সাধাৰণ ৰাইজে একটকা বিনিয়োগ কৰি ৭২ টকা লাভৰ আশাত তীৰৰ জুৱাৰ নামত দৈনিক হাজাৰ হাজাৰ টকা ব্যয় কৰি ধ্বংসৰ দিশে গতি কৰিছে। এই দৰে দীৰ্ঘদিন ধৰি আমতলা বজাৰত অবৈধ তীৰ খেলৰ লগতে চুলাই মদ আৰু গাঞ্জাৰ ৰমৰমীয়া ব্যৱসায় চলি থকাৰ পিছতো আগমনি আৰক্ষীয়ে নীৰৱ ভূমিকা পালন কৰি আহিছে। ফলতঃ ঘন আমতলা চ'ক বজাৰ অবৈধ তীৰ খেলৰ ঘাটিত পৰিণত হৈছে। অকল ঘন আমতলা চকতে ছয়টাকৈ তীৰৰ টিকট বিক্ৰীৰ কাউণ্টাৰ চলি আছে। ইয়াৰ পাছতে কালডোৱাৰ স্থান। কালডোবাত চলিছে পাঁচটাকৈ তীৰৰ কাউণ্টাৰ। আগমনি বজাৰৰ মাজ মজিয়াত চলিছে দুটা, ফুটানীগত তিনিটা খেৰবাৰীত এটা আৰু বসাকপাৰাত দুটাকৈ কাউণ্টাৰ চলি আছে। জানিব পৰা মতে আগমনী থানাৰ অন্তৰ্গত অবৈধ ভাবে চলি থকা তীৰৰ কাউণ্টাৰ সমূহৰ মূল কাণ্ডাৰী হল হক উপাধিৰ, কলডোবা অঞ্চলৰ দুজন ব্যক্তি। এই ব্যক্তি দুজনৰ হাত কাউণ্টাৰ চলোৱাৰ সকোলৰ মূৰত ওপৰত থাকিলে কোনো চিন্তা নকৰে অবৈধ ভাবে চলি থকা তীৰৰ কউণ্টাৰ সকলে। সেই মৰ্মে কাউণ্টাৰ সকলে মুকলি ভাবে চলাই আছে অবৈধ তীৰৰ মুকলি বেহা। জুৱা সদৃশ তীৰৰ কবলত পৰি ইতিমধ্যে বহু লোক সৰ্বস্বান্ত হৈছে। সৰু সুৰা ব্যবসায়ী, ই-ৰিক্সা চালক, শিক্ষক, শিক্ষাৰ্থী শ্ৰমিক সকলোৱে হৈ পৰিছে অবৈধ তীৰৰ টিকটৰ গ্ৰাহক। আগমনি আৰক্ষী মাজে সময়ে চুলাই মদৰ বিৰুদ্ধে অভিযান চলায় যদিও কিন্তু আগমনি আৰক্ষীৰ চকুত নপৰে অবৈধ তীৰৰ মুকলি বেহা। একাংশৰ ব্যক্তিৰ মতে বিষয়াৰ লগতো গোপন বুজাবুজি থকাৰো অভিযোগ উত্থাপিত হৈছে। তীৰ জাতীয় জুৱা খেল হোৱাৰ বাবেই অঞ্চলটোত পাৰিবাৰিক হাই কাজিয়া বৃদ্ধি পাইছে। এই সন্দৰ্ভত তদন্ত কৰি দোষীক কৰায়ত্ব কৰি সৰ্বনাসী তীৰ খেল বন্ধ কৰাৰ বাবে সচেতন মহলে দাবী কৰিছে।

স্থানীয় বিধায়ক ৰূপেশ গোৱালাৰ দীৰ্ঘদিনীয়া সপোন বাস্তৱায়িত

## ডুমডুমা নগৰ প্ৰৱেশদ্বাৰত পৌৰসভাই নিৰ্মাণ কৰা আদৰণি তোৰণ উন্মোচন মুখ্যমন্ত্ৰী শৰ্মাৰ



**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ২৫ জানুৱাৰী ঃ** অসমৰ চাহ উদ্যোগৰ ২০০ বছৰ সম্পূৰ্ণ হোৱাৰ উপলক্ষত অসম চৰকাৰে গ্ৰহণ কৰা 'মুখ্যমন্ত্ৰীৰ এটি ক'লি দুটি পাত' আঁচনিৰ শুভাৰম্ভ কৰিবলৈ আজি তিনিচুকীয়া জিলাৰ ডুমডুমালৈ অহা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ডুমডুমা নগৰৰ দুৱাৰদলিত ডুমডুমা নৈৰ দলঙৰ দক্ষিণ পাৰত ডুমডুমা পৌৰসভাই পঞ্চদশ বিত্তীয় আয়োগৰ পুঁজিৰ ৮৪ লাখ টকাৰে নিৰ্মাণ কৰা 'আদৰণি তোৰণ'খন আনুষ্ঠানিকভাৱে উন্মোচন কৰি ৰাইজলৈ বুলি উছৰ্গা কৰে। চাহ নগৰী ডুমডুমাৰ সমীপৰ চামডাং চাহ বাগিচাৰ সমীপত অনুষ্ঠিত হোৱা 'এটি ক'লি দুটি পাত' আঁচনিৰ শুভাৰম্ভণি অনুষ্ঠানৰ পাছতেই আহি মুখ্যমন্ত্ৰী শৰ্মাই এই তোৰণখন উন্মোচন কৰে। মুখ্যমন্ত্ৰীগৰাকীক বিভিন্ন জনগোষ্ঠীৰ সংস্কৃতিক দলসমূহৰ লগতে স্থানীয় ৰাইজে আদৰণি জনায়। বিপুল হৰ্ষোল্লাসৰ মাজত ডঃ শৰ্মাই এই আদৰণি তোৰণখন উন্মোচন কৰে। আজিৰ উন্মোচনী অনুষ্ঠানত ডুমডুমা বিধানসভা সমষ্টিৰ বিধায়ক তথা অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী ৰূপেশ গোৱালা, ডুমডুমা পৌৰসভাৰ পৌৰপতি কান্তা ভট্টাচাৰ্য, শদিয়া বিধানসভা সমষ্টিৰ বিধায়ক বলিন চেতিয়া, তিনিচুকীয়া পৌৰসভাৰ পৌৰপতি পুলক চেতিয়া, ডুমডুমা পৌৰসভাৰ কাৰ্যবাহী বিষয়া বিদ্যুৎ বিকাশ চাংমাই, ৱাৰ্ড সদস্যসকল আৰু বহু সংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত আছিল। উল্লেখযোগ্য যে ডুমডুমা বিধানসভা সমষ্টিৰ বিধায়ক ৰূপেশ গোৱালাই বিধায়ক হিচাপে পোন প্ৰথমবাৰৰ বাবে নিৰ্বাচিত হৈয়েই ডুমডুমা নগৰৰ প্ৰৱেশদ্বাৰত এখন আদৰণি তোৰণ নিৰ্মাণ কৰিবলৈ মন কৰি স্থানীয় বিশিষ্ট ব্যক্তিসকলৰ মতামত গ্ৰহণ কৰিছিল আৰু সকলোৱে সহযোগত তেওঁৰ উদ্যোগতেই ডুমডুমা পৌৰসভাই পঞ্চদশ বিত্তীয় আয়োগৰ পুঁজিৰে 'আদৰণি তোৰণ'খন নিৰ্মাণ কৰি উলিয়াই। চাহ নগৰী ডুমডুমাৰ সেউজীয়া চাহ বাগিচাৰ জনজীৱনৰ বিভিন্ন দিশ তোৰণখনত প্ৰতিফলিত হৈছে। তোৰণখনৰ আৰ্হি প্ৰস্তুত কৰিছিল বিশিষ্ট শিল্পী ত্ৰিদীপ দত্তই আৰু তেখেতৰ নিৰ্দেশনাতেই তোৰণখন নিৰ্মাণ কৰা হৈছিল বুলি ডুমডুমা পৌৰসভাৰ পৌৰপতি কান্তা ভট্টাচাৰ্যই এই প্ৰতিবেদকক জানিবলৈ দিয়ে। এই প্ৰতিবেদকৰ সৈতে হোৱা এক আছুতীয়া বাৰ্তালাপত বিধায়ক তথা মন্ত্ৰী ৰূপেশ গোৱালাই কয় যে আজি তেওঁৰ এটা দীৰ্ঘদিনীয়া সপোন বাস্তৱায়িত হ'ল। ইয়াৰ বাবে তেওঁ এই কামটোৰ সৈতে জড়িত সকলোকে ধন্যবাদ জ্ঞাপন কৰে। এই তোৰণখনে চাহ উদ্যোগক কেন্দ্ৰ কৰি গঢ় লোৱা ডুমডুমা নগৰখনক এক নতুন মাত্ৰা প্ৰদান কৰিব বুলিও গোৱালাই আশা প্ৰকাশ কৰে। স্থানীয় বিধায়ক ৰূপেশ গোৱালাৰ এই পদক্ষেপক ডুমডুমাৰ ৰাইজে শলাগ লোৱাৰ লগতে ডুমডুমা পৌৰসভাকো ৰাইজে ধন্যবাদ জনাইছে।

## দৰং জিলা কৃষক মৰ্চাৰ উদ্যোগত "কৃষক শ্ৰমিক সন্মিলন"



**অসম বাৰ্তা, পাথৰিঘাট, ২৫ জানুৱাৰী ঃ** দৰং জিলা বিজেপি কৃষক মৰ্চাৰ উদ্যোগত সৰাবাৰী গাঁও পঞ্চায়তৰ অন্তৰ্গত কটাহী কৃষি পথাৰত "কৃষক শ্ৰমিক সন্মিলন" অনুষ্ঠিত হয়। দৰং জিলাৰ কৃষক মৰ্চাৰ সভাপতি পবিত্ৰ প্ৰাণ ডেকাৰ সঞ্চালনত "কৃষক শ্ৰমিক সন্মিলন"ত ঐতিহাসিক VB-GRAM-G আইনৰ জৰিয়তে গ্ৰাম্যাঞ্চলৰ সৰ্বাংগীণ বিকাশ সাধন কৰাৰ লক্ষ্যৰে ভাৰতীয় জনতা পাৰ্টীৰ অসম ৰাজ্যিক সভাপতি তথা দৰং ওদালগুৰি সমষ্টিৰ সাংসদ দিলীপ শইকীয়া, ছিপাঝাৰ সমষ্টিৰ বিধায়ক ড° পৰমানন্দ ৰাজবংশী ডাঙৰীয়া, বিশিষ্ট অভিনেতা প্ৰাঞ্জল শইকীয়া, দৰং জিলা বিজেপিৰ সভাপতি মকুন্দ ডেকা, জিলা পৰিষদৰ সভানেত্ৰী শেৱালি গোস্বামী কলিতা, ছিপাঝাৰ আঞ্চলিক পঞ্চায়তৰ সভাপতি, ৰাজ্যিক কৃষক মৰ্চাৰ বিষয়ববিয়া, জিলা কৃষক মৰ্চাৰ সভাপতি আৰু জিলা বিজেপিৰ অন্যান্য বিষয়ববীয়া, পঞ্চায়ত প্ৰতিনিধি সকল, দেওমৰনৈ মণ্ডল বিজেপিৰ সভাপতি ভাস্কৰ দিবাকৰ কলিতাৰ লগতে সৰাবাৰী বিজেপিৰ কাৰ্যকৰ্তা সকলৰ লগতে স্থানীয় কৃষক ৰাইজে এই সন্মিলনত অংশগ্ৰহণ কৰে। উন্নত কৃষি পদ্ধতি আৰু চৰকাৰী আঁচনিৰ জৰিয়তে গ্ৰাম্য অৰ্থনীতি কিদৰে শক্তিশালী কৰিব পাৰি তাৰ ওপৰত আজিৰ সভাত গুৰুত্ব আৰোপ কৰা হয়।

## লেংটিছিঙা বজাৰত এ আই ইউ ডি এফৰ জিলা কাৰ্যালয় মুকলি

**অসম বাৰ্তা, লেংটিছিঙা, ২৫ জানুৱাৰী ঃ** সমাগত অসম বিধান সভা নিৰ্বাচনলৈ লক্ষ্য কৰি দলীয় সাংগঠনিক ভেটি মজবুত কৰাৰ লক্ষ্যৰে আজি লেংটিছিঙা বজাৰত এ আই ইউ ডি এফৰ মুখ্য কাৰ্যালয় শুভ উদ্বোধন কৰে দলটোৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক তথা জনীয়া সমষ্টিৰ বিধায়ক ড° হাফিজ ৰফিকুল ইছলামে। পিৰাধৰা পঞ্চায়তৰ আঞ্চলিক সদস্য জাহিদুল ইছলাম মুন্নাৰ সঞ্চালনাত অনুষ্ঠিত হোৱা সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে ক্ৰমে- বিধায়ক তথা দলটোৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক ড° হাফিজ ৰফিকুল ইছলাম, খন্দকাৰ মামুন আশ্ৰাফুল ইছলাম আদি উপস্থিত থাকি বৰ্তমান শাসনাধিষ্ঠিত চৰকাৰক ক্ষুৰধাৰ সমালোচনা কৰে। সভাত দলীয় প্ৰাৰ্থীত্ব প্ৰত্যাসি ক্ৰমে- গাজিবৰ ৰহমান, জাহিদুল ইছলাম মুন্না, ছফিউৰ ৰহমান, আবু বক্কৰ ছিদ্দিকি, সাজাহান আলী, মহৰ আলী আদিয়ে উপস্থিত থাকি ভাষণ প্ৰদান কৰে।

## চামগুৰিৰ কাঞ্চনপুৰত কংগ্ৰেছত খহনীয়া, শতাধিকৰ বিজেপিত যোগদান



**অসম বাৰ্তা, ৰূপহীহাট, ২৫ জানুৱাৰী ঃ** চামগুৰি সমষ্টিত কংগ্ৰেছত অব্যাহত আছে খহনীয়া। আজি চামগুৰি সমষ্টিৰ কাঞ্চনপুৰত বিজেপি দলৰ এক যোগদান সভা অনুষ্ঠিত হয়। উক্ত যোগদান সভাত উপস্থিত থাকে বিজেপি দলৰ ৰাষ্ট্ৰীয় সংখ্যালঘু মৰ্চাৰ কাৰ্যনিৰ্বাহক সদস্য তথা চামগুৰি সমষ্টিৰ বিজেপি দলৰ সম্ভাব্য প্ৰাৰ্থী নাজিৰ হুছেইন। প্ৰায় সহস্ৰাধিক পুৰুষ-মহিলা উপস্থিত থকা সভাখনত বিজেপি নেতা নাজিৰ হুছেইনে ভাষণত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা চৰকাৰে কৰা উন্নয়নমূলক কামৰ খতিয়ান ৰাইজৰ আগত দাঙি ধৰে। অহা ২০২৬ ৰ বিধানসভা নিৰ্বাচনত বিজেপি দলৰ প্ৰাৰ্থীক ভোট দিবলৈ আহ্বান জনায় নাজিৰ হুছেইনে। নিৰ্বাচনৰ সময়ত যুগ যুগ ধৰি সংখ্যালঘু মানুহক কংগ্ৰেছে ভোট বেংক হিচাপে ব্যৱহাৰ কৰি আহিছে। কংগ্ৰেছ দলে তেতিয়াও সংখ্যালঘু মানুহৰ উন্নয়ন নিবিচাৰে। সংখ্যালঘু মানুহে কংগ্ৰেছক ভোট দিয়াৰ বাবেই আজি হাৰাশাস্তিৰ সন্মুখীন হব লগা হৈছে। সকলোৰে উন্নয়নৰ স্বাৰ্থত ২০২৬ ত চামগুৰিৰ পৰা বিজেপি দলৰ প্ৰাৰ্থীক বিপুল ভোটত জয়ী কৰিবলৈ নাজিৰ হুছেইনে আহ্বান জনায়। আজিৰ সভাখনত প্ৰায় শতাধিক কংগ্ৰেছ দলৰ নেতা কৰ্মী কংগ্ৰেছ দল ত্যাগ কৰি বিজেপি দলত যোগদান কৰে। বিজেপি দলত যোগদান কৰাসকলক নাজিৰ হুছেইনে দলীয় টুপী আৰু গামোছাৰে আদৰি লয়।

ঐতিহাসিক কাপলা বিলক পৰ্যটন ক্ষেত্ৰ হিচাপে গঢ়ি তুলিবলৈ চৰকাৰলৈ আহ্বান বিৰিণা গোষ্ঠী, অসমৰ

# বিৰিণা গোষ্ঠী-অসমৰ একাদশ বাৰ্ষিক প্ৰতিষ্ঠা দিৱস আৰু বিশেষ বাৰ্ষিক অধিৱেশন সম্পন্ন

**অসম বাৰ্তা, দৌলাশাল, ২৫ জানুৱাৰী ঃ** অসমৰ অন্যতম সাহিত্য-সাংস্কৃতিক অনুষ্ঠান বিৰিণা গোষ্ঠী-অসমৰ একাদশ বাৰ্ষিক প্ৰতিষ্ঠা দিৱস আৰু বিশেষ বাৰ্ষিক অধিৱেশন যোৱা ২৪ আৰু ২৫ জানুৱাৰীত দুদিনীয়াকৈ অনুষ্ঠিত হৈ যায়। বিশেষ বাৰ্ষিক অধিৱেশনৰ মুকলি সভাখন আজি বৰপেটা জিলাৰ সৰ্থেবাৰী ৰাজহ চক্ৰৰ অন্তৰ্গত ঐতিহাসিক কাপলা বিলৰ পাৰত অনুষ্ঠিত হয়। দিনৰ ১১ বজাত গোষ্ঠীটোৰ সভাপতি জিয়াউৰ ৰহমানৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক বনজিৎ বৈশ্যই। অনুষ্ঠানৰ আৰম্ভণিতে অসমীয়াৰ প্ৰাণৰ শিল্পী, হিয়াৰ আমঠু জুবিন গাৰ্গ আৰু সদ্য প্ৰয়াত জনপ্ৰিয় কণ্ঠশিল্পী সমৰ হাজৰিকালৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে বিৰিণা গোষ্ঠী-অসমৰ প্ৰতিষ্ঠাপক সভাপতি লীলাধৰ পাঠকে আৰু মাল্যাৰ্পণ কৰে গোষ্ঠীটোৰ সম্পাদক বনজিৎ বৈশ্যই। পুষ্পাঞ্জলি অৰ্পণ কৰে গোষ্ঠীটোৰ বিত্ত সম্পাদক জয়ন্ত ডেকাই। সমৰ হাজৰিকাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে উদীয়মান কণ্ঠশিল্পী বৰষা ৰয়ে আৰু মাল্যাৰ্পণ কৰে গোষ্ঠীটোৰ পত্ৰিকা সম্পাদক সুৰজিৎ পাঠকে। পুষ্পাঞ্জলি অৰ্পণেৰে সমূহীয়া শ্ৰদ্ধাঞ্জলি অনুষ্ঠান মুকলি কৰে দৌলাশালস্থিত শংকৰদেৱ শিশু নিকেতনৰ আচাৰ্যা ৰূপাঞ্জলী চৌধুৰীয়ে। উদ্বোধনী ভাষণ প্ৰদান কৰে সদৌ অসম সাংবাদিক সন্থাৰ সাধাৰণ সম্পাদক নকুল তালুকদাৰে। নকুল তালুকদাৰে ভাষণ প্ৰসংগত কয় যে- "বিৰিণা গোষ্ঠী, অসমে জন্মলগ্নৰে পৰা ভাষা-সাহিত্যৰ চৰ্চা কৰি আহিছে। ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত বিৰিণাই অনুষ্ঠান অনুষ্ঠিত কৰি ভাষা-সাহিত্যৰ ক্ষেত্ৰত ইতিবাচক দৃষ্টিভংগীৰে কাম কৰি আছে।" সম্প্ৰতি অসমীয়া ভাষালৈ সংকট নামি অহা বুলি কৈ তালুকদাৰে কয় যে- "আমি সজাগ আৰু সচেতন হ'ব লাগিব। নিজৰ সন্তানক অসমীয়া ভাষা শুদ্ধকৈ ক'বলৈ শিকাব লাগিব। কিন্তু আমাৰ একাংশ অভিভাৱকে নিজৰ সন্তানে অসমীয়া ভাষা কব নোৱাৰে বুলি গৌৰৱ কৰে, ইয়াতকৈ দুৰ্ভাগ্যজনক কথা জাতিটোৰ বাবে একো হ'ব নোৱাৰে।" ইয়াৰ উপৰিও তালুকদাৰে কাপল বিলৰ ঐতিহ্যৰ বিষয়ে উল্লেখ কৰি কাপলা বিলক পৰ্যটন ক্ষেত্ৰলৈ গঢ়ি তোলাৰ বাবে চৰকাৰলৈ দাবী জনায়। মুকলি সভাত সন্মানীয় অতিথি হিচাপে উপস্থিত থাকি ভাষণ প্ৰদান কৰে বিশিষ্ট সাহিত্যিক- প্ৰগতিশীল লেখক পৰীক্ষিত বৈশ্যই। পৰীক্ষিত বৈশ্যই ভাষণ প্ৰসংগত কয় যে- "বিৰিণা গোষ্ঠী, অসমৰ কৰ্মই আমাক আৰম্ভণিৰ পৰাই মোহিত কৰিছে। যিকোনো অনুষ্ঠান-প্ৰতিষ্ঠানে প্ৰতিষ্ঠা দিৱস পালন কৰি নৱপ্ৰজন্মক অনুষ্ঠানটোৰ ইতিহাসৰ লগত চিনাকি কৰাই দিব লাগে। নহ'লে সম্প্ৰতি তীব্ৰ গতিত ইতিহাস বিকৃতকৰণ হৈ আছে। বিৰিণা গোষ্ঠী, অসমে সাহিত্যৰ ক্ষেত্ৰখনত যথেষ্ট কাম কৰিছে। বিৰিণাৰ কৰ্ম-কৰ্তাসকলে আন্তৰিকতাৰে সাহিত্যৰ ক্ষেত্ৰখনত কাম কৰি আছে।" সৰ্থেবাৰীস্থিত বাপুজী মহাবিদ্যালয়, সৰুক্ষেত্ৰীৰ সহকাৰী অধ্যাপক ড° ধীৰু ডেকাই সন্মানীয় অতিথি হিচাপে উপস্থিত থাকি ভাষণত বিৰিণা গোষ্ঠী-অসমৰ পদক্ষেপৰ শলাগ লয়। কাপলা বিলৰ এই নৈসৰ্গিক পৰিৱেশত এনেকুৱা অনুষ্ঠান অনুষ্ঠিত কৰি অসমীয়া ভাষা-সাহিত্যৰ উন্নতিৰ কল্পে সংকল্প লোৱা কথাটো কেৱল সংস্কৃতিক মনৰ ব্যক্তিহে কৰিব পাৰে বুলিও ড° ডেকাই উল্লেখ কৰে। অনুষ্ঠানটোত চেঙাস্থিত ৰামানুজন একাডেমীৰ অধ্যক্ষ ৰোহিনী কুমাৰ দাস, দৌলাশাল হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ভবেন কুমাৰ কলিতা, ৭৪২ নং কামাৰপাৰা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক বিচিত্ৰ ডেকাই সন্মানীয় অতিথি হিচাপে উপস্থিত থাকি ভাষণ প্ৰদান কৰাৰ লগতে বিৰিণা গোষ্ঠী-অসমৰ প্ৰতিষ্ঠাপক সভাপতি লীলাধৰ পাঠকেও মনৰ অনুভৱ ব্যক্ত কৰে। মুকলি সভাতেই বিৰিণা গোষ্ঠী, অসমৰ আজীৱন সভ্যৰ প্ৰমাণ পত্ৰও বিতৰণ কৰা হয়। উদীয়মান চিত্ৰশিল্পী আকিব জামিলে সভাস্থলীত জুবিন গাৰ্গৰ চিত্ৰ অংকন কৰি চিত্ৰখন বিৰিণা গোষ্ঠী-অসমলৈ অৰ্পণ কৰে। বৰষা ৰয়, পাৰভিচ হুছেইন, জিংকি নাথে গীত পৰিৱেশন কৰি অনুষ্ঠানটোক জীপাল কৰি তোলে। চাবিৰুল হাচান, মকিবুল হক, ছাহজাহান আলী আহমেদকে ধৰি কেইবাগৰাকীয়ে কবিতা পাঠ কৰে। উক্ত সভাতেই ঐতিহাসিক কাপলা বিলৰ সৌন্দৰ্য্যবৰ্ধন, সুৰক্ষা আৰু কাপলা বিলক পৰ্যটন কেন্দ্ৰ হিচাপে গঢ়ি তুলিবলৈ চৰকাৰলৈ দাবী জনাই প্ৰস্তাৱ গ্ৰহণ কৰা। অতি শীঘ্ৰেই চক্ৰ বিষয়াৰ জৰিয়তে সংশ্লিষ্ট বিভাগলৈ বিৰিণা গোষ্ঠী, অসমে স্মাৰক পত্ৰ প্ৰদান কৰিব বুলি সভাপতি জিয়াউৰ ৰহমানে ভাষণত উল্লেখ কৰে। বিশিষ্ট সমাজসেৱক, সাহিত্য-সংগঠক মহানন্দ সৰকাৰ দত্ত, নেচনেল একাডেমী অৱ ইডুকেশ্বনৰ সহকাৰী অধ্যাপক গাজিউৰ ৰহমান চৌধুৰী, গোষ্ঠীটোৰ বৰপেটা জিলাৰ সমন্বয়ক হৰমোহন বৰ্মন, উদীয়মান লেখক, প্ৰকৃতিপ্ৰেমী কল্প তালুকদাৰকে ধৰি গোষ্ঠীটোৰ বৰপেটা আৰু নলবাৰী জিলাৰ শতাধিক সদস্য আৰু বিষয়ববীয়া উপস্থিত থাকে। শলাগৰ শৰাই আগবঢ়াই গোষ্ঠীটোৰ কাৰ্যকৰী সভাপতি বসন্ত ঠাকুৰীয়াই। অসম সংগীত পৰিৱেশনৰ পাছত সভাৰ সামৰণি ঘটে। উল্লেখ্য যে ২৪ জানুৱাৰীত নলবাৰী জিলাৰ দৌলাশালস্থিত জলসম্পদ বিভাগৰ পৰিদৰ্শন বঙলাত একাদশ বাৰ্ষিক প্ৰতিষ্ঠা দিৱস আৰু বিশেষ বাৰ্ষিক অধিৱেশনৰ প্ৰথম দিনাৰ কাৰ্যসূচী অনুষ্ঠিত হৈ যায়। ২৪ জানুৱাৰীৰ পুৱা ৯ বজাত পতাকা উত্তোলন কৰে গোষ্ঠীটোৰ সভাপতি জিয়াউৰ ৰহমানে। ইয়াৰ পাছতেই গছপুলি ৰোপণ কৰে গোষ্ঠীটোৰ কাৰ্যকৰী সভাপতি বসন্ত ঠাকুৰীয়াই। একাদশ বাৰ্ষিক প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি এঘাৰ গচি বন্তি প্ৰজ্বলন কৰা হয়। বন্তি প্ৰজ্বলন কাৰ্যসূচীত মুখ্য প্ৰজ্বলক হিচাপে উপস্থিত থাকি কাৰ্যসূচী ৰূপায়ণ কৰে প্ৰতিষ্ঠাক সম্পাদক তফিকুৰ ৰহমানে। ইয়াৰ পাছতেই গোষ্ঠীটোৰ উপ সভাপতি বাবুল বণিক্য, সম্পাদক বনজিৎ বৈশ্য, বিত্ত সম্পাদক জয়ন্ত ডেকা, পত্ৰিকা সম্পাদক সুৰজিৎ পাঠক, সাংগঠনিক সম্পাদক কুশল চৌধুৰী, সদস্য জেহেৰুল ইছলাম, ছাহজাহান আলী আহমেদ, চানবৰ আলী আহমেদ, কাৰ্যালয় সম্পাদক দেৱজিৎ নাথ, স্থানীয় দেউৰী পৰাগ বৈশ্য (পিংকু)ই বন্তিপ্ৰজ্বলন কৰে। পুৱা ১০ বজাত গোষ্ঠীটোৰ সভাপতি জিয়াউৰ ৰহমানৰ সভাপতিত্বত অনুষ্ঠিত হয় স্মৃতি ৰোমন্থন অনুষ্ঠান।

# নলবাৰী জিলাৰ বৰক্ষেত্ৰীৰ জাগাৰাত যুৱ মঞ্চ জাগাৰাৰ উদ্যোগত আৰু সাৰথি হস্পিতালৰ সহযোগত বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰ



**অসম বাৰ্তা, বৰক্ষেত্ৰী, ২৫ জানুৱাৰী ঃ** যুৱ মঞ্চ জাগাৰাৰ উদ্যোগত আৰু সাৰথি হস্পিতালৰ সহযোগত নলবাৰী জিলাৰ বৰক্ষেত্ৰীৰ জাগাৰাত আজি এটি বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰৰ ব্যৱস্থা কৰা হয়। জাগাৰা সভাগৃহৰ সমীপতে থকা ৫৪ নং জাগাৰা নপ্তিপাৰা গাঁও পঞ্চায়ত কাৰ্যালয়ত অনুষ্ঠিত হয় উক্ত স্বাস্থ্য পৰীক্ষা শিবিৰটো। ৰবিবাৰে ৰাতিপুৱা ১০ বজাৰ পৰা আৰম্ভ হোৱা স্বাস্থ্য পৰীক্ষা শিবিৰটোত উপস্থিত থাকে সাৰথি হস্পিটেলৰ চিকিৎসক ডাঃ জোনাক কাশ্যপ(জেনেৰেল ফিজিচিয়ান) আৰু ডাঃ মানশ প্ৰীতম ডেকা (জেনেৰেল ফিজিচিয়ান), আনহাতে, এই শিবিৰটোত সহযোগিতা আগবঢ়াই সেৱিকা সহযোগী তৃষ্ণা ৰাজবংশী আৰু জি এন এম তৃতীয় বাৰ্ষিকৰ ছাত্ৰীদ্বয় ৰমাইশ্ৰী বড়ো আৰু জানমণি বেগমে। সাধাৰণ চিকিৎসাৰ উপৰিও মধুমেহ ৰোগৰ পৰীক্ষা, উচ্চ ৰক্তচাপ ৰোগ, তেজ পৰীক্ষাৰ উপৰিও অন্যান্য ৰোগৰ পৰীক্ষা কৰা হয়। সমাজকৰ্মী সুৰেন ডেকাই উদ্বোধন কৰা শিবিৰটোত স্থানীয় সৰবৰহী মহিলা গীতা ডেকা, বৰক্ষেত্ৰী ধৰ্মপুৰ মণ্ডলৰ সভাপতি মহেশ বৰ্মণ, জাগাৰা যুৱ মঞ্চৰ সভাপতি মৃণাল ডেকা, ৫৪ নং জাগাৰা নপ্তিপাৰা গাও পঞ্চায়তৰ সভানেত্ৰী উষাৰাণী ডেকা, ৰাহুল ডেকা, অজিত বৈশ্য, শিক্ষক গোকুল ডেকা, বিশাল ডেকা, সুৰজিৎ ডেকাৰ লগতে যুৱ মঞ্চৰ কাৰ্যকৰ্তাসকলৰ লগতে বিভিন্ন প্ৰান্তৰ জ্যেষ্ঠ- কনিষ্ঠ বিশিষ্ট সমাজকৰ্মীসকল উপস্থিত থাকে। বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰটোত অঞ্চলটোৰ ভালেমান লোকে স্বাস্থ্য পৰীক্ষা কৰে।

# বিহালীত "এটি কলি দুটি পাত" আঁচনিৰ শুভ উদ্বোধন, সাংসদ ৰঞ্জিত দত্তৰ চেক বিতৰণ



**অসম বাৰ্তা, জিনজিয়া, ২৫ জানুৱাৰী ঃ** অসমৰ ২০০ বছৰীয়া চাহ উদ্যোগলৈ আগবঢ়োৱা অনন্য অৱদানৰ স্বীকৃতি স্বৰূপে মুখ্যমন্ত্ৰীৰ "এটি কলি দুটি পাত" শীৰ্ষক আঁচনি আজি ডুমডুমাত উদ্বোধন কৰে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই। বিহালী সমষ্টিৰ বৰগাঙ চাহবাগিছাতো এই আঁচনিৰ চেক বিতৰণৰ শুভ উদ্বোধন কৰি এখনি সভা অনুষ্ঠিত হয়। সভাত শোণিতপুৰ লোকসভা সমষ্টিৰ সাংসদ ৰঞ্জিত দত্ত, জিলা আয়ুক্ত লক্ষ্মীনন্দন চহৰীয়া, বিধায়ক দিগন্ত ঘাটোৱাল, সমজিলা আয়ুক্ত প্ৰভাত পেগুৰ লগতে চাহ বাগিছা অঞ্চলৰ ৰাইজ উপস্থিত থাকে। বৰগাং চাহ বাগিচাত আজি মুঠ ৩২৯৭ গৰাকী চাহ শ্ৰমিকক ৫ হাজাৰ টকাৰ চেক বিতৰণ কৰা হয়।

অবৈধ চুলাই ঘাটি উচ্ছেদ

# নাজিৰাত আবকাৰী বিভাগৰ অভিযান

**অসম বাৰ্তা, নামতি, ২৫ জানুৱাৰী ঃ** নাজিৰা সমজিলাৰ আবকাৰী বিভাগে আজি পুৱাতে এক অভিযান চলাই সমজিলাৰ তিনিটা অবৈধ চুলাই ঘাটি উচ্ছেদ কৰাৰ লগতে বৃহৎ পৰিমাণৰ চুলাই, চুলাই প্ৰস্তুত কৰা পাছ আদি নষ্ট কৰে। আবকাৰী বিভাগৰ নাজিৰা কাৰ্য্যালয়ৰ পৰিদৰ্শকৰ নেতৃত্বত নাজিৰা সমজিলাৰ হুদুপাৰা, লাহদৈগড় ৰামৰূদককে ধৰি সমীপৱৰ্ত্তী অঞ্চলত এই অভিযান চলোৱা হৈছিল। এই অভিযানত প্ৰায় ১৩০০ লিটাৰ পাছ, ২০ লিটাৰ চুলাই লগতে দুটা যন্ত্ৰ উদ্ধাৰ কৰে আৰু উদ্ধাৰ কৰা সামগ্ৰী সমূহ ঘটনাস্থলীতে নষ্ট কৰি দিয়ে। এই সন্দৰ্ভত বিভাগীয় ভাবে তিনিটা গোচৰ ৰজু কৰিছে বুলি জানিবলৈ দিয়ে। উল্লেখযোগ্য যে নাজিৰা সমজিলাৰ অন্তৰ্গত বিভিন্ন স্থানত অবৈধ সুৰা ব্যৱসায়ে গা কৰি উঠিছে। অবৈধ সুৰাৰ বিৰুদ্ধে অভিযান অব্যাহত থাকিব বুলি কয় আবকাৰী বিভাগৰ পৰিদৰ্শকে।

# কামৰূপ জিলাত ১৬ সংখ্যক ৰাষ্ট্ৰীয় ভোটাৰ দিৱস উদ্‌যাপন




**অসম বাৰ্তা, কমলপুৰ, ২৫ জানুৱাৰী ঃ** কামৰূপ জিলা প্ৰশাসন আৰু কামৰূপ জিলা নিৰ্বাচনী কাৰ্যালয়ৰ উদ্যোগত আজি সংহত কামৰূপৰ জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত কামৰূপৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰৰ সভাপতিত্বত ১৬ সংখ্যক ৰাষ্ট্ৰীয় ভোটাৰ দিৱসটি উদ্‌যাপন কৰা হয়। সভাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে আমাৰ অসম কাকত আৰু এন কে টিভিৰ মুখ্য সম্পাদক মনোজ কুমাৰ গোস্বামী। অনুষ্ঠানত বক্তব্য ৰাখি জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই এক সুস্থ গণতান্ত্ৰিক ব্যৱস্থাৰ বাবে ভোটাধিকাৰ সাব্যস্ত কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত বক্তব্য ৰাখে। তেওঁ গণতান্ত্ৰিক ব্যৱস্থাৰ অংশস্বৰূপে অনুষ্ঠিত নিৰ্বাচনী প্ৰক্ৰিয়াত প্ৰতি গৰাকী ভোটদাতাৰ অংশগ্ৰহণৰ প্ৰয়োজনীয়তা আৰু ভোটদাতাসকলৰ দায়িত্ব আৰু কৰ্তব্যৰ ওপৰতো ব্যাখ্যা আগবঢ়ায়। জিলা আয়ুক্ত গৰাকীয়ে আজিৰ অনুষ্ঠানত নৱপ্ৰজন্মক গণতান্ত্ৰিক ব্যৱস্থাত অংশগ্ৰহণ কৰি সঠিক জনপ্ৰতিনিধি নিৰ্বাচনৰ জৰিয়তে ৰাষ্ট্ৰ নিৰ্মাণৰ দিশত অৰিহণা আগবঢ়াবলৈও আহ্বান জনায়। আয়ুক্ত গৰাকীয়ে লগতে কয় যে সচেতন, জ্ঞানী আৰু সক্ৰিয় নাগৰিকেই গণতন্ত্ৰৰ আচল শক্তি। যুৱ প্ৰজন্মই নিজৰ ভোটাধিকাৰক দায়িত্ব আৰু গৌৰৱ ৰূপে গ্ৰহণ কৰিব লাগিব। তেওঁলোকৰ অংশগ্ৰহণে চৰকাৰী ব্যৱস্থাত স্বচ্ছতা আৰু জবাবদিহিতা বৃদ্ধি কৰে। অনুষ্ঠানত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি মনোজ কুমাৰ গোস্বমীয়ে কয় যে "ভাৰতৰ নিৰ্বাচনী প্ৰক্ৰিয়াই সময়ৰ সৈতে বহু গুৰুত্বপূৰ্ণ সংস্কাৰ আৰু পৰিৱৰ্তন দেখিছে, কাগজত ভোটৰ পৰা ইলেকট্ৰনিক ভোটিং মেচিন (EVM)লৈ, তাৰ পিছত VVPAT প্ৰণালী, বয়োজ্যেষ্ঠ আৰু অক্ষম ভোটাৰসকলৰ বাবে সুলভ ভোটদান ব্যৱস্থা, আৰু ভোটাৰ তালিকাৰ স্বচ্ছতা এই সকলো উন্নতিসমূহ ভাৰতীয় গণতন্ত্ৰৰ পৰিপক্কতাৰ প্ৰতীক।" তেওঁ লগতে অসম তথা সমগ্ৰ ভাৰতবৰ্ষত নাগৰীক তথা বিশেষকৈ নৱপ্ৰজন্ম ভোটাৰসকলক সক্ৰিয়ভাৱে ভোট দান কৰিবলৈ আহ্বান জনায়। আজিৰ অনুষ্ঠানত কামৰূপৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক সঞ্জীৱ কুমাৰ শইকীয়া, অতিৰিক্ত জিলা আয়ুক্ত সকল ক্ৰমে গৰ্গমোহন দাস, গীতাশ্ৰী লাচিত, বিক্ৰম চেত্ৰী, প্ৰাণজিত কুমাৰ দেৱ, ৰঙিয়াৰ সম-জিলা আয়ুক্ত দেৱাশিস গোস্বামী, নিৰ্বাচনী বিষয়া ড° ভূপালী কাশ্যপৰ লগতে জিলা প্ৰশাসনৰ বিষয়া কৰ্মচাৰীসকল উপস্থিত থাকে।

# মাকুম-তিনিচুকীয়া অঞ্চলত সন্ত্ৰাস সৃষ্টি কৰা গভাইত চোৰ আৰক্ষীৰ জালত

**অসম বাৰ্তা, মাকুম, ২৫ জানুৱাৰী ঃ** দীৰ্ঘদিন ধৰি সমগ্ৰ মাকুম আৰু তিনিচুকীয়া অঞ্চলত সন্ত্ৰাস সৃষ্টি কৰি থকা তথা যোৱা ইংৰাজী ১৪ জানুৱাৰী তাৰিখে মাকুম বেতজান পথৰ গুপ্তা ষ্টোৰ নামৰ গেলামাল দোকান এখনৰ কেচ বক্সৰ পৰা দিনদুপৰতে প্ৰায় ৭০, ০০০ টকালৈ উধাও হোৱা গভাইট চোৰটো অৱশেষত আৰক্ষীৰ জালত পৰে। আজি তিনিচুকীয়া সদৰ আৰক্ষীৰ ৰাইডাৰ বাহিনী আৰু মাকুম আৰক্ষী থানাৰ আৰক্ষীৰ সহযোগত চলোৱা এক যৌথ অভিযানত চোৰটোক তিনিচুকীয়া ককৰাতলীস্থিত শহুৰেক ঘৰৰ পৰা আটক কৰিবলৈ সক্ষম হয়। ধৃত যুৱকজনৰ নাম তিনিচুকীয়া দহোতীয়া চুক অঞ্চলৰ টিংকু তাঁতী (৩১)। আটক কৰাৰ পাছতেই আৰক্ষীয়ে ধৃত যুৱকজনক মাকুম থানালৈ লৈ অনা হয়। ধৃত যুৱকজনৰ পৰা অধিক তথ্য সংগ্ৰহৰ উদ্দেশ্যে জেৰা কৰি তদন্ত প্ৰক্ৰিয়া সম্পূৰ্ণ কৰাৰ পাছত ভাৰতীয় ন্যায় সংহিতা আইনৰ অধীনত U/S 21(a)/29 NDPS Act আৰু 394/25, U/S 305(a)/137(2) BNS ধাৰাত গোচৰ ৰুজু কৰি ন্যায়িক জেললৈ প্ৰেৰণ কৰা হয়। উক্ত ঘটনাক কেন্দ্ৰ কৰি দীৰ্ঘদিন ধৰি আতংকত ভুগি থকা মাকুম আৰু তিনিচুকীয়া অঞ্চলবাসীৰ মাজত স্বস্তিৰ পৰিৱেশ সৃষ্টি হোৱাৰ লগতে গুপ্তা ষ্টোৰৰ গৰাকী সন্তোষ গুপ্তাই তিনিচুকীয়া আৰু মাকুম আৰক্ষীলৈ সংবাদ মাধ্যমৰ জৰিয়তে ধন্যবাদ জ্ঞাপন কৰে।

# কোকৰাঝাৰ ডিমলগাঁৱত কোচৰাজবংশী উন্নয়ন পৰিষদৰ চিলাৰায় ভৱন উদ্বোধন




**অসম বাৰ্তা, কোকৰাঝাৰ, ২৫ জানুৱাৰী ঃ** অসম চৰকাৰৰ অধীনস্থ কোচ-ৰাজবংশী উন্নয়ন পৰিষদৰ উন্নয়ন পূজিৰ দ্বাৰা কোচৰাজবংশী কালচাৰেল ছ'ছাইটিৰ ডিমলগাঁওস্থিত মুখ্য কাৰ্যালয় চৌহদত দুই কৌটি দহ লাখ টকা খৰচৰে নৱনিৰ্মীত "চিলাৰায় ভৱন"টো আজি আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হয়। উক্ত চিলাৰায় ভৱনটো উদ্বোধন কৰে কোচ-ৰাজবংশী উন্নয়ন পৰিষদৰ অধ্যক্ষ কুমাৰ প্ৰণৱ নাৰায়ণ দেৱে। আজিৰ অনুষ্ঠানত বিটিচি'ৰ কাৰ্যবাহী সদস্য দেৱহাচাং বসুমতাৰীয়ে উপস্থিত থাকি কোকৰাঝাৰত জনগোষ্ঠীটোৰ উন্নয়নৰ বাবে প্ৰশংসা কৰে। অনুষ্ঠানত আক্ৰাছুৰ কেন্দ্ৰীয় সভাপতি মনোজ কুমাৰ ৰায়, বিশিষ্ট সমাজকৰ্মী শেউলি মহিলাৰী, যুৱ সমাজকৰ্মী ৰূপম ৰায়, বিটিচি সন্মিলনীৰ সভাপতি লক্ষ্মীন্দ্ৰ ৰায়ৰ লগতে অসম-পশ্চিমবংগ-নেপাল আদিৰ পৰা অহা অতিথি সকল উপস্থিত থাকে।

২ ফেব্ৰুৱাৰীত শিৱসাগৰত প্ৰদান কৰা হ'ব বঁটা

# ৰহাৰ লেখিকা ড° ৰাজশ্ৰী বৰালৈ সাহিত্য সৌৰভ বঁটাৰ বাবে বাছনি

**অসম বাৰ্তা, ৰহা, ২৫ জানুৱাৰী ঃ** ৰহা ৰজাগাঁও নিবাসী ৰহা মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপিকা, লেখিকা, সাহিত্যিক ড° ৰাজশ্ৰী বৰা সাহিত্য সৌৰভ বঁটা ৰ বাবে বাছনি কৰা হৈছে। অসম চৰকাৰ সাংস্কৃতিক মন্ত্ৰনালয় অধীনত NEZCC দ্বাৰা দিহানাম গুৰু উপাধি প্ৰাপক অমিয়া নেওগ কলিতাৰ নেতৃত্বত ৰত্নগৰ্ভা তেজশ্বিনী ফাউণ্ডেশ্যনৰ উদ্যোগত, উত্তৰ-পূব ক্ষেত্ৰ সাংস্কৃতিক কেন্দ্ৰ (NEZCC)সাংস্কৃতিক মন্ত্ৰালয়ৰ, ভাৰত চৰকাৰৰ সহযোগত ২ ফেব্ৰুৱাৰীত শিৱসাগৰ জেৰেঙা পথাৰত ১৫,৫৫৫ গৰাকী নামতিৰ দ্বাৰা দিহানাম পৰিবেশনেৰে বিশ্ব অভিলেখ আৰু শ্ৰীশ্ৰী আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ ড° পিতাম্বৰ দেৱ গোস্বামী লৈ সত্ৰ প্ৰদীপ উপাধি প্ৰদান কৰা আৰু অসমীয়া সমাজ জীৱনত সামাজিক দায়বদ্ধতাৰে কাম কৰি জাতিটোৰ উত্তৰণত সহায় কৰা কেইবাজনো পুৰোধা ব্যক্তিক বঁটা প্ৰদান কৰা অনুষ্ঠানত পুষ্পাদেৱী জালান সাহিত্য বঁটা প্ৰাপক ড° ৰাজশ্ৰী বৰালৈ সাহিত্যৰ ওপৰত লাভ কৰা পাৰদৰ্শিতা বাবে সাহিত্য সৌৰভ বঁটা প্ৰদান কৰা হব। ইয়াৰ পূৰ্বেও সাহিত্যিক, লেখিকা ড° ৰাজশ্ৰী বৰাই আনন্দৰাম বৰুৱা সৰস্বতী সন্মান বঁটা, গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা পি এচ ডি ডিগ্ৰী, সুষমা স্বৰাজ বঁটা, সমাজ ৰত্ন বঁটা অপ্ৰমাদী কবি মাধৱ কন্দলি বটা সহ কেইবাটাও বঁটা লৈ ৰহালৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে।

# তিনিচুকীয়া জিলা সাহিত্য সভাৰ উদ্যোগত জনগোষ্ঠীয় সমাৰোহ



**ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ২৫ জানুৱাৰী ঃ** তিনিচুকীয়া জিলা সাহিত্য সভাৰ উদ্যোগত আৰু মাৰ্ঘেৰিটা মহাবিদ্যালয় গ্ৰন্থমেলা - ২০২৬ৰ সহযোগত আজি মাৰ্ঘেৰিটা মহাবিদ্যালয় গ্ৰন্থমেলা - ২০২৬ ৰ বাকৰিত জনগোষ্ঠীয় সমাৰোহ অনুষ্ঠিত হয়। পুৱা স্মৃতি তৰ্পণ কৰে তিনিচুকীয়া জিলা সাহিত্য সভাৰ প্ৰাক্তন উপসভাপতি অতুল চন্দ্ৰ শৰ্মাই আৰু বন্তি প্ৰজ্বলন কৰে অসম সাহিত্য সভাৰ তিনিচুকীয়া জিলা প্ৰতিনিধি মোহন মৰাণে। সাংস্কৃতিক সমাৰোহৰ মুকলি সভাখনত সভাপতিত্ব কৰে তিনিচুকীয়া জিলা সাহিত্য সভাৰ সভাপতি লম্বেশ্বৰ চেতিয়াই। জিলা সম্পাদক অৰূপ কুমাৰ চাংমাইয়ে আঁত ধৰা অনুষ্ঠানটোত আদৰণি ভাষণ প্ৰদান কৰে গ্ৰন্থমেলা আয়োজক সমিতিৰ সভাপতি লক্ষ্যধৰ সোণোৱালে। সাংস্কৃতিক সমাৰোহখনি শুভ উদ্বোধন কৰে মাৰ্ঘেৰিটা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অতনু কাকতিয়ে। সভাত বিশিষ্ট অতিথি হিচাবে উপস্থিত থাকে গুৱাহাটীৰ বিশিষ্ট সাহিত্যিক, সাংবাদিক মনোৰম গগৈ, বিশিষ্ট সাহিত্যিক মনালিছা শইকীয়া, অসম সাহিত্য সভাৰ প্ৰাক্তন প্ৰধান সম্পাদক যাদৱ শৰ্মা। সন্মানীয় অতিথি হিচাবে উপস্থিত থাকে চিংফৌ জনগোষ্ঠীৰ হৈ ৰাজীৱ নিংখি, টাংছা জনগোষ্ঠীৰ হৈ ৰাংঅং মচাং, গোৰ্খা জনগোষ্ঠীৰ হৈ ছল বাহাদুৰ ল'হ, হাজং জনগোষ্ঠীৰ হৈ ভুৱনেশ্বৰ হাজং, সাপেখাতী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বিজু মৰাণ, অসম সাহিত্য সভাৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক সুনীল গুৰুং, দীপক ভৰালী, কেন্দ্ৰীয় সমিতিৰ প্ৰচাৰ বিভাগৰ উপ উভাপতি পুলক কুমাৰ গগৈ, প্ৰাক্তন জিলা সম্পাদক দিগন্ত ভাজনীৰ লগতে বহু জনগোষ্ঠীৰ প্ৰতিনিধি। সভাত মাৰ্ঘেৰিটা মহাবিদ্যালয়ৰ অধ্যাপক ড° সঞ্চয় সেনৰ এখন গ্ৰন্থ উন্মোচন কৰে বিশিষ্ট অতিথি মনোৰম গগৈয়ে। ভাষণত মনোৰম গগৈয়ে অসমৰ থলুৱা জনগোষ্ঠীসমূহৰ ভাষা সংস্কৃতিক কিদৰে বিশ্বৰ বৃহৎ ভাষা সংস্কৃতিয়ে গ্ৰাহ কৰিছে এই বিষয়ে এটি তত্ত্বগধুৰ ভাষণৰ যোগেদি ব্যক্ত কৰে। সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰিবলৈ নিমন্ত্ৰণ কৰি অনা দল সমূহে নিজৰ নিজৰ জনগোষ্ঠীয় পৰম্পৰাগত অনুষ্ঠান পৰিবেশন কৰে। তাৰ ভিতৰত অন্যতম হৈছে টাই আহোম সাংস্কৃতিক দল, চিংফৌ সাংস্কৃতিক দল, টাই খাময়াং সাংস্কৃতিক দল, টাই ফাকে সাংস্কৃতিক দল, গোৰ্খা সাংস্কৃতিক দল, হাজং সাংস্কৃতিক দল, ভোজপুৰী সাংস্কৃতিক দল ইত্যাদি। জনগোষ্ঠীৰ হৈ প্ৰতিনিধিত্ব কৰা সমল ব্যক্তিসকলে ভাষা-সংস্কৃতি ৰক্ষাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ বক্তব্য দাঙি ধৰে। জনগোষ্ঠীসমূহক লগত লৈ কাম কৰি যাবলৈ অসম সাহিত্য সভাক আহ্বান জনায় জনগোষ্ঠীৰ প্ৰতিনিধিসকলে। তিনিচুকীয়া জিলা সাহিত্য সভাই জিলাখনৰ সকলো জনগোষ্ঠীক লগত লৈ কাম কৰি যাব বুলি সকলোকে জনায়। মনজিৎ ৰাজখুৱাই শলাগ জ্ঞাপন কৰা পিছতেই অসম সংগীতেৰে অনুষ্ঠান সামৰণি পৰে।

# দুলীয়াজানত 'নীলকণ্ঠ'ৰ উদ্যোগত অনুষ্ঠিত হ'ব প্ৰথম বাৰ্ষিক সদৌ অসম ভিত্তিত শিশু ভাওনা প্ৰতিযোগিতা

**অসম বাৰ্তা, দুলীয়াজান, ২৫ জানুৱাৰী ঃ** অসমৰ জাতীয় জীৱনৰ দাপোণস্বৰূপ ভাওনা সংস্কৃতিৰ চৰ্চা আৰু প্ৰসাৰৰ লক্ষ্যৰে দুলীয়াজানৰ অগ্ৰণী সাংস্কৃতিক অনুষ্ঠান "নীলকণ্ঠ"ই গ্ৰহণ কৰিছে এক বিশেষ পদক্ষেপ। নৱপ্ৰজন্মৰ মাজত সত্ৰীয়া সংস্কৃতিৰ ধাৰা বোৱাই নিয়াৰ মানসেৰে চলিত বৰ্ষতে দুলীয়াজানত অনুষ্ঠিত কৰা হ'ব "প্ৰথম বাৰ্ষিক সদৌ অসম ভিত্তিত শিশুভাওনা প্ৰতিযোগিতা"। এই মহৎ উদ্দেশ্য আগত ৰাখি যোৱা ইংৰাজী ২১ জানুৱাৰীত দুলীয়াজানৰ কমলাবাৰী নামঘৰত এখন ৰাজহুৱা সভা অনুষ্ঠিত হৈ যায়। অঞ্চলটোৰ বহুকেইগৰাকী বিশিষ্ট ব্যক্তি, সমাজকৰ্মী আৰু সংস্কৃতিপ্ৰেমী ৰাইজৰ উপস্থিতিত অনুষ্ঠিত হোৱা এই সভাত শিশুসকলৰ বাবে আয়োজন কৰিবলৈ লোৱা এই প্ৰতিযোগিতাৰ বিষয়ে বিশদ আলোচনা কৰা হয়। উপস্থিত সকলোৱে "নীলকণ্ঠ"ৰ এই প্ৰচেষ্টাক ভূয়সী প্ৰশংসা কৰাৰ লগতে পূৰ্ণ সহযোগিতাৰ আশ্বাস প্ৰদান কৰে। উক্ত সভাতে প্ৰতিযোগিতাখন সুচাৰুৰূপে আৰু শৃংখলাবদ্ধভাৱে পৰিচালনা কৰিবলৈ এখন শক্তিশালী উদ্‌যাপন সমিতি গঠন কৰা হয়। সভাই সৰ্বসন্মতিক্ৰমে বিশিষ্ট সমাজকৰ্মী ৰাতুল সোণোৱালক উদ্‌যাপন সমিতিৰ সভাপতি হিচাপে নিৰ্বাচন কৰে। সেইদৰে তৰুণ কোচ আৰু চন্দ্ৰ শইকীয়াক কাৰ্যকৰী সভাপতিৰ দায়িত্ব অৰ্পণ কৰা হয়। সমিতিৰ কাম-কাজ সুচাৰুৰূপে আগবঢ়াই নিবৰ বাবে দুগ্ধ বৰাক সম্পাদক আৰু ক্ষিৰুদ গগৈক কোষাধ্যক্ষ হিচাপে সভাই দায়িত্ব ভাৰ অৰ্পণ কৰে। নৱগঠিত সমিতিৰ বিষয়ববীয়াসকলে জানিবলৈ দিয়া মতে, অতি শীঘ্ৰেই প্ৰতিযোগিতাৰ দিন-বাৰ আৰু নিয়মাৱলী ৰাইজক অৱগত কৰা হ'ব। এই প্ৰতিযোগিতাই শিশুসকলক আমাৰ ঐতহ্যমণ্ডিত ভাওনা সংস্কৃতিৰ প্ৰতি আকৰ্ষিত কৰিব বুলি উদ্যোক্তাসকলে আশা প্ৰকাশ কৰিছে। অনুষ্ঠানটি সাফল্যমণ্ডিত কৰি তুলিবলৈ উদ্‌যাপন সমিতিয়ে দুলীয়াজানবাসীৰ লগতে সমগ্ৰ অসমৰ ৰাইজৰ দিহা-পৰামৰ্শ আৰু সহায়-সহযোগিতা কামনা কৰিছে।

# বিজনীত ৭৭ সংখ্যক গণৰাজ্য দিৱসৰ প্ৰস্তুতি সম্পূৰ্ণ

**অসমবাৰ্তা, বিজনী, ২৫ জানুৱাৰী ঃ** আজি দেশবাসী উদযাপন কৰিব ৭৭ সংখ্যক গণৰাজ্য দিৱস। সমগ্ৰ দেশৰ লগতে চিৰাং জিলাতো জিলা প্ৰশাসনৰ উদ্যোগত গণৰাজ্য দিৱসৰ প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে মহকুমা প্ৰশাসনে। বিজনী জিলা ক্ৰীড়া সন্থাৰ খেলপথাৰত অনুষ্ঠিত হব ৭৭ সংখ্যক গণৰাজ্য দিৱস। বিজনী মহকুমাৰ ১৩ খন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী লগতে অসম আৰক্ষী অংশগ্ৰহণ কৰিব কুচকাৱাজত। কুচকাৱাজৰ পিছতে অনুষ্ঠিত হব সাংস্কৃতিক অনুষ্ঠান। দিনজোৱা বিভিন্ন কাৰ্যসূচীৰে বিজনীত উদ্‌যাপন কৰা হ'ব ৭৭ সংখ্যক গণৰাজ্য দিৱস।

# গণতন্ত্ৰৰ ইতিহাস আৰু সমকালীন প্ৰেক্ষাপট

**ললিত নাথ**

গণতন্ত্ৰ হৈছে এনে এক শাসনব্যৱস্থা, য'ত সৰ্বোচ্চ ক্ষমতা জনসাধাৰণৰ হাতত ন্যস্ত হৈ থাকে। জনসাধাৰণে এই ক্ষমতা প্ৰত্যক্ষভাৱে বা নিৰ্বাচিত প্ৰতিনিধিসকলৰ জৰিয়তে প্ৰয়োগ কৰে। এই ব্যৱস্থা সমতা, স্বাধীনতা আৰু ন্যায়ৰ মৌলিক আদৰ্শৰ ওপৰত প্ৰতিষ্ঠিত। ইয়াৰ জৰিয়তে প্ৰতিগৰাকী নাগৰিকে নিজৰ মত প্ৰকাশ কৰাৰ স্বাধীনতা, সিদ্ধান্ত গ্ৰহণত অংশগ্ৰহণৰ অধিকাৰ আৰু মৌলিক অধিকাৰসমূহৰ সুৰক্ষা লাভ কৰে। গণতন্ত্ৰ কেৱল ৰাজনৈতিক ব্যৱস্থাৰ নাম নহয়- ই এক জীৱন-দৰ্শন।

'গণতন্ত্ৰ' শব্দটোৰ ইংৰাজী প্ৰতিশব্দ 'Democracy' শব্দটো গ্ৰীক ভাষাৰ 'Demokratia' শব্দৰ পৰা উদ্ভৱ হৈছে যিটো দুটা শব্দৰে গঠিত- 'Demos' অৰ্থাৎ মানুহ আৰু 'Kratia' অৰ্থাৎ শাসন। সেয়েহে গণতন্ত্ৰক 'জনসাধাৰণৰ শাসন'বুলি কোৱা হয়। খ্ৰীষ্টপূৰ্ব ৫ম শতিকাত এথেন্স আৰু অন্যান্য গ্ৰীক চহৰ-ৰাজ্যসমূহত বিদ্যমান ৰাজনৈতিক ব্যৱস্থাক বুজাবলৈ এই শব্দটো প্ৰথম ব্যৱহাৰ কৰা হৈছিল। ক্লিস্থেনিছক প্ৰাচীন এথেন্সৰ সংবিধান সংস্কাৰক তথা গণতন্ত্ৰৰ ভেটি স্থাপন কৰাৰ কৃতিত্ব দিয়া হয়। ইতিহাসবিদসকলে তেওঁক এথেন্সৰ গণতন্ত্ৰৰ পিতৃ বুলি অভিহিত কৰিছে। ক্লিস্থেনিছে ৰাজ্য ব্যৱস্থা চলাবলৈ বিভিন্ন জনজাতিৰ মাজৰ পৰা নেতা বাছনি কৰাৰ পৰম্পৰাগত প্ৰথাৰ অন্ত পেলাই মানুহৰ মাজত এক নতুন মিত্ৰতা সৃষ্টি কৰিছিল আৰু প্ৰতিটো মিত্ৰতাক 'ডেমো' বা 'পৰিষদ'ত বিভক্ত কৰিছিল। ৰাজ্যৰ সিদ্ধান্ত লোৱাৰ সময়ত প্ৰতিজন মুক্ত নাগৰিকক মহানগৰ-ৰাজ্যৰ শাসনত পোনপটীয়াকৈ অংশগ্ৰহণ কৰাৰ অধিকাৰ দিয়া হৈছিল। সাধাৰণতে এই অনুষ্ঠানটোক গণতন্ত্ৰৰ প্ৰথম প্ৰকাশ বুলি গণ্য কৰা হয়। তাৰ পিছত 'ডেমক্ৰেটিয়া'নাম দিয়া হয় যাৰ অৰ্থ হৈছে 'জনসাধাৰণৰ শাসন'।

ঐতিহাসিকভাৱে আধুনিক গণতন্ত্ৰৰ সূচনা গৌৰৱময় বিপ্লৱৰ পৰাই হোৱা বুলি ক'ব পাৰি। ১৬৮৮ চনত ইংলেণ্ডত আইনৰ শাসনৰ ওপৰত আধাৰিত এক সাংবিধানিক চৰকাৰ গঠন কৰা হয়, যিয়ে শাসনব্যৱস্থাত জনসাধাৰণৰ অধিকাৰক গুৰুত্ব প্ৰদান কৰে। ইয়াৰ পিছত ১৭৭৬ চনত আমেৰিকাৰ স্বাধীনতা যুদ্ধৰ সময়ত গৃহীত প্ৰস্তাৱত অত্যাচাৰী চৰকাৰৰ বিৰুদ্ধে মানুহৰ বিদ্ৰোহ কৰাৰ অধিকাৰ ঘোষণা কৰা হয়। পুনৰ ১৭৮৯ চনত সংঘটিত ফৰাচী বিপ্লৱে 'স্বাধীনতা, সমতা আৰু ভ্ৰাতৃত্ববোধ'ৰ আদৰ্শৰ জৰিয়তে গণতান্ত্ৰিক চিন্তাধাৰাক বিশ্বব্যাপী প্ৰসাৰিত কৰে। এই ঐতিহাসিক পটভূমিতেই আমেৰিকাৰ ৰাষ্ট্ৰপতি আব্ৰাহাম লিংকনে গণতন্ত্ৰক সংজ্ঞায়িত কৰি কৈছিল- "Democracy is the government of the people, by the people, for the people." অৰ্থাৎ গণতন্ত্ৰ হৈছে জনসাধাৰণৰ, জনসাধাৰণৰ দ্বাৰা আৰু জনসাধাৰণৰ বাবে চলা চৰকাৰ। গণতন্ত্ৰ হৈছে এনে এক শাসনব্যৱস্থা য'ত শাসকসকলক জনসাধাৰণেই নিৰ্বাচন কৰে। গণতন্ত্ৰত চূড়ান্ত সিদ্ধান্ত গ্ৰহণৰ ক্ষমতা জনসাধাৰণে নিৰ্বাচিত কৰা প্ৰতিনিধিসকলৰ ওপৰত থাকে। গণতন্ত্ৰ মুক্ত আৰু নিকা নিৰ্বাচনৰ ওপৰত ভিত্তি কৰি চলে য'ত বৰ্তমান ক্ষমতাত থকাসকলৰ পৰাজয়ৰ উচিত সম্ভাৱনা থাকে। গণতন্ত্ৰত প্ৰতিজন প্ৰাপ্তবয়স্ক নাগৰিকৰ এটাকৈ ভোট আৰু প্ৰতিটো ভোটৰ এটা মূল্য থাকিব লাগে। সাংবিধানিক আইন আৰু নাগৰিকৰ অধিকাৰৰ দ্বাৰা নিৰ্ধাৰিত সীমাৰ ভিতৰত গণতান্ত্ৰিক চৰকাৰে শাসন কৰে। গণতন্ত্ৰই ক্ষমতা বিভাজনৰ ধাৰণাৰে আইন-শৃংখলা বজাই ৰখাত সহায় কৰে। গণতন্ত্ৰই নাগৰিকক মুক্ত আৰু নিকা নিৰ্বাচনৰ দ্বাৰা চৰকাৰ চলাবলৈ নিজৰ নেতা বাছি লোৱাৰ ক্ষেত্ৰত সহায় কৰে। গণতন্ত্ৰই জাতি, ধৰ্ম আৰু লিংগৰ ভিত্তিত নাগৰিকৰ মাজত সমঅধিকাৰ প্ৰদান কৰে।

ভাৰত এখন সংসদীয় গণতান্ত্ৰিক ধৰ্মনিৰপেক্ষ গণৰাজ্য য'ত ভাৰতৰ ৰাষ্ট্ৰপতি প্ৰথম নাগৰিক আৰু ভাৰতৰ প্ৰধানমন্ত্ৰী চৰকাৰৰ মুৰব্বী। সাৰ্বভৌমত্ব, সমাজবাদ, ধৰ্মনিৰপেক্ষতা, গণতন্ত্ৰ, ন্যায়, স্বাধীনতা, সমতা, ভ্ৰাতৃত্ববোধ, মানৱ মৰ্যাদা আৰু জাতিৰ ঐক্য আৰু অখণ্ডতা হ'ল ভাৰতীয় গণতন্ত্ৰৰ অত্যাৱশ্যকীয় মূল্যবোধ।

ব্ৰিটিছ ৰাজশক্তিৰ স্বেচ্ছাচাৰী শাসন আৰু কতৃত্বৰ পৰা মুক্তিৰ তীব্ৰ আকাংক্ষাত জন্ম হৈছিল ভাৰতৰ স্বাধীনতা আন্দোলনৰ। ভাৰতৰ স্বাধীনতা যুদ্ধ আছিল এক ঐক্যবদ্ধতা, শক্তি, সংকল্প আৰু প্ৰেৰণাৰ মূৰ্ত প্ৰতীক। জাতিৰ পিতা মহাত্মা গান্ধীৰ নেতৃত্বত অহিংস পদ্ধতি আৰু সত্যাগ্ৰহৰ আদৰ্শেৰে অনুপ্ৰাণিত ভাৰতৰ কোটি কোটি জনসাধাৰণ ঐতিহাসিক অসহযোগ আন্দোলন, আইন অমান্য আন্দোলন, লোন-আইন ভংগ, ভাৰত ত্যাগ আন্দোলনেৰে বৃটিছৰ বিৰুদ্ধে জঁপিয়াই পৰিছিল। ফলস্বৰূপে দেশৰ পৰাধীনতাৰ গ্লানি দূৰ কৰিবলৈ নিজৰ জীৱন উৎসৰ্গা কৰিছিল অসংখ্য বিপ্লৱী বীৰে। লক্ষ লক্ষ মানুহৰ আত্মবলিদান আৰু বিপুল ক্ষয়ক্ষতিৰ অন্তত ১৯৪৭ চনৰ ১৫ আগষ্ট তাৰিখে দেশে স্বাধীনতা অৰ্জন কৰিছিল।

ভাৰতবৰ্ষক স্বাধীনতা প্ৰদান কৰাৰ পূৰ্বে ১৯৪৫ চনৰ জুলাই মাহত ইংলেণ্ডত শ্ৰমিক দল ক্ষমতালৈ আহিছিল। নৱনিৰ্বাচিত চৰকাৰখনে ভাৰতবৰ্ষক স্বাধীনতা দিয়াৰ সিদ্ধান্ত কৰি হ'বলগীয়া নতুন গণতান্ত্ৰিক ৰাষ্ট্ৰখনৰ বাবে ১৯৪৬ চনৰ মাৰ্চ মাহত 'কেবিনেট মিছন'ক ভাৰতবৰ্ষলৈ পঠায়। 'কেবিনেট মিছন' আছিল ইংলেণ্ডৰ তিনিজন কেবিনেট মন্ত্ৰীৰে গঠিত এটা গোট। এই কেবিনেট মিছনৰ তৎপৰতাত বিধানসভাৰ সদস্যসকলে ড° ৰাজেন্দ্ৰ প্ৰসাদক সংবিধান সভাৰ স্থায়ী সভাপতি নিৰ্বাচন কৰে। সংবিধান সভাই ১৯৪৭ চনৰ ২৯ আগষ্টত এখন খচৰা কমিটি (Drafting Committee) গঠন কৰি দিয়ে। আইনবিদ, অৰ্থনীতিবিদ, সমাজ সংস্কাৰক আৰু ৰাজনৈতিক নেতা তথা জৱাহৰলাল নেহৰুৰ প্ৰথম কেবিনেটৰ আইন মন্ত্ৰী ড° ভীমৰাও ৰামজী আম্বেদকাৰক অধ্যক্ষ হিচাপে লৈ এই খচৰা কমিটি গঠন কৰা হয়। ১৯৪৯ চনৰ ২৬ নৱেম্বৰ তাৰিখে খচৰা কমিটিয়ে সংবিধান প্ৰস্তুতিকৰণৰ কাম সম্পূৰ্ণ কৰে। ১৯৫০ চনৰ ২৬ জানুৱাৰী তাৰিখে সংবিধানখন বলবৎ হোৱাৰ লগে লগে ভাৰতে নিজকে সাৰ্বভৌম, গণতান্ত্ৰিক আৰু গণৰাজ্য ৰাষ্ট্ৰ হিচাপে ঘোষণা কৰে। ভাৰতৰ সংবিধানখন বিশ্বৰ ভিতৰতে আটাইতকৈ দীঘল সংবিধান হিচাপে গণ্য কৰা হয়। সংবিধানখনত চৰকাৰী প্ৰতিষ্ঠানসমূহৰ মৌলিক ৰাজনৈতিক সংহিতা, গাঁথনি, পদ্ধতি, ক্ষমতা আৰু কৰ্তব্যসমূহৰ সীমা নিৰ্ধাৰণ কৰাৰ উপৰিও মৌলিক অধিকাৰ, নিৰ্দেশনামূলক নীতি আৰু নাগৰিকৰ কৰ্তব্যসমূহ সন্নিৱিষ্ট কৰা হৈছে।

ভাৰতীয় গণতন্ত্ৰৰ বৈশিষ্ট্যসমূহ হ'ল- নিৰ্বাচিত প্ৰতিনিধি, স্বতন্ত্ৰ ন্যায়পালিকা, নাগৰিকৰ স্বাধীনতা, সংগঠিত বিৰোধী দল আৰু আইনৰ শাসন। ৰাইজে নেতা হিচাপে কাম কৰিবলৈ তেওঁলোকৰ প্ৰতিনিধি বাছনি কৰে। ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনাত জনসাধাৰণে ভাৰতবৰ্ষক এখন সাৰ্বভৌম, সমাজবাদী, ধৰ্মনিৰপেক্ষ, গণতান্ত্ৰিক, গণৰাজ্য ৰূপে গঠন কৰিবলৈ আৰু ইয়াৰ সকলো জনসাধাৰণৰ বাবে সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক ন্যায়, চিন্তা, মতপ্ৰকাশ, বিশ্বাস, আস্থা আৰু উপাসনাৰ স্বাধীনতা, মৰ্যাদা আৰু সুযোগৰ সমতা নিশ্চিত কৰিবলৈ সংকল্পৰ কথা দোহাৰিছে।

কিন্তু সাম্প্ৰতিক প্ৰেক্ষাপটত বহু দেশত গণতান্ত্ৰিক শাসন ব্যৱস্থা প্ৰচলিত থকাৰ পিছতো সমাজ জীৱনত বিভিন্ন সমস্যাই দেখা দিছে। গণতান্ত্ৰিক কাঠামোৰ মাজতেই কেতিয়াবা শোষণ, বঞ্চনা, প্ৰতাৰণা, হত্যা, লুণ্ঠন আৰু নাৰী নিৰ্যাতনৰ দৰে ঘটনাসমূহ সংঘটিত হোৱা দেখা যায়, যিয়ে সামাজিক পৰিৱেশক অশান্ত আৰু বিবৰ্ণ কৰি তুলিছে। এইবোৰ ঘটনাৰ প্ৰতিক্ৰিয়াস্বৰূপে সমাজত ক্ষোভ আৰু প্ৰতিবাদৰ ধাৰাও শক্তিশালী ৰূপে প্ৰকাশ পাইছে। ইয়াৰ লগতে অৰ্থনৈতিক ক্ষেত্ৰত শ্ৰেণী বৈষম্য অধিক স্পষ্ট হৈ উঠিছে। এইক্ষেত্ৰত মহামানৱ মহাত্মা গান্ধীৰ এটি উক্তি প্ৰনিধানযোগ্য— "My notion of democracy is that under it, the weakest shall have the same opportunities as the strongest."

গণতন্ত্ৰৰ অধীনত দুৰ্বলসকলেও শক্তিশালীসকলৰ দৰেই সমান সুযোগ লাভ কৰিব লাগে বুলি জাতিৰ পিতাগৰাকীয়ে মত প্ৰকাশ কৰিছিল। কিন্তু গণতন্ত্ৰৰ বিষয়ে কৰা এই উক্তি বাস্তৱ ক্ষেত্ৰত আজি কিমানদূৰ সফল হৈছে, সেয়া এক গভীৰ চিন্তনীয় বিষয়। কাৰণ গণতন্ত্ৰৰ পৰিপন্থী বহু কাৰ্যকলাপ আজিও সমাজত সংঘটিত হৈ আছে।

এই গণতান্ত্ৰিক ব্যৰ্থতাৰ এক গুৰুত্বপূৰ্ণ প্ৰতিফলন দেখা যায় নাৰী সমাজৰ ক্ষেত্ৰত। নাৰী সবলীকৰণৰ উদ্দেশ্যে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰা হলেও সমাজ জীৱনত নাৰীসকলৰ সৈতে জড়িত বঞ্চনা আৰু নিৰ্যাতনৰ সমস্যা এতিয়াও সম্পূৰ্ণৰূপে দূৰ হোৱা বুলি ক'ব নোৱাৰি। সংবাদ মাধ্যমত নাৰীৰ ওপৰত সংঘটিত হিংসাত্মক ঘটনাসমূহৰ প্ৰতিবেদন সঘনে প্ৰকাশ পাইছে। প্ৰকৃত অৰ্থত গণতান্ত্ৰিক মূল্যবোধ সুদৃঢ় হ'বলৈ হ'লে শোষণ-নিপীড়ন হ্ৰাস আৰু সামাজিক বৈষম্য দূৰীকৰণ অত্যাৱশ্যক। বিভিন্ন গৱেষণাৰ পৰা স্পষ্ট হৈছে যে শিক্ষা গণতন্ত্ৰৰ মজবুত ভেটি গঢ়াৰ এক অন্যতম মুখ্য উপাদান। শিক্ষাই ৰাজনৈতিক সহনশীলতা বৃদ্ধি কৰে, নাগৰিক অংশগ্ৰহণক অৰ্থপূৰ্ণ ৰূপ প্ৰদান কৰে আৰু সামাজিক বৈষম্য হ্ৰাস কৰাত সহায় কৰে। শিক্ষাৰ মাধ্যমেৰে সচেতন, চিন্তাশীল আৰু দায়িত্বশীল নাগৰিক গঢ়ি উঠে, যিসকলে ভোটাৰ হিচাপে সজাগ ভূমিকা পালন কৰি গণতান্ত্ৰিক ব্যৱস্থাক অধিক শক্তিশালী কৰি তোলে। সেয়েহে প্ৰাথমিক পৰ্যায়ৰ শিক্ষানুষ্ঠানসমূহৰ জৰিয়তে গণতান্ত্ৰিক মূল্যবোধৰ বীজ ৰোপণ কৰাটো এখন সুসংগঠিত, ন্যায়সংগত আৰু স্থিতিশীল গণতান্ত্ৰিক সমাজ নিৰ্মাণৰ বাবে এক অনিবাৰ্য চৰ্ত বুলি ক'ব পাৰি।

*ঠিকনা ঃ কেৰাণীপাম*
*শোণিতপুৰ, অসম*

# দেশৰ ৭৭ সংখ্যক গণৰাজ্য দিৱস

## ইতিহাস, তাৎপৰ্য আৰু প্ৰাসংগিকতা

**অজিত বৰুৱা**

২০২৬ চনৰ ২৬ জানুৱাৰীত ভাৰতে সাৰ্বভৌম গণৰাজ্য হিচাপে ৭৭ সংখ্যক গণতন্ত্ৰ দিৱস উদ্‌যাপন কৰিব। ভাৰতবৰ্ষক আনুষ্ঠানিকভাৱে গণৰাজ্য হিচাপে প্ৰতিষ্ঠা কৰি ১৯৫০ চনত ভাৰতীয় সংবিধান কাৰ্যকৰী হোৱা দিনটোক গণৰাজ্য দিৱসৰ স্মৃতিত কৰা হয়। ১৯৩০ চনত ভাৰতীয় জাতীয় কংগ্ৰেছে পূৰ্ণ স্বৰাজ (সম্পূৰ্ণ স্বাধীনতা) ঘোষণা কৰাৰ সন্মান স্বৰূপে এই তাৰিখটোকে গণৰাজ্য দিৱসৰ বাবে বাছি লোৱা হৈছিল। ১৯৪৭ চনত ভাৰতে স্বাধীনতা লাভ কৰাৰ বিপৰীতে ১৯৫০ চনত সংবিধান গ্ৰহণৰ ফলতেই সম্পূৰ্ণ স্বাধীন জাতি হিচাপে ভাৰতৰ স্থিতি সুদৃঢ় ৰূপত গঢ় লৈ উঠিছিল।

১৯৫০ চনত সমগ্ৰ ভাৰতবৰ্ষজুৰি প্ৰথম গণৰাজ্য দিৱস উদ্‌যাপন হৈছিল, য'ত এক অনুষ্ঠানত ভাৰতৰ প্ৰথম ৰাষ্ট্ৰপতি ড° ৰাজেন্দ্ৰ প্ৰসাদে ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰিছিল। সময়ৰ লগে লগে এই উদযাপন এক নান্দনিক দৃশ্যলৈ পৰিণত হৈছে, আটাইতকৈ চিনাকি অনুষ্ঠানটো হৈছে নতুন দিল্লীৰ ৰাজপথত বাৰ্ষিক গণৰাজ্য দিৱসৰ পেৰেড। এই পেৰেডত দেশৰ সাংস্কৃতিক বৈচিত্ৰ্য, সামৰিক শক্তি, আৰু বিজ্ঞান আৰু প্ৰযুক্তিৰ উন্নতি বিষয়ে প্ৰদৰ্শন কৰা হয়, যিসমূহক ভাৰতৰ বৈচিত্ৰ্যৰ মাজত ঐক্যৰ প্ৰতীক বুলি কোৱা হয়। এই পেৰেডত জাতীয় গৌৰৱ আৰু দেশপ্ৰেমৰ মুহূৰ্ত, বিভিন্ন ৰাজ্য আৰু অঞ্চলৰ অনুষ্ঠানৰ লগতে ভাৰতৰ সামৰিক সামৰ্থ্য প্ৰদৰ্শন কৰা হ'ব।

ভাৰতে ৭৭ সংখ্যক গণৰাজ্য দিৱস উদযাপন কৰাৰ সময়ত দেশখনে নিজৰ সাফল্য আৰু অগ্ৰগতিৰ ওপৰত আলোকপাত কৰে। গণৰাজ্য হোৱাৰ পাছৰে পৰা ভাৰতে প্ৰযুক্তি, মহাকাশ অন্বেষণ, স্বাস্থ্যসেৱা, শিক্ষাৰ দৰে খণ্ডত উল্লেখযোগ্য অগ্ৰগতি লাভ কৰি বিশ্বৰ অন্যতম বৃহৎ আৰু দ্ৰুতগতিত বৃদ্ধি পোৱা অৰ্থনীতি হিচাপে আত্মপ্ৰকাশ কৰিছে। এয়া আমাৰ দেশৰ লগতে সমগ্ৰ দেশবাসীৰ বাবে এক ইতিবাচক খবৰ বুলি ক'ব পাৰি। প্ৰত্যাহ্বানৰ মাজতো ভাৰতে দৰিদ্ৰতা, লিংগ বৈষম্য আৰু পৰিৱেশৰ সমস্যাসমূহ মোকাবিলা কৰাৰ ক্ষেত্ৰত অগ্ৰগতি অব্যাহত ৰাখিবলৈ সক্ষম হৈছে। দেশৰ গণতান্ত্ৰিক প্ৰতিষ্ঠানসমূহ শক্তিশালী হৈয়েই আছে আৰু ভাৰতে শান্তি, মানৱ অধিকাৰ, জলবায়ু কাৰ্য্যক প্ৰসাৰিত কৰাৰ প্ৰচেষ্টাৰ বাবে বিশ্বজুৰি স্বীকৃতি লাভ কৰিছে। এয়াও আজিৰ এই মুহূৰ্ত্তত দেশবাসীৰ ইতিবাচক খবৰ বুলি ক'ব পাৰি।

বিশ্বজনীন প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলৈ সাজু বুলি ক'ব পাৰি ভাৰতৰ যুৱ আৰু গতিশীল জনসংখ্যা। ৰাষ্ট্ৰৰ বৃদ্ধি আৰু বিকাশ অব্যাহত থকাৰ লগে লগে গণৰাজ্য দিৱসে ভাৰতীয় সংবিধানত সন্নিৱিষ্ট মূল্যবোধৰ সোঁৱৰণী হিচাপে কাম কৰে— ন্যায়, স্বাধীনতা, সমতা আৰু ভ্ৰাতৃত্ববোধ। ৭৭ সংখ্যক গণৰাজ্য দিৱস ভাৰতৰ চহকী ইতিহাসৰ উদ্‌যাপনৰ বাবেই নহয়, ভাৰতৰ সকলো নাগৰিকৰ বাবে এক সমৃদ্ধিশালী আৰু সৰ্বাংগীণ ভৱিষ্যতৰ প্ৰতি সমৰ্পিত হোৱাৰ এক মুহূৰ্ত।

'150 Years of Vande Mataram' এয়া হৈছে ৭৭ সংখ্যক গণৰাজ্য দিৱসৰ থিম। অৰ্থাৎ দেশবাসীক "বন্দে মাতৰম" সৃষ্টিৰ আঁৰৰ কথাবোৰ জনোৱাৰ লগতে দেশৰ সোণালী অতীতক লৈ যাতে আমাৰ ঐতিহ্য চেতনা বৃদ্ধি পায় আৰু আমি আমাৰ পূৰ্বজ সকলৰ মহান ত্যাগক মূল্য দিবলৈ শিকো, সেই বাৰ্তা দেশৰ জনসাধাৰণলৈ প্ৰেৰণ কৰা।

# গণতন্ত্ৰত নাগৰিকৰ কৰ্তব্য আৰু সচেতনতা

**জীৱনজ্যোতি গগৈ**

গণতন্ত্ৰ হৈছে এনে এক শাসন ব্যৱস্থা য'ত ৰাষ্ট্ৰৰ প্ৰধান শক্তি জনগণৰ হাততেই নিহিত থাকে। জনগণেই ৰাষ্ট্ৰৰ মালিক, জনগণৰ দ্বাৰাই শাসন আৰু জনগণৰ কল্যাণৰ বাবেই শাসন- এই তিনিটা মূল নীতিতেই গণতন্ত্ৰ স্থাপিত। ভাৰত বিশ্বৰ সৰ্ববৃহৎ গণতান্ত্ৰিক ৰাষ্ট্ৰ হিচাপে পৰিচিত। এনে এখন ৰাষ্ট্ৰ সফলভাৱে চলিবলৈ হ'লে কেৱল চৰকাৰ বা শাসকেই নহয়, সচেতন, দায়িত্বশীল আৰু কৰ্তব্যনিষ্ঠ নাগৰিকৰো অতি গুৰুত্বপূৰ্ণ ভূমিকা থাকে। নাগৰিকৰ কৰ্তব্য আৰু সচেতনতা অবিহনে গণতন্ত্ৰ কেতিয়াও শক্তিশালী হ'ব নোৱাৰে।

গণতন্ত্ৰত নাগৰিকৰ প্ৰথম আৰু মুখ্য কৰ্তব্য হৈছে সংবিধানক মানি চলা। ভাৰতীয় সংবিধান হৈছে গণতন্ত্ৰৰ মূৰতাজ। ইয়াত নাগৰিকৰ অধিকাৰ, কৰ্তব্য, স্বাধীনতা আৰু সীমাবদ্ধতা সকলো স্পষ্টভাৱে উল্লেখ আছে। সংবিধানৰ বিধানসমূহক শ্ৰদ্ধা কৰা মানেই গণতন্ত্ৰক শ্ৰদ্ধা কৰা। নাগৰিকে সংবিধানবিৰোধী কাৰ্যকলাপৰ পৰা বিৰত থাকি, আইনৰ শাসন মানি চলাটো অত্যন্ত প্ৰয়োজনীয়। আইনৰ ওপৰত বিশ্বাস আৰু আইনৰ আগত সকলো সমান-এই ধাৰণাক হৃদয়েৰে গ্ৰহণ কৰাই গণতান্ত্ৰিক সচেতনতাৰ প্ৰথম চিন।

ভোটদান হৈছে গণতন্ত্ৰত নাগৰিকৰ এক অমূল্য অধিকাৰ, লগতে এক গুৰুত্বপূৰ্ণ কৰ্তব্য। ভোটদানৰ জৰিয়তে নাগৰিকে নিজৰ মত প্ৰকাশ কৰে আৰু দেশৰ শাসন ব্যৱস্থাত প্ৰত্যক্ষভাৱে অংশগ্ৰহণ কৰে। কিন্তু কেৱল ভোট দিয়েই নাগৰিকৰ দায়িত্ব শেষ নহয়। কোন যোগ্য, কোন সৎ, কোনে দেশৰ কল্যাণৰ কথা ভাবে- এইবোৰ বিষয় বুজি-বিচাৰি সচেতনভাৱে ভোটদান কৰাটোৱেই প্ৰকৃত নাগৰিক সচেতনতা। অজ্ঞতা, লোভ, ভয় বা ভ্ৰান্ত প্ৰচাৰৰ প্ৰভাৱত ভোট দিলে গণতন্ত্ৰ দুৰ্বল হয়।

গণতন্ত্ৰত নাগৰিকৰ আন এক গুৰুত্বপূৰ্ণ কৰ্তব্য হৈছে সামাজিক সদ্ভাৱ আৰু ৰাষ্ট্ৰীয় একতা অটুট ৰখা। ভাৰত বিভিন্ন সংস্কৃতি, ভাষা, ধৰ্ম আৰু জাতিৰ দেশ। এনে এখন দেশত সহিষ্ণুতা, পাৰস্পৰিক সন্মান আৰু ভাতৃত্ববোধ অতি প্ৰয়োজনীয়। জাতি, ধৰ্ম, ভাষা বা অঞ্চলৰ নামত বিভাজন সৃষ্টি কৰা শক্তিৰ বিৰুদ্ধে সচেতন হৈ থিয় দিয়াটো প্ৰতিগৰাকী নাগৰিকৰ নৈতিক কৰ্তব্য। সামাজিক সম্প্ৰীতি বজাই ৰাখিলেহে গণতন্ত্ৰ সুস্থভাৱে আগবাঢ়ি যাব পাৰে।

সচেতন নাগৰিক মানেই কেৱল নিজৰ অধিকাৰৰ কথা জনা নহয়, আনৰ অধিকাৰকো সন্মান কৰা। গণতন্ত্ৰত সকলো নাগৰিক সমান অধিকাৰৰ অধিকাৰী। কোনো ব্যক্তিৰ স্বাধীনতা আনৰ স্বাধীনতাক আঘাত নকৰালৈকে স্বীকৃত। এই সীমাৰ কথা বুজি নিজৰ আচৰণ সংযত ৰখাটো নাগৰিক সচেতনতাৰ পৰিচায়ক। সামাজিক মাধ্যম বা দৈনন্দিন জীৱনত ঘৃণামূলক ভাষা, ভুৱা বাতৰি বা অপপ্ৰচাৰ চলাই সমাজত বিভ্ৰান্তি সৃষ্টি কৰাটো গণতন্ত্ৰৰ বাবে বিপজ্জনক।

গণতন্ত্ৰ সফল হ'বলৈ হ'লে নাগৰিকে চৰকাৰক প্ৰশ্ন কৰিবলৈও সাহসী হ'ব লাগিব। সচেতন নাগৰিকেই চৰকাৰৰ কাম-কাজ পৰ্যবেক্ষণ কৰে, ভুল দেখিলে যুক্তিসংগতভাৱে প্ৰতিবাদ কৰে আৰু ভাল কামক সমৰ্থন জনায়। কিন্তু এই প্ৰতিবাদ সদায় শান্তিপূৰ্ণ, আইনসম্মত আৰু দায়িত্বশীল হ'ব লাগিব। হিংসা, বিশৃঙ্খলা বা ৰাষ্ট্ৰবিৰোধী কাৰ্যকলাপ গণতান্ত্ৰিক প্ৰতিবাদ কেতিয়াও হ'ব নোৱাৰে।

শিক্ষাই নাগৰিক সচেতনতা গঢ়ি তোলাত মুখ্য ভূমিকা লয়। শিক্ষিত নাগৰিকেই নিজৰ অধিকাৰ-কৰ্তব্য ভালদৰে বুজে আৰু সমাজৰ প্ৰতি দায়িত্বশীল হয়। সেয়ে শিক্ষাৰ প্ৰসাৰ, নৈতিক শিক্ষা আৰু গণতান্ত্ৰিক মূল্যবোধৰ চৰ্চা সমাজত অত্যন্ত প্ৰয়োজনীয়। বিশেষকৈ যুৱসমাজক সঠিক দিশে আগুৱাই নিয়াটো ৰাষ্ট্ৰৰ ভৱিষ্যতৰ বাবে অতি জৰুৰী।

দুৰ্নীতিৰ বিৰুদ্ধে সচেতনতা আৰু সততা ৰক্ষা কৰাটোও নাগৰিকৰ এক মহান কৰ্তব্য। দুৰ্নীতিয়ে গণতন্ত্ৰৰ শিপা কঁপাই দিয়ে। লোভ, অনৈতিকতা আৰু স্বাৰ্থপৰতাই শাসন ব্যৱস্থাক বিকৃত কৰে। এজন সৎ নাগৰিকে নিজে দুৰ্নীতিত লিপ্ত নোহোৱা, লগতে দুৰ্নীতিৰ বিৰুদ্ধে মাত উঠোৱা উচিত। সৰু সৰু অনৈতিক কাৰ্যকো সাধাৰণ বুলি এৰি দিলে গণতন্ত্ৰ ক্ৰমে দুৰ্বল হৈ পৰে।

পৰিৱেশ সংৰক্ষণ, ৰাজহুৱা সম্পত্তিৰ সুৰক্ষা আৰু সামাজিক দায়িত্ব পালন কৰাও নাগৰিকৰ কৰ্তব্যৰ অংশ। ৰাস্তাঘাট, বিদ্যালয়, চিকিৎসালয়, বন-জংঘল- এই সকলোবোৰ ৰাষ্ট্ৰৰ সম্পদ। ইয়াক নষ্ট নকৰি সংৰক্ষণ কৰাটো মানেই ভৱিষ্যৎ প্ৰজন্মৰ প্ৰতি দায়িত্ব পালন কৰা। সচেতন নাগৰিকে সদায় ব্যক্তিগত স্বাৰ্থতকৈ সামাজিক কল্যাণক অগ্ৰাধিকাৰ দিয়ে।

সাৰাংশত ক'বলৈ গ'লে, গণতন্ত্ৰ কেৱল এক শাসন ব্যৱস্থা নহয়, ই এক জীৱনদৰ্শন। ইয়াক জীয়াই ৰাখিবলৈ হ'লে প্ৰতিগৰাকী নাগৰিকে নিজৰ কৰ্তব্য সজাগভাৱে পালন কৰিব লাগিব। অধিকাৰ আৰু কৰ্তব্যৰ মাজত সঠিক সামঞ্জস্য ৰখাটোৱেই সচেতন নাগৰিকৰ পৰিচয়। সচেতন, শিক্ষিত আৰু দায়িত্বশীল নাগৰিকেই এখন শক্তিশালী, সুস্থ আৰু স্থায়ী গণতন্ত্ৰৰ মূল ভেটি। নাগৰিক সচেতনতা যিমানেই বঢ়ে, গণতন্ত্ৰ সিমানেই সুদৃঢ় হয়- এই সত্য উপলব্ধি কৰাই আমাৰ সৰ্বশ্ৰেষ্ঠ কৰ্তব্য। গণতন্ত্ৰত নাগৰিক সচেতনতা কেৱল ৰাজনৈতিক ক্ষেত্ৰতেই সীমাবদ্ধ নহয়, ই দৈনন্দিন জীৱনৰ প্ৰতিটো আচৰণৰ সৈতে জড়িত। ৰাস্তাত নিয়ম মানি চলা, শাৰীত থিয় হোৱা, কৰ্তব্যৰত কৰ্মচাৰীক সন্মান কৰা, দুৰ্বল আৰু অসহায় লোকক সহায় কৰা- এই সকলোবোৰেই নাগৰিক সচেতনতাৰ প্ৰকাশ। সৰু সৰু এই আচৰণসমূহে সমাজত শৃঙ্খলা আনে আৰু গণতান্ত্ৰিক মূল্যবোধ শক্তিশালী কৰে। গণতন্ত্ৰ মানে কেৱল ভোট বা চৰকাৰ পৰিৱৰ্তন নহয়, ই শৃঙ্খলাবদ্ধ সামাজিক জীৱনৰো প্ৰতীক।

বৰ্তমান যুগত গণমাধ্যম আৰু সামাজিক মাধ্যম নাগৰিক সচেতনতা গঢ়াত এক গুৰুত্বপূৰ্ণ শক্তি হিচাপে দেখা দিছে। কিন্তু ইয়াৰ সৈতে দায়িত্বও সমানভাৱে জড়িত। ভুৱা বাতৰি, আধা সত্য বা ইচ্ছাকৃত অপপ্ৰচাৰে সমাজত ভয়, ঘৃণা আৰু বিভ্ৰান্তি সৃষ্টি কৰে। এজন সচেতন নাগৰিকে যিকোনো তথ্য বিশ্বাস কৰাৰ আগতে তাৰ সত্যতা যাচাই কৰে। অন্ধভাৱে শ্বেয়াৰ কৰা প্ৰতিটো ভুল তথ্যেই গণতন্ত্ৰৰ বাবে ক্ষতিকাৰক হ'ব পাৰে। সেয়েহে ডিজিটেল যুগত তথ্য সচেতনতা নাগৰিক কৰ্তব্যৰ এক নতুন ৰূপ হৈ উঠিছে।

গণতন্ত্ৰত নাৰী, সংখ্যালঘু আৰু দুৰ্বল শ্ৰেণীৰ অধিকাৰ সুৰক্ষিত কৰাটোও নাগৰিক সচেতনতাৰ অংশ। সমাজত যেতিয়া কোনো শ্ৰেণী বঞ্চিত বা অৱহেলিত হয়, তেতিয়া সমগ্ৰ গণতান্ত্ৰিক ব্যৱস্থা প্ৰশ্নৰ মুখামুখি হয়। এজন সচেতন নাগৰিকে সদায় ন্যায় আৰু সমতাৰ পক্ষ লয়। লিংগ বৈষম্য, জাতিগত বৈষম্য বা সামাজিক অন্যায়ৰ বিৰুদ্ধে অৱস্থান গ্ৰহণ কৰাটোৱেই গণতান্ত্ৰিক মানসিকতাৰ পৰিচয়।

যুৱসমাজ গণতন্ত্ৰৰ প্ৰাণশক্তি। আজিৰ যুৱক-যুৱতীয়েই কাইলৈৰ নেতৃত্ব। সেয়েহে যুৱসমাজৰ মাজত গণতান্ত্ৰিক সচেতনতা জাগ্ৰত কৰাটো অতি প্ৰয়োজনীয়। কেৱল প্ৰতিযোগিতা, কৰ্মসংস্থাপন বা ব্যক্তিগত সাফল্যতেই সীমাবদ্ধ নথাকি সমাজ আৰু ৰাষ্ট্ৰৰ প্ৰতি দায়িত্ববোধ গঢ়ি তোলাটো যুৱসমাজৰ মূল কৰ্তব্য। শিক্ষাপ্ৰতিষ্ঠানসমূহে গণতান্ত্ৰিক আলোচনা, বিতৰ্ক আৰু সচেতনতা কাৰ্যসূচীৰ জৰিয়তে এই মানসিকতা বিকশিত কৰিব পাৰে।

গণতন্ত্ৰত নাগৰিক আৰু চৰকাৰৰ মাজত সম্পৰ্ক বিশ্বাসৰ ওপৰত নিৰ্ভৰশীল। নাগৰিকে চৰকাৰক দোষাৰোপ কৰাৰ লগতে নিজেও আত্মসমালোচনা কৰিব জানিব লাগিব। আমি নিজে কৰ্তব্য পালন নকৰাকৈ কেৱল অধিকাৰৰ দাবী কৰিলে গণতন্ত্ৰ একপক্ষীয় হৈ পৰে। কৰ্তব্য পালনৰ মাজেৰেই অধিকাৰ অৰ্থৱন্ত হয়- এই বোধ জাগ্ৰত হোৱাটোৱেই প্ৰকৃত সচেতনতা।

আন্তৰিক শৃঙ্খলা আৰু নৈতিকতা গণতন্ত্ৰৰ অদৃশ্য ভিত্তি। আইনৰ ভয়ত নহয়, বিবেকৰ ডৰতেই নাগৰিকে সৎ হৈ থাকিলে সমাজ সুস্থ হয়। আইন সকলো ঠাইতে উপস্থিত থাকিব নোৱাৰে, কিন্তু সচেতন নাগৰিকৰ বিবেকেই গণতন্ত্ৰক সুৰক্ষা দিয়ে। এই বিবেকবোধ জাগ্ৰত থাকিলেই গণতন্ত্ৰ কেৱল কাগজত নহয়, বাস্তৱ জীৱনতেও জীয়াই থাকে।

গণতন্ত্ৰ এখন জীয়া ব্যৱস্থা, যাৰ শক্তি নাগৰিকৰ সচেতনতা আৰু কৰ্তব্যনিষ্ঠাত নিহিত। নাগৰিক যদি উদাসীন হয়, তেন্তে গণতন্ত্ৰ ক্ৰমে অৰ্থহীন হৈ পৰে। কিন্তু নাগৰিক যদি সচেতন, সৎ আৰু দায়িত্বশীল হয়, তেন্তে কোনো শক্তিয়েই গণতন্ত্ৰক দুৰ্বল কৰিব নোৱাৰে। সেয়ে প্ৰতিগৰাকী নাগৰিকে নিজৰ স্থানৰ পৰা সজাগ হৈ কৰ্তব্য পালন কৰাই হৈছে এখন শক্তিশালী, ন্যায়সংগত আৰু উন্নত গণতন্ত্ৰ গঢ়াৰ একমাত্ৰ পথ।

*লেখকৰ ঠিকনা ঃ গোলাঘাট*

# গণতান্ত্ৰিক দেশত আজি আমি কিমান সুৰক্ষিত ?

**খগেশ্বৰ দাস**

গণতন্ত্ৰৰ ইংৰাজী প্ৰতিশব্দ হৈছে "Democracy"। বা গণতন্ত্ৰ হৈছে দেশ এখনৰ এনে এক শাসন ব্যৱস্থা, য'ত নেকি চৰকাৰী পক্ষ বা শাসনৰ ক্ষমতা আদি জনগণ ৰাইজৰ হাতত থাকে। কিন্তু নিৰ্বাচনী প্ৰক্ৰিয়াৰ জৰিয়তে ভোটাৰে নিজৰজন প্ৰতিনিধি বাছনি কৰি নাগৰিকৰ মৌলিক অধিকাৰ, স্বাধীনতাৰ লগতে আইনৰ শাসন ব্যৱস্থা সু-নিশ্চিত কৰে। যি নেকি নাগৰিকৰ নিৰ্দিষ্ট নীতি নিৰ্ধাৰণেৰে নিজস্ব প্ৰতিনিধিক নিৰ্বাচনত জয়ী, সম অধিকাৰৰ লগতে সম বিকাশ, জনকল্যাণমুখী ব্যৱস্থাসমূহ গ্ৰহণ কৰা আদি।

গণতন্ত্ৰৰ মূল বৈশিষ্ট্যই হৈছে জনসাধাৰণৰ শাসন। য'ত নিজ পছন্দ অনুসৰি নাগৰিকে নিজস্ব প্ৰতিনিধি বাছনি কৰিব পাৰে। ইয়াৰ সমান্তৰালকৈ গণতন্ত্ৰৰ বহু কেইটা বৈশিষ্ট্য থকা দেখা যায়। যেনে - সকলো নাগৰিক আইনৰ দৃষ্টিত সমান ও ভোটদানৰ ক্ষেত্ৰত সমান অধিকাৰ লাভ কৰিব পাৰে। একেদৰে, মৌলিক অধিকাৰ গ্ৰহণেৰে বাক্ স্বাধীনতাৰ লগতে এনে বহু মৌলিক অধিকাৰ সুৰক্ষিত হৈ থকা দেখা যায়। আইনৰ শাসন ব্যৱস্থা গ্ৰহণেৰে আইনৰ প্ৰাধান্যতা য'ত কোনো ব্যক্তি, গোষ্ঠী অথবা আইনৰ ঊৰ্ধত নহয় কোনো। বহুত্ববাদৰ জৰিয়তে ভিন্ন মতাদৰ্শ, মতামত, বিশ্বাস, আৰু দলীয় সহাৱস্থান আদি স্বীকৃতি প্ৰদান কৰ চৰকাৰে জনসাধাৰণৰ জনকল্যাণৰ বাবে নানা কাৰ্য্যক্ৰম ৰূপায়ণ কৰে। আমাৰ ভাৰতবৰ্ষত আকৌ গণতন্ত্ৰৰ আছে এনে প্ৰকাৰ। যেনে প্ৰত্যক্ষ গণতন্ত্ৰৰ যোগেদি জনসাধাৰণে পোনপটীয়াকৈ আইন প্ৰণয়নত অংশ গ্ৰহণ কৰি গণভোট আদি সাব্যস্ত কৰিব পাৰে। একেদৰে, পৰোক্ষ অথবা প্ৰতিনিধিত্বমূলক গণতন্ত্ৰৰ জৰিয়তে জনসাধাৰণে নিৰ্বাচনৰ যোগেদি নিজৰ প্ৰতিনিধি বাছনিৰে, পাছলৈ চৰকাৰ গঠন কৰি শক্তিশালী ভাৰত নিৰ্মাণ কৰিব পাৰে। গতিকে, গণতন্ত্ৰই জনসাধাৰণৰ সু-শক্তিকৰণ, সমতা, ন্যায়, সম বিকাশ, একতা আদি সুনিশ্চিত কৰি সুৰক্ষিত সমাজ নিৰ্মাণ কৰিব পাৰে। উল্লেখযোগ্য প্ৰশ্ন যে- আমাৰ ভাৰতবৰ্ষখন হৈছে এখন ধৰ্ম-নিৰপেক্ষ ৰাষ্ট্ৰ। য'ত সকলোৰে জীয়াই থকাৰ এক অনন্য অধিকাৰ সংবিধানেই দিছে। প্ৰত্যেক বছৰে ২৬ জানুৱাৰী তাৰিখে দেশত পালন হয় গণতন্ত্ৰ দিৱস। কাৰণ ১৯৫০ চনৰ ২৬ জানুৱাৰীৰ পবিত্ৰ দিনটোতে ভাৰতৰ সংবিধান কাৰ্যকৰী হৈ ভাৰতবৰ্ষ যে এখন গণতান্ত্ৰিক দেশ তাৰ বাবে আজিও দেশত প্ৰতিবছৰে ২৬ জানুৱাৰী তাৰিখে উলহ-মালহে পালন কৰে গণৰাজ্য দিৱস। য'ত ভাৰতৰ লোকতন্ত্ৰ ও সংবিধানৰ আদৰ্শৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰা হয়। আৰু ইয়াৰ মূল কাৰণেই হৈছে সংবিধান কাৰ্যকৰীতা। ১৯৫০ চনৰ ২৬ জানুৱাৰীত, ভাৰতীয় সংবিধান কাৰ্যকৰী হোৱাৰ বাবেই দেশখনক এখন সাৰ্বভৌমত্ব সমাজতান্ত্ৰিক, ধৰ্মনিৰপেক্ষ, গণতান্ত্ৰিক সাধাৰণতন্ত্ৰত পৰিগণিত হৈছে। ইয়াৰ ঐতিহাসিক গুৰুত্ব হিচাপে ১৯৩০ চনৰ পবিত্ৰ দিনটোত ভাৰতীয় জাতীয় কংগ্ৰেছে দলে 'পূৰ্ণ স্বৰাজ' বা সম্পূৰ্ণ স্বাধীনতা ঘোষণা কৰি যাৰ বাবে এই দিনটোৰ বিশেষ গুৰুত্ব আজিও অপৰিসীম। কিন্তু সাম্প্ৰতিক সময়ত ৰাজনৈতিক নানান পৰিস্থিতি, অনুপ্ৰৱেশকাৰীৰ প্ৰভাৱ, তুষ্টিকৰণৰ ৰাজনীতি, গণতন্ত্ৰ, ৰাজতন্ত্ৰলৈ ৰূপান্তৰিত হোৱাৰ আশংকাৰ মাজত নাগৰিকৰ সুৰক্ষা আৰু অধিকাৰ অটুট ৰখাটো এক প্ৰত্যাহ্বানজনক বিষয় হৈ পৰিছে। ঠিক সাংবিধানিক সুৰক্ষাৰ ক্ষেত্ৰতো ভাৰতৰ দৰে গণতান্ত্ৰিক দেশত সংবিধানৰ দ্বাৰা নাগৰিকসকলক বাক্ স্বাধীনতা, জীৱন যাপনৰ লগতে ব্যক্তিগত স্বাধীনতাৰ অধিকাৰ দিয়া হৈছে যদিও যিটো আজি গণতন্ত্ৰৰ মূল ভেটি হৈ দেখা দিছে। সুৰক্ষাৰ প্ৰত্যাহ্বানৰ যোগেদি অদূৰদৰ্শী ৰাজনীতি, তুষ্টিকৰণ, অনুপ্ৰৱেশকাৰীৰ দৰে সমস্যাই দেশীয় লোক সকলৰ মাজত যেন সুৰক্ষা, অধিকাৰক বিপদাপন্ন কৰিব পৰাকৈ দেখা দিব পাৰে। আচলতে, গণতান্ত্ৰিক প্ৰক্ৰিয়াই যিকোনো গণতন্ত্ৰত জনসাধাৰণৰ দ্বাৰা নিৰ্বাচিত প্ৰতিনিধিৰ মাধ্যমেৰে আইন প্ৰণয়ন, শাসন ব্যৱস্থা পৰিচালিত কৰে। কিন্তু ৰাজনৈতিক সচেতনতা অবিহনে এই প্ৰক্ৰিয়া দুৰ্বল হ'ব পাৰে এই কথা স্বাভাৱিক। এক প্ৰকাৰে আমি আকৌ ক'ব পাৰো যে গণতন্ত্ৰত সুৰক্ষাৰ মাত্ৰা সদায় সতৰ্কতা নিৰ্ভৰশীল অৱলম্বন কৰে নাগৰিকৰ সচেতনতাৰ ওপৰত এই কথা বাস্তৱ চিৰন্তন সত্য।



এতিয়া কথা হ'ল যে গণতন্ত্ৰ দেশত আজি আমি কিমান সুৰক্ষিত? হয়, গণতন্ত্ৰ দেশত আজি সুৰক্ষিত আছো বাবেই দেশৰ আইন, কানুন, প্ৰশাসনিক ব্যৱস্থা আদি মজুত আছে। সময় সাপেক্ষে কেতিয়াবা কেতিয়াবা অধিকাৰৰ ওপৰত মাত মতা, বাক্ স্বাধীনতাৰ ওপৰত মাত মতা, নিজা অধিকাৰৰ ওপৰত মাত মতাৰ বাবে বহু সমস্যাত পৰিণত হোৱা দেখা যায়। জনগণ ৰাইজ আৰু চৰকাৰ পক্ষৰ মাজত কিছু মিল নোহোৱা হয় যদিও পাছলৈ সকলো ঠিক হৈ যায়। এতেকে, গণতন্ত্ৰ দেশত আমি সুৰক্ষিত। গণতন্ত্ৰৰ প্ৰতি শ্ৰদ্ধা, সন্মান প্ৰদৰ্শনৰে সমাজ ব্যৱস্থাক আগুৱাই লৈ যোৱা কেৱল আৰু কেৱল যে চৰকাৰ পক্ষ তেনে নহয়? ইয়াত গভীৰ দায়িত্ব আছে ভোটাৰ জনগণ ৰাইজৰ। গতিকে, আগন্তুক দিনত গণতন্ত্ৰ প্ৰতি সন্মান জনাই নৱ প্ৰজন্মৰ যুৱক-যুৱতী তথা বুদ্ধিজীৱী সমাজে কেনেদৰে নিজকে দেশৰ নাগৰিক হিচাপে পৰিচয় দাঙি ধৰি আগবাঢ়ি যায় এই হ'ব অতি গুৰুত্বপূৰ্ণ বিষয়বস্তু।

*লেখকৰ ঠিকনা ঃ পণ্ডিতঘাট, কাৰ্বি আংলং*

# ৰাষ্ট্ৰ ধৰ্মৰ পৰা নহয়, ধৰ্মও ৰাষ্ট্ৰৰ ওপৰত নহয়

ৰাজহুৱা আচৰণত পৰিণত হয় তেতিয়াহে সমাজ ভাৰসাম্যপূৰ্ণ হৈ থাকে। কিন্তু যেতিয়া এটা সম্প্ৰদায়ে জাতীয়তাবাদৰ ওপৰত ধৰ্মক স্থান দিয়ে তেতিয়া জাতিটো দুৰ্বল হৈ পৰে, বিভাজিত হৈ পৰে আৰু তাৰ অখণ্ডতা আঘাতপ্ৰাপ্ত হয়। এই তিনিটা শব্দ— দেশপ্ৰেম, দেশভক্তি আৰু জাতীয় চেতনা—শুনিবলৈ বেলেগ হ'ব পাৰে, কিন্তু ইয়াৰ মূল অৰ্থ একে, যাক আমি জাতীয়তাবাদ বুলি কওঁ। জাতীয়তাবাদ কেৱল জাতি নহয়, ব্যক্তিক নিজৰ স্বাৰ্থৰ ওপৰত উঠি জাতীয় স্বাৰ্থত চিন্তা আৰু কাম কৰিবলৈ প্ৰেৰণা যোগোৱা এক অনুভূতি। এই অনুভৱ কেৱল কোনো শ্লোগান, পতাকা অথবা নিৰ্দিষ্ট আয়োজনতে সীমাবদ্ধ নহয়। দেশপ্ৰেম মানে সেই আচৰন যি নিজৰ দেশৰ ভূমি, সংস্কৃতি, পৰম্পৰা আৰু ইতিহাসৰ প্ৰতি গভীৰ প্ৰেম প্ৰতিফলিত হয়। এজন ব্যক্তিয়ে নিজৰ পৰিয়ালক যেনেকৈ ভাল পায়, তেনেদৰে দেশপ্ৰেমে নিজৰ পৰিচয় আৰু আত্মসন্মানৰ সৈতে দেশক সংযোগ কৰে। এই প্ৰেম কেৱল জাতিটোক ভালপোৱাতে সীমাবদ্ধ নহয়, ইয়াৰ ভিতৰত জাতিটোৰ প্ৰয়োজন বুজি জাতিৰ উন্নতিৰ ইচ্ছাও অন্তৰ্ভুক্ত। দেশপ্ৰেম হৈছে দেশভক্তিৰ সক্ৰিয় প্ৰকাশ। যেতিয়া দেশপ্ৰেম কৰ্মত প্ৰকাশ পায়, তেতিয়া ইয়াক দেশভক্তি বুলি কোৱা হয়। সীমান্তত এজন সৈনিকৰ অটলতা, খাদ্যৰ খেতিৰ বাবে এজন কৃষকৰ সৎ সততা, এজন শিক্ষকৰ উপযুক্ত মূল্যবোধৰ শিক্ষা প্ৰদান কৰা, এজন চিকিৎসকৰ নিষ্ঠাপূৰ্ণ সেৱা আদি এক প্ৰকাৰৰ দেশভক্তি। দেশপ্ৰেমৰ অৰ্থ যুদ্ধৰ সময়ত ত্যাগ কৰাই নহয়, শান্তিৰ সময়ত এক নিষ্ঠাবান জীৱনকো অন্তৰ্ভুক্ত কৰা হৈছে।

জাতীয় চেতনা আৰু আঞ্চলিক সম্প্ৰীতি থকা ব্যক্তিয়ে জাতি-ধৰ্ম, জাতি-জনগোষ্ঠীক অতিক্ৰম কৰি জাতিটোক সামগ্ৰিকভাৱে চায়। এই মনোভাৱে সমাজত ঐক্য, সহনশীলতা আৰু দায়িত্ববোধক শক্তিশালী কৰি তোলে, ইয়াক একত্ৰিত কৰে। কিন্তু যেতিয়া এটা সম্প্ৰদায়ে ধৰ্মক জাতীয়তাবাদৰ ওপৰত স্থান দিবলৈ আৰম্ভ কৰে তেতিয়া সমাজ আৰু ব্যক্তি তিনিওটা স্তৰতে দীৰ্ঘম্যাদী সমস্যাৰ সৃষ্টি হয়। এই ৰাজনৈতিক, সামাজিক আৰু ধৰ্মীয় দিশটো তেতিয়া কেৱল ধৰ্মীয় হৈয়েই নাথাকে সমস্যাটোৱে মানৱীয় সংকটৰ ৰূপলৈ পৰিৱৰ্তন হৈ পৰি।

জাতীয় ঐক্যৰ ওপৰত সংকট ঃ জাতীয়তাৰ ভিত্তিত একত্ৰিত সংবিধান, আইন, ভূখণ্ড আৰু ধৰ্মক সম্প্ৰদায়ৰ ওপৰত অগ্ৰাধিকাৰ দিয়া হয়, তেতিয়া "আমি" আৰু "তেওঁলোক"ৰ মাজৰ ৰেখাডাল শক্তিশালী হয়- "আমি প্ৰথমে আমাৰ ধৰ্মৰ কথা ভাবো আৰু তাৰ পিছত জাতিটোৰ কথা ভাবো।" এনে পৰিস্থিতিত ৰাষ্ট্ৰীয় ঐক্যৰ ক্ষেত্ৰত সংকট দৰে পৰিস্থিতিৰ সৃষ্টি হয়।

আইন আৰু সংবিধানৰ প্ৰতি অৱহেলা ঃ যেতিয়া ধৰ্মীয় নীতিক ৰাষ্ট্ৰীয় আইনৰ সৈতে সমান কৰা হয়, তেতিয়া আইন পালন কৰাটো স্বেচ্ছাচাৰী হৈ পৰে, আৰু সম নাগৰিকত্বৰ ধাৰণাটো ক্ষয় হয়। ৰাষ্ট্ৰৰ সাৰ্বভৌমত্বক প্ৰত্যাহ্বান জনোৱাৰ দৰে হয়। এই পৰিস্থিতিয়ে শেষত অৰাজকতাৰ সৃষ্টি কৰে।

সামাজিক বিভাজন আৰু উত্তেজনা ঃ ধৰ্ম বিশ্বাসৰ কথা, কিন্তু যেতিয়া সামাজিক পৰিচয় হিচাপে চিহ্নিত হয় তেতিয়া ৰাষ্ট্ৰৰ লগত সংঘৰ্ষ হোৱাৰ দৰে হয়, তেতিয়া সামাজিক সৌহাৰ্দ্যতাৰ অৱক্ষয় হয়, সন্দেহ, ভয়, ঘৃণা বাঢ়ি যায়। ইয়াৰ ফলত সাম্প্ৰদায়িক সংঘাত আৰু হিংসাৰ ক্ষেত্ৰত ইন্ধন যোগায়।

মানৱতা আৰু নৈতিকতাৰ খহনীয়া ঃ ধৰ্মই মূলত কৰুণা, আৰু নৈতিকতা শিকায়। কিন্তু যেতিয়া সেই ধৰ্মই পৃথক পৰিচয়ৰ ওপৰত ক্ষমতা আৰু আধিপত্যৰ অস্ত্ৰ হৈ পৰে, তেতিয়া মানৱতা পিছপৰি ৰয়। আন ধৰ্মক বা শত্ৰু বুলি গণ্য কৰা হয়।

ৰাষ্ট্ৰ বিৰোধী শক্তিৰ সুযোগ ঃ ধৰ্ম ভিত্তিক বিভাজনৰ সুবিধা ৰাষ্ট্ৰবিৰোধী শক্তি সমূহেই বেছিকৈ ব্যৱহাৰ কৰাৰ সুযোগ পাই। সামাজিক অস্থিৰতাক অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰি উন্নয়নমুখী ৰাষ্ট্ৰীয় ভাৱধাৰাক ধ্বংস কৰি সমাজখনক ভিতৰৰ পৰা দুৰ্বল কৰি তোলে। বিকাশ আৰু উন্নয়ন স্থবিৰ কৰি তোলে।

ব্যক্তিৰ পৰিচয়ৰ সংকোচন ঃ ধৰ্ম যেতিয়া সৰ্বোচ্চ পৰিচয় হৈ পৰে ব্যক্তিৰ চিন্তা সংকীৰ্ণ হৈ পৰে, অধিকাৰ গৌণ হৈ পৰে। প্ৰশ্ন কৰাটো পাপ আৰু মতানৈক্যক অপৰাধ বুলি গণ্য কৰা হয়। ই গণতন্ত্ৰৰ বাবে ক্ষতিকাৰক।

গতিকে এজন ভাল নাগৰিক কেৱল দেশত বাস কৰা মানুহ নহয়। তেওঁ এনেকুৱা এজন ব্যক্তি যিয়ে জাতি, সমাজ, সংবিধানৰ প্ৰতি নিজৰ

# অখণ্ডতা আৰু ভাতৃত্ববোধৰ

অঞ্চলত বিদ্ৰোহ হৈছিল যদিও গোটেই ভাৰতবৰ্ষতে হোৱা নাছিল। যিকিনহওক, ব্ৰিটিছৰ ৰাজত্ব কালত ১৮৫৭ চনৰপৰা ছেগা-চোৰোকাকৈ সৰ্বভাৰতীয় ৰূপত ব্ৰিটিছৰ বিৰুদ্ধে আৰম্ভ হৈছিল। ১৮৮৫ চনত আৰম্ভ হোৱা ভাৰতীয় জাতীয় কংগ্ৰেছৰ নেতৃত্বত ব্ৰিটিছ শাসনৰ বিৰুদ্ধে সৰ্বভাৰতীয় ৰূপত ব্ৰিটিছৰ বিৰুদ্ধে বিদ্ৰোহ আৰম্ভ হৈছিল। এই বিদ্ৰোহ বেছি শক্তিশালী হৈ উঠে মহাত্মা গান্ধীৰ নেতৃত্বত। ভাৰতৰ সকলো শ্ৰেণীৰ লোকে এই ব্ৰিটিছৰ বিৰুদ্ধে আন্দোলনত যোগদান কৰি শেষত ১৯৪৭ চনৰ ১৫ আগষ্ট তাৰিখে ভাৰতে ব্ৰিটিছ অধীনৰ পৰা সম্পূৰ্ণ ৰূপে মুক্ত হ'বলৈ সক্ষম হৈছিল।

পৃথিৱীৰ সকলো স্বাধীনতা ৰাষ্ট্ৰৰে একোখন সংবিধান থাকে আৰু সেই হিচাপে স্বাধীন ৰাষ্ট্ৰ হিচাপে ভাৰতৰ বাবেও এখন সংবিধানৰ প্ৰয়োজন হ'ল। সংবিধান মানে এখন ৰাষ্ট্ৰৰ কিছুমান নিয়ম - প্ৰণালীৰ সমষ্টি, যাৰ দ্বাৰা একোখন ৰাষ্ট্ৰৰ প্ৰশাসন চলে। ভাৰত ব্ৰিটিছ অধীনত থকা কাল পৰ্য্যন্ত কোনো এখন নিজাকৈ সংবিধান নাছিল। ১৯৪৭ চনৰ ১৫ আগষ্ট তাৰিখে স্বাধীনতা লাভ কৰাৰ পিছত হে ভাৰতৰ বাবে এখন নিজাকৈ সংবিধানৰ প্ৰয়োজন হ'ল। অৱশ্যে আমাৰ দেশত সংবিধানৰ ৰচনাৰ কাম ব্ৰিটিছৰ অধীনত থকা কালৰ পৰাই আৰম্ভ হৈছিল আৰু সংবিধানৰ এই ৰচনা ১৯৪৯ চনৰ ২৬ নৱেম্বৰ তাৰিখে সম্পূৰ্ণ কৰা হৈছিল আৰু নতুন সংবিধানখন ১৯৫০ চনৰ ২৬ জানুৱাৰী তাৰিখৰ পৰা সম্পূৰ্ণৰূপে বলৱৎ হোৱাকৈ কাৰ্যকৰী কৰা হৈছিল আৰু সেই দিনটো প্ৰতিবছৰে ২৬ জানুৱাৰীৰ দিনটো গণৰাজ্য দিৱস হিচাপে পালন কৰি অহা হৈছে।

ভাৰতৰ সংবিধানৰ প্ৰণেতা সকলে ২৬ জানুৱাৰী দিনটো গণৰাজ্য দিৱস হিচাপে ঘোষণা কৰি দেশৰ ক্ষমতাৰ উৎস হৈছেজন সাধাৰণ ইয়াকে প্ৰতিপন্ন কৰিছে। আমি ভাৰতীয় সকলো লোকে ভাৰতবৰ্ষক এখন সাৰ্বভৌমত্ব, সমাজবাদী, ধৰ্মনিৰপেক্ষ, গণতান্ত্ৰিক গণৰাজ্য হিচাপে প্ৰতিষ্ঠা কৰিম বুলি দৃঢ় সংকল্প গ্ৰহণ কৰি আৰু সকলো লোককে সামাজিক, অৰ্থনৈতিক, আৰু ৰাজনৈতিক ন্যায়, চিন্তা, অভিব্যক্তি, বিশ্বাস, ধৰ্ম আৰু উপাসনাৰ স্বাধীনতা, সম মৰ্য্যদা আৰু সমান সুযোগ সুনিশ্চিত কৰিবলৈ আৰু তেওঁলোক সকলোৰে মাজত ব্যক্তিৰ মৰ্য্যদা আৰু জাতিৰ ঐক্য আৰু অখণ্ডতা সুনিশ্চিতকাৰী ভ্ৰাতৃত্বভাৱ বৃদ্ধি কৰিবলৈ পৱিত্ৰভাৱে সংকল্প গ্ৰহণ কৰি আমাৰ এই সংবিধান সভাত আজি ১৯৪৯ চনৰ নভেম্বৰ মাহৰ ২৬ তাৰিখে ইয়াৰ দ্বাৰা এই সংবিধান গ্ৰহণ, অধিনিয়মিত আৰু নিজকে প্ৰদান কৰিলোঁ। আমি ভাৰতীয় জনসাধাৰণে মানে ইয়াত ভাৰতৰ সাৰ্বভৌমত্বৰ ক্ষমতা জনসাধাৰণৰ হাতত আছে বুলি ক'ব খোজা হৈছে অৰ্থাৎ ভাৰতৰ জনসাধাৰণেই ক্ষমতাৰ উৎস। ভাৰতক এখন শক্তিশালী উন্নত ৰাষ্ট্ৰ হিচাপে গঢ়ি তুলিবলৈ আমাৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত থকা সৰু বৰ পাৰ্থক্য পৰিহাৰ কৰি গোটেই দেশখনক এক কৰি একতাৰ মাজেৰে বান্ধি ৰাখিব লাগিব। ৰাষ্ট্ৰখনৰ অখণ্ডতা ৰক্ষাৰ বাবে জাতীয় সংহতিৰ প্ৰতি সকলো জনগণে আনুগত্য প্ৰকাশ কৰিব লাগিব। জাতীয় সংহতিয়ে সকলো শ্ৰেণীৰ জনগণৰ মাজত সামাজিক, সাংস্কৃতিক আৰু আৱেগিক দৃঢ় কৰি বান্ধি ৰখাত সহায় কৰে। দেশৰ বিভিন্ন জাতি জনগোষ্ঠীৰ মাজত ভাষা, জাতি উপজাতি আদিৰ পাৰস্পৰিক পাৰ্থক্যৰ বাবে উৎপন্ন হ'ব পৰা যিকোনো বিভেদকামী শক্তিক কৰিব পাৰে। সকলো জাতিৰ মাজত একাত্ম বা এক ভাৰতীয় ভাৱ জগাই তোলাত সহায় কৰে।

দেশৰ জাতীয় উৎসৱ হিচাপে ২৬ জানুৱাৰী গণৰাজ্য দিৱসে আমাক সকলোৰে মাজত সমান সা সুবিধা আৰু সমান সুযোগ সুবিধাৰ কথাকে প্ৰতিপন্ন কৰে। জাতি, ধৰ্ম-বৰ্ণ নিৰ্বিশেষে সকলো ভাৰতীয় লোককে সমান সা সুবিধা দিয়াৰ কথা সংবিধানৰ গণৰাজ্য শব্দটোৰ পৰা নিশ্চিত হ'ব পাৰি। ভাৰতীয় সংবিধানত সন্নিবিষ্ট নাগৰিকৰ মৌলিক অধিকাৰ আৰু মৌলিক কৰ্তব্যৰ দ্বাৰা ভাৰতৰ জাতীয় সংহতি শক্তিশালী কৰাৰ চেষ্টা কৰা হৈছে এই গণৰাজ্য দিৱসৰ দ্বাৰাই। ৰাষ্ট্ৰীয় সংগীত আৰু ৰাষ্ট্ৰীয় প্ৰতীকৰ জৰিয়তে দেশৰ জাতীয় সংহতি শক্তিশালী কৰাত সহায় কৰে। সমগ্ৰ দেশৰ বাবে এখন জাতীয় পতাকা আৰু জাতীয় সংগীতৰ মাজত থকা ঐক্য আৰু সংহতিৰ কথাকে সূচায়। এই জাতীয় প্ৰতীক আৰু জাতীয় সংগীত সমূহে দেশবাসীৰ মাজত থকা শান্তি সম্প্ৰতি আৰু ঐক্য বজাই ৰখাত সহায় কৰে। প্ৰতিবছৰে আমাৰ দেশত ২৬ জানুৱাৰীৰ দিনটো গণৰাজ্য দিৱস হিচাপে আৰু ১৫ আগষ্ট দিনটো স্বাধীনতা দিৱস হিচাপে পালন কৰি অহা হৈছে। এই দুটা দিনটোৰ উপৰিও ভাৰতৰ ৰাষ্ট্ৰীয় উৎসৱসমূহে আমাৰ সকলো ভাৰতীয়ৰ মাজত ঐক্য, সংহতি আৰু ভ্ৰাতৃত্ববোধ কঢ়িয়াই অনাত সহায় কৰে।

# বৈচিত্ৰ্যত ঐক্য ঃ গণতন্ত্ৰ দিৱসৰ প্ৰকৃত অৰ্থ

কথা নহয়, ই হৈছে বৈচিত্ৰ্যত ঐক্যৰ প্ৰতীক। ভাৰত হৈছে নানা ভাষা, নানা ধৰ্ম, নানা সংস্কৃতি, নানা চিন্তাধাৰাৰ দেশ। এই অগণিত বৈচিত্ৰ্যৰ মাজতো আমি একেই পতাকা, একেই সংবিধান আৰু একেই দেশৰ অধীনত ঐক্যবদ্ধ হৈ আছোঁ। এই ঐক্যই হৈছে গণতন্ত্ৰ দিৱসৰ প্ৰকৃত শক্তি আৰু সাৰ।

ভাৰতৰ ইতিহাসে দেখুৱাই যে এই দেশ সদায় বৈচিত্ৰ্যৰ গৃহ। উত্তৰৰ হিমালয়ৰ পৰা দক্ষিণৰ কন্যাকুমাৰীলৈ, পূবৰ অসমৰ পৰা পশ্চিমৰ গুজৰাটলৈ- প্ৰতিটো ৰাজ্যৰ ভাষা, পৰম্পৰা, পোচাক, খাদ্য আৰু সংস্কৃতি বেলেগ। তথাপিও এই সকলোবোৰে মিলি ভাৰত নামৰ এক বিশাল সত্তা গঢ়ে। গণতন্ত্ৰ দিৱসৰ দিনটোত এই বৈচিত্ৰ্যৰ সৌন্দৰ্য স্পষ্টকৈ দেখা যায়। দিল্লীৰ ৰাজপথত হোৱা পৰেডত প্ৰতিটো ৰাজ্যই নিজৰ সংস্কৃতিৰ আভাস দেখুৱায়। ইয়াৰ মাধ্যমে আমি বুজো যে ভাৰত কেৱল একতা নহয়, ই হৈছে একতাৰ ভিতৰত অসংখ্য পৃথকতা।

সংবিধান হৈছে এই ঐক্যৰ মুখ্য ভিত্তি। ১৯৫০ চনৰ ২৬ জানুৱাৰী দিনটোত ভাৰতীয় সংবিধান কাৰ্যকৰী হৈছিল, আৰু সেই দিনৰ পৰা ভাৰত এখন সম্পূৰ্ণ গণতান্ত্ৰিক গণৰাজ্য হিচাপে আত্মপ্ৰকাশ কৰিছিল। সংবিধানৰ মূল লক্ষ্য আছিল- দেশখনৰ সকলো নাগৰিকক সমান অধিকাৰ দিয়া, যেনে ধৰ্ম, ভাষা, বৰ্ণ বা অঞ্চলৰ ভিত্তিত কোনো বৈষম্য নাথাকে। এই চিন্তাধাৰাই ভাৰতক "বৈচিত্ৰ্যত ঐক্য"ৰ দেশ হিচাপে প্ৰতিষ্ঠা কৰে। সংবিধানৰ দ্বাৰা আমি শিকো যে, ভিন্নতা বিভাজনৰ কাৰণ নহয়, ই হৈছে শক্তিৰ উৎস।

গণতন্ত্ৰ দিৱসৰ অৰ্থ হৈছে স্বাধীনতাৰ পূৰ্ণতা। ১৯৪৭ চনত ভাৰত স্বাধীন হৈছিল ঠিকেই, কিন্তু ১৯৫০ চনত সংবিধান কাৰ্যকৰী হোৱাৰ লগে লগে ভাৰত সম্পূৰ্ণ গণৰাজ্য হয়। এই গণৰাজ্য মানে হৈছে-দেশখনৰ সৰ্বোচ্চ ক্ষমতা জনগণৰ হাতত। এই ভাৱনাই সকলো ধৰ্ম, জাতি আৰু সংস্কৃতিক একেলগে লৈ আগবঢ়াৰ পথ দেখুৱায়। এই দিনটো আমাৰ মনত স্মৰণ কৰাই যে, ভাৰতৰ শক্তি অস্ত্ৰত নহয়, ঐক্য আৰু সংবিধানত।

"বৈচিত্ৰ্যত ঐক্য" শব্দটো কেৱল এক শ্লোগান নহয়; ই হৈছে ভাৰতীয় জীৱনৰ বাস্তৱতা। হিন্দু, মুচলিম, খ্ৰীষ্টান, শিখ, বৌদ্ধ, জৈন সকলো ধৰ্মৰ মানুহ এই দেশত একেলগে বসবাস কৰে। দীপাৱলী, ঈদ, বৰদিন, বৈশাখী, পংগল, বিহু-সকলো উৎসৱই এই দেশৰ সমান উৎসৱ। গণতন্ত্ৰ দিৱস এই সকলো উৎসৱক একে পতাকাৰ তলত একত্ৰিত কৰে। এই ঐক্যই দেখুৱায় যে, ভাৰতৰ সৰ্বশ্ৰেষ্ঠ পৰিচয় হৈছে সহাবস্থান আৰু সমানতা।

গণতন্ত্ৰ দিৱসৰ পৰেড হৈছে এই ঐক্যৰ জীৱন্ত উদাহৰণ। সেনাবাহিনী, নৌবাহিনী, বায়ুসেনা- তিনিটা বাহিনী একেলগে শক্তি প্ৰদৰ্শন কৰে। ইয়াৰ লগতে বিভিন্ন ৰাজ্যৰ সাংস্কৃতি, বিজ্ঞান আৰু প্ৰযুক্তিৰ অগ্ৰগতি, নাৰীশক্তি আৰু যুৱসমাজৰ অৱদান দেখুওৱা হয়। এই সকলো মিলি ভাৰতৰ ঐক্যৰ ছবি আঁকে। পৰেডে আমাক বুজায় যে, ভিন্নতা থাকিলেও দেশখনৰ উদ্দেশ্য একেই- ৰাষ্ট্ৰৰ উন্নতি আৰু সুৰক্ষা।

গণতন্ত্ৰ দিৱসৰ মূল সাৰ হৈছে সংবিধানৰ মূল্যবোধ। সংবিধান আমাৰ দেশৰ নাগৰিকক স্বাধীনতা, সাম্য, ন্যায় আৰু ভাতৃত্বৰ শিক্ষা দিয়ে। এই মূল্যবোধে আমাৰ সমাজত সহিষ্ণুতা আৰু ঐক্যৰ বীজ ৰোপণ কৰে। যদি এই মূল্যবোধ নাথাকিলেহেঁতেন, ভাৰতৰ দৰে বহুভাষিক আৰু বহু ধৰ্মীয় দেশ একেলগে থাকিব নোৱাৰিলেহেঁতেন। সেয়ে কোৱা হয়- সংবিধান হৈছে ঐক্যৰ শৃংখল, যিয়ে দেশখনক একত্ৰে বান্ধি ৰাখে। এই দিনটোত আমি কেৱল দেশৰ শক্তি নেদেখোঁ, দেশৰ আত্মাকো অনুভৱ কৰোঁ। শিশুসকল বিদ্যালয়ত পতাকা উত্তোলন কৰে, সাংস্কৃতিক অনুষ্ঠান কৰে। মানুহে দেশপ্ৰেমৰ গান গায়। ইয়াৰ মাধ্যমে গণতন্ত্ৰ দিৱস সমাজত এক ঐক্য আৰু গৌৰৱৰ অনুভূতি সৃষ্টি কৰে। এই অনুভূতিয়েই হৈছে বৈচিত্ৰ্যত ঐক্যৰ মূল শক্তি। ভাৰতীয় গণতন্ত্ৰৰ সাফল্য হৈছে এই ঐক্যৰ ফল। এতিয়া ভাৰত বিশ্বৰ সৰ্ববৃহৎ গণতান্ত্ৰিক দেশ। লাখ লাখ মানুহ ভোট দিয়ে, নিজৰ চৰকাৰ বাচে। এই গণতান্ত্ৰিক ব্যৱস্থাই দেশখনৰ সকলো অংশক সমান সুযোগ দিয়ে। সেয়া শিক্ষা, স্বাস্থ্য, বিজ্ঞান বা সংস্কৃতি- প্ৰতিটো ক্ষেত্ৰত দেশৰ সকলো ৰাজ্যই সমান অংশীদাৰ। এই সমান অংশীদাৰিত্বই বৈচিত্ৰ্যৰ মাজত ঐক্য স্থাপন কৰে।

গণতন্ত্ৰ দিৱস আমাৰ বাবে কেৱল উৎসৱৰ দিন নহয়; ই হৈছে নিজক পৰ্যালোচনা কৰাৰ দিন। এই দিনটো আমাক সুধিবলৈ বাধ্য কৰে- আমি কি আমাৰ সংবিধানৰ মূল্যবোধ মানি চলিছোঁ? আমি কি বৈচিত্ৰ্যক সন্মান কৰিছোঁ? যদি কৰিছোঁ, তেন্তে এই দিনটো সফল। যদি নকৰোঁ, তেন্তে গণতন্ত্ৰৰ সাৰ্থকতা নাথাকে। এই উপলব্ধিই গণতন্ত্ৰ দিৱসৰ প্ৰকৃত অৰ্থ। আজিৰ যুগত বৈচিত্ৰ্যত ঐক্যৰ গুৰুত্ব অধিক। সামাজিক মাধ্যম, ৰাজনৈতিক বিভাজন আৰু ধৰ্মীয় সংঘাত আমাৰ ঐক্যক চ্যালেঞ্জ জনাইছে। কিন্তু গণতন্ত্ৰ দিৱস এই সকলো বিভাজনৰ ওপৰত উঠে, আৰু আমাক স্মৰণ কৰায় যে- আমাৰ পৰিচয় পৃথক নহয়, একত্ৰে ভাৰতীয়। এই চিন্তাধাৰাই দেশখনক শক্তিশালী কৰে।

গণতন্ত্ৰ দিৱসৰ শিক্ষা হৈছে- ভাৰতৰ উন্নতি কেৱল অৰ্থনৈতিক বা সামৰিক শক্তিত নহয়, ই হৈছে মানুহৰ মাজৰ ঐক্যত। যদি দেশখনৰ নাগৰিকসকলে একে উদ্দেশ্যে আগবাঢ়ে, তেন্তে দেশৰ অগ্ৰগতি নিশ্চিত। সেয়েহে কোৱা হয়—"বৈচিত্ৰ্যত ঐক্যই ভাৰতৰ আত্মা, আৰু গণতন্ত্ৰ দিৱস সেই আত্মাৰ উৎসৱ।"

শেষত ক'ব পাৰি, গণতন্ত্ৰ দিৱস হৈছে ভাৰতৰ বহুত্বৰ মাজত একতাৰ প্ৰতীক। ই আমাৰ সংবিধান, স্বাধীনতা আৰু দেশপ্ৰেমৰ মিলিত উৎসৱ। এই দিনটোৱে আমাক শিকায় যে, ভিন্নতা থাকিলেও হৃদয় এক থাকিলে দেশ অটল থাকে। সেয়েহে, গণতন্ত্ৰ দিৱসৰ প্ৰকৃত অৰ্থ হৈছে- "বৈচিত্ৰ্যৰ মাজতো ঐক্যই ভাৰতক অমৰ আৰু শক্তিশালী কৰি ৰাখিছে।" গণতন্ত্ৰ দিৱস আমাৰ ইতিহাসৰ সৈতে যুক্ত এক মহান দিন। এই দিনটো আমাক স্মৰণ কৰায় যে, স্বাধীনতা লাভ কৰাৰ পিছতো দেশখনক এক সঠিক দিশা দিয়াৰ বাবে সংবিধানৰ প্ৰয়োজন আছিল। সেই সংবিধানেই ভাৰতৰ প্ৰত্যেক নাগৰিকক সমান অধিকাৰ আৰু স্বাধীনতা প্ৰদান কৰিলে। কিন্তু অধিকাৰ লাভ কৰাৰ লগে লগে আমাৰ ওপৰত দায়িত্বও আছে। বৈচিত্ৰ্যত ঐক্য মানে হৈছে- প্ৰতিজনে নিজৰ ধৰ্ম, ভাষা আৰু সংস্কৃতি বজাই ৰাখি, আনৰ পৰিচয়ক সন্মান কৰা। এই সন্মানবোধেই গণতন্ত্ৰৰ মূল ভিত্তি।

গণতন্ত্ৰ দিৱসৰ প্ৰকৃত শিক্ষা হৈছে- ঐক্যই হৈছে শক্তি, আৰু বৈচিত্ৰ্যই হৈছে সৌন্দৰ্য। আমাৰ দেশৰ প্ৰত্যেক নাগৰিক ভিন্ন পৰিৱেশত জন্মগ্ৰহণ কৰিছে। কোনোবাই পাহাৰত, কোনোবাই সমতলত, কোনোবাই মৰুভূমিত, কোনোবাই উপকূলত। এই ভৌগোলিক বৈচিত্ৰ্যই আমাৰ জীৱনযাপন, ভাষা আৰু চিন্তাধাৰাতো পাৰ্থক্য আনিছে। তথাপিও এই সকলো মানুহ একেই দেশৰ সন্তান। এই ঐক্যই আমাৰ দেশক অদ্বিতীয় কৰি তুলিছে।

সংবিধানত উল্লেখ কৰা "ধৰ্মনিৰপেক্ষতা" আৰু "সাম্য" শব্দদ্বয় এই ঐক্যৰ গভীৰ প্ৰতীক। ধৰ্মনিৰপেক্ষতা মানে হৈছে- দেশখন কোনো এক ধৰ্মৰ নহয়, ই সকলো ধৰ্মৰ সমান গৃহ। সাম্য মানে হৈছে- সকলো নাগৰিক আইনৰ দৃষ্টিত সমান। এই মূল্যবোধবোৰে দেখুৱায় যে, ভাৰতৰ গণতন্ত্ৰৰ ভিত্তি হৈছে সমানতা আৰু সহিষ্ণুতা। গণতন্ত্ৰ দিৱসত এই মূল্যবোধবোৰৰ স্মৰণে আমাৰ ভিতৰত এক দেশপ্ৰেম আৰু ভাতৃত্ববোধ সৃষ্টি কৰে। গণতন্ত্ৰ দিৱসত বিদ্যালয়, কলেজ আৰু বিভিন্ন প্ৰতিষ্ঠানত যিবোৰ অনুষ্ঠান অনুষ্ঠিত হয়, সেয়া কেৱল সাংস্কৃতিক প্ৰদৰ্শন নহয়; ই হৈছে এক শিক্ষা। এই অনুষ্ঠানসমূহে আমাক দেখুৱায় যে, দেশখনৰ প্ৰতিটো অঞ্চলৰ সংস্কৃতি সমান মূল্যবান। এই উপলব্ধিয়ে বৈচিত্ৰ্য্যৰ মাজতো ঐক্য স্থাপন কৰে। দেশখনৰ ভৱিষ্যৎ গঢ়াৰ দায়িত্ব যুৱসমাজৰ ওপৰত। যদি তেওঁলোকে এই বৈচিত্ৰ্যৰ সন্মান শিকিব, তেন্তে দেশখনৰ ঐক্য অধিক শক্তিশালী হ'ব।

গণতন্ত্ৰ দিৱসৰ দিনটোত আমি যেতিয়া জাতীয় পতাকা উত্তোলন কৰোঁ, তেতিয়া এই পতাকাই আমাৰ বৈচিত্ৰ্যক একে সূত্ৰত বান্ধে। ত্ৰিৰঙা পতাকাৰ তিনিটা ৰঙে তিনিটা মূল মূল্যবোধক প্ৰতিনিধিত্ব কৰে— ত্যাগ, শান্তি আৰু শক্তি। এই পতাকা কেৱল এক কাপোৰ নহয়; ই হৈছে ভাৰতৰ ঐক্য আৰু সত্তাৰ প্ৰাণ। পতাকাৰ তলত সকলো ভাৰতীয় সমান। এই উপলব্ধিয়ে আমাক একতাৰ পথ দেখুৱায়।

বৈচিত্ৰ্যত ঐক্যৰ শক্তি আমাৰ দৈনন্দিন জীৱনত স্পষ্টকৈ দেখা যায়। কোনোবাই অসমীয়া কয়, কোনোবাই হিন্দী, কোনোবাই বাংলা, কোনোবাই তামিল। কিন্তু এই ভাষাগত ভিন্নতাই আমাৰ হৃদয়ক পৃথক নকৰে। গণতন্ত্ৰ দিৱসৰ দিনটোত এই সকলো ভাষা একেলগে "জন গণ মন" গায়। এই দৃশ্যই দেখুৱায় যে, ভাষা ভিন্ন হ'লেও দেশ এক।

এই দিনটো আমাৰ সেনাবাহিনীৰ ত্যাগকো স্মৰণ কৰে। সেনাবাহিনীত বিভিন্ন ধৰ্ম, ভাষা আৰু সংস্কৃতিৰ সৈনিক একেলগে দেশ ৰক্ষা কৰে। তেওঁলোকৰ মাজত কোনো বিভাজন নাই; আছে কেৱল দেশপ্ৰেম। এই ত্যাগই গণতন্ত্ৰ দিৱসৰ প্ৰকৃত শক্তি। বৈচিত্ৰ্যৰ মাজতো এই ঐক্যই দেশখনক সুৰক্ষিত কৰি ৰাখিছে।

গণতন্ত্ৰ দিৱসৰ উপলক্ষত আমি আমাৰ স্বাধীনতা আন্দোলনৰ বীৰসকলকো স্মৰণ কৰোঁ। মহাত্মা গান্ধী, ড° ৰাজেন্দ্ৰ প্ৰসাদ, বি. আৰ. আম্বেদকৰ, নেতাজী সুভাষ চন্দ্ৰ বসু- এই সকলোৰে ভিন্ন চিন্তাধাৰা আৰু পটভূমিৰ আছিল, কিন্তু লক্ষ্য একেই আছিল- ভাৰতৰ স্বাধীনতা আৰু ঐক্য। তেওঁলোকৰ এই ঐক্যবদ্ধ প্ৰচেষ্টাই দেশখনক স্বাধীন কৰি তুলিলে। এই ঐতিহ্যই আমাক শিকায় যে, বৈচিত্ৰ্যই বিভাজন নহয়, ই ঐক্যৰ পথপ্ৰদৰ্শক।

আজিৰ যুগত এই শিক্ষা অধিক প্ৰয়োজনীয়। সমাজত যেতিয়া বিভাজনৰ চিন্তা দেখা যায়, তেতিয়া গণতন্ত্ৰ দিৱস আমাক একতাৰ পথলৈ আহ্বান কৰে। ই আমাক সুধিবলৈ বাধ্য কৰে- আমি কি আমাৰ সংবিধানৰ আদৰ্শ মানি চলিছোঁ? আমি কি আনৰ পৰিচয়ক সন্মান কৰিছোঁ? যদি এইবোৰ পালন কৰোঁ, তেন্তে দেশখনৰ ঐক্য অটুট থাকিব।

গণতন্ত্ৰ দিৱস কেৱল অতীতৰ স্মৃতি নহয়; ই হৈছে ভৱিষ্যতৰ প্ৰেৰণা। এই দিনটোৱে আমাক নতুন সংকল্প ল'বলৈ প্ৰেৰণা দিয়ে-দেশখনৰ ঐক্য আৰু সংবিধানৰ সন্মান ৰক্ষা কৰিবলৈ। বৈচিত্ৰ্যত ঐক্যৰ এই চেতনাই ভাৰতক বিশ্বৰ আগশাৰীৰ গণতান্ত্ৰিক দেশ হিচাপে প্ৰতিষ্ঠা কৰিছে।

*ঠিকনা ঃ লখিমপুৰ*

# অসমৰ পাঁচগৰাকী বিশিষ্ট

সাহিত্য, চিকিৎসা, বিজ্ঞান, সমাজসেৱা, ক্ৰীড়া, জনসংযোগ আদি বিভিন্ন ক্ষেত্ৰত দীৰ্ঘদিনীয়া আৰু অসাধাৰণ অৱদানৰ স্বীকৃতি স্বৰূপে এই বঁটা প্ৰদান কৰা হয়। পদ্মবিভূষণৰ মৰ্যাদা লাভ কৰিছে ধৰ্মেন্দ্ৰ সিং দেওল (মৰণোত্তৰভাৱে), শ্ৰী কেটি থমাছ, এন ৰাজাম, শ্ৰী পি নাৰায়ণন আৰু শ্ৰী ভি এছ অচুথানন্দনৰ দৰে বিশিষ্ট ব্যক্তিসকলে। পদ্মভূষণৰ তালিকাত স্থান পাইছে অলকা য়াগনিক, ভগত সিং কোশ্যাৰী, কল্লীপট্টি ৰামসামী পালানিস্বামী, মম্মোটি, ডাঃ নোৰি দত্তত্ৰেয়ুদু, পিয়ুষ পাণ্ডে (মৰণোত্তৰভাৱে), এছ কে এম মাইলানন্দন, শতবধনী আৰ গণেশ, শিবু সোৰেন (মৰণোত্তৰভাৱে), উদয় কাকতি, ভি কে মালহোত্ৰা (মৰণোত্তৰভাৱে), ভেল্লাপাল্লেই নাটেছন আৰু টেনিছৰ কিংবদন্তি বিজয় অমৃতৰাজৰ দৰে নাম। ক্ৰীড়া জগতৰ বাবে এইবাৰ বিশেষ সুখবৰ আহিছে। বিজয় অমৃতৰাজৰ দৰে টেনিছৰ মহান খেলুৱৈয়ে পদ্মভূষণ লাভ কৰাৰ লগতে পদ্মশ্ৰীৰ তালিকাত স্থান পাইছে ভাৰতীয় ক্ৰিকেটৰ 'হিটমেন' ৰোহিত শৰ্মা আৰু মহিলা দলৰ অধিনায়ক হৰমনপ্ৰীত কৌৰৰ। ইয়াৰ উপৰিও পেৰা-এথলেট প্ৰবীণ কুমাৰ, হকী খেলুৱৈ বলদেৱ সিং আৰু সবিতা পুনীয়া, পৰম্পৰাগত সমৰ কলাৰ ভগৱানদাস ৰৈকৱাৰ, চিলমবমৰ কে পজনীভেল আৰু মল্লযুদ্ধৰ প্ৰশিক্ষক ভ্লাদিমিৰ মেষ্টভিৰিশ্বিলী (মৰণোত্তৰভাৱে)য়েও এই সন্মান লাভ কৰিছে। ৰোহিত শৰ্মাৰ নেতৃত্বত ভাৰতীয় পুৰুষ দলে আইচিচিৰ দুটা খিতাপ জিকিছে আৰু হৰমনপ্ৰীত কৌৰৰ নেতৃত্বত মহিলা দলে প্ৰথমবাৰৰ বাবে বিশ্বকাপ জয় কৰিছে। এই সকলো সাফল্যই দেশৰ ক্ৰীড়া সংস্কৃতিক নতুন উচ্চতালৈ লৈ গৈছে। অসমৰ পৰা এইবাৰ পাঁচগৰাকী বিশিষ্ট ব্যক্তিয়ে পদ্মশ্ৰী সন্মান লাভ কৰিছে। ভাস্কৰ্য শিল্পী আৰু কলা নিৰ্দেশক নুৰুদ্দিন আহমেদে পঞ্চাশ বছৰতকৈও অধিক সময় ধৰি কলা জগতত অৱদান আগবঢ়াই আহিছে। নলবাৰীৰ এই শিল্পীয়ে গণৰাজ্য দিৱসৰ প্ৰতীকপট নিৰ্মাণত অসমৰ প্ৰতিনিধিত্ব কৰি আহিছে আৰু ছবি, ভ্ৰাম্যমাণ নাটক আৰু বিভিন্ন শিল্প সৃষ্টিত নিৰন্তৰ সক্ৰিয় হৈ আছে। সুকণ্ঠী গায়িকা পখিলা লেকথেপীয়ে কাৰ্বি সংগীত জগতত চাৰি দশকৰো অধিক কাল ধৰি অৱদান আগবঢ়াই আহিছে। তেওঁৰ কণ্ঠত তিনিশতাধিক গীত সঁচা হৈছে। কাৰ্বি লোকসংগীত আৰু আধুনিক গীতৰ প্ৰসাৰত তেওঁৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। ইতিমধ্যে তেওঁ 'কুইন অৱ মেল'ডী', 'স্বভাৱ শিল্পী অমূল্য কাকতি স্মৃতি বঁটা', 'লুইত গৌৰৱ', অসম চৰকাৰৰ শিল্পী বঁটা আৰু অসম গৌৰৱ বঁটাৰ দৰে বহু সন্মান লাভ কৰিছে। এৰী আৰু ৰেচম বিশেষজ্ঞ যোগেশ দেউৰীয়ে এৰী শিল্পক বিশ্ব দৰবাৰত প্ৰতিষ্ঠাৰ বাবে অক্লান্ত পৰিশ্ৰম কৰি আহিছে। কোকৰাঝাৰক 'ছিল্ক চিটি' হিচাপে গঢ় দিয়াৰ ধাৰণা তেওঁৰেই। ৰেচম সঞ্চালকালয়তো তেওঁ গুৰুত্বপূৰ্ণ দায়িত্ব পালন কৰিছে। সত্ৰীয়া শিল্পী হৰিচৰণ শইকীয়াই সত্ৰীয়া নৃত্য, সংগীত আৰু সংস্কৃতিৰ প্ৰচাৰ-প্ৰসাৰত বিশেষ অৱদান আগবঢ়াই আহিছে। আনহাতে প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী কবীন্দ্ৰ পুৰকায়স্থক মৰণোত্তৰভাৱে এই সন্মান দিয়া হৈছে। উত্তৰ-পূবত বিজেপিৰ ভেটি স্থাপনত তেওঁৰ অৱদান অপৰিসীম আছিল। উত্তৰ-পূৰ্বাঞ্চলৰ পৰা আন কেইগৰাকীমান ব্যক্তিয়েও পদ্মশ্ৰী লাভ কৰিছে। নাগালেণ্ডৰ চাংগিউচাং ছ পংগেনাৰ, অৰুণাচলৰ পেছি গুবিন, মণিপুৰৰ যুমনাম যাত্ৰা সিং (মৰণোত্তৰভাৱে), ত্ৰিপুৰাৰ নৰেশ দেৱবাৰ্মা আৰু মেঘালয়ৰ হেলি ৱাৰৰ নাম উল্লেখযোগ্য। এই সকলো সন্মানে দেশৰ বৈচিত্ৰ্যময় সংস্কৃতি, ক্ৰীড়া পৰম্পৰা আৰু সামাজিক অৱদানক স্বীকৃতি দিয়াৰ লগতে নতুন প্ৰজন্মৰ বাবে এক ডাঙৰ প্ৰেৰণাৰ উৎস হ'ব বুলি আশা কৰা হৈছে।

# গণতন্ত্ৰ আৰু নাৰীশক্তি; নতুন যুগৰ অগ্ৰগতি

উভয়ে সমান মৰ্যাদা আৰু অধিকাৰ পায়। নতুন যুগত নাৰীশক্তিৰ অগ্ৰগতি এই গণতন্ত্ৰক অধিক শক্তিশালী আৰু সজীৱ কৰি তুলিছে। ভাৰতীয় সমাজ বহু শতাব্দী ধৰি পুৰুষপ্ৰধান আছিল। নাৰীসকল ঘৰৰ ভিতৰত সীমাবদ্ধ আছিল, শিক্ষাৰ সুযোগ পোৱা নাছিল আৰু সামাজিক বা ৰাজনৈতিক ক্ষেত্ৰত তেওঁলোকৰ ভূমিকা খুবেই সীমিত আছিল। কিন্তু গণতান্ত্ৰিক চেতনাৰ বিস্তাৰে এই অৱস্থা লাহে লাহে সলনি কৰিলে। সংবিধানত নাৰী আৰু পুৰুষৰ সমান অধিকাৰৰ কথা উল্লেখ কৰা হৈছে। এই সমান অধিকাৰেই নাৰীশক্তিক আগবঢ়াৰ পথ দেখুৱালে।

গণতন্ত্ৰৰ অন্যতম স্তম্ভ হৈছে ভোটাধিকাৰ। ভোট দিয়াৰ অধিকাৰ লাভ কৰাৰ লগে লগে নাৰীসকলে দেশৰ ৰাজনীতিত অংশগ্ৰহণ কৰাৰ সুযোগ পালে। ই এক যুগান্তকাৰী পৰিৱৰ্তন। আগতে যিসকল নাৰী নিজৰ মতামত প্ৰকাশ কৰিব নোৱাৰিছিল, এতিয়া তেওঁলোকে চৰকাৰ গঠন আৰু দেশৰ নীতি নিৰ্ধাৰণত সক্ৰিয় ভূমিকা গ্ৰহণ কৰিছে। এই অংশগ্ৰহণেই গণতন্ত্ৰক অধিক পূৰ্ণতা প্ৰদান কৰিছে।

নতুন যুগত নাৰীশক্তি কেৱল ঘৰুৱা পৰিসীমাত নহয়, শিক্ষা, বিজ্ঞান, ক্ৰীড়া, শিল্প, সাহিত্য, চিকিৎসা, প্ৰশাসন আৰু সামৰিক বাহিনীতো নিজৰ প্ৰতিভা প্ৰদৰ্শন কৰিছে। ই হৈছে গণতন্ত্ৰৰ এক মহান সাফল্য। কল্পনা চাওলা, মেৰি কম, ইন্দিৰা গান্ধী, সুধা মূৰ্তি, কিৰণ বেদী, পি. ভি. সিন্ধু- এই সকলোৱে দেখুৱাইছে যে, সুযোগ পালে নাৰীসকলে দেশৰ উন্নয়নত অসাধাৰণ অৱদান ৰাখিব পাৰে।

গণতন্ত্ৰ নাৰীক আত্মবিশ্বাস দিয়ে। ই শিকায় যে, প্ৰতিজন নাগৰিকৰ কণ্ঠ সমান মূল্যবান। এই কণ্ঠই নাৰীসকলক অন্যায়ৰ বিৰুদ্ধে কথা ক'বলৈ সাহস জোগায়। সেয়েহে এতিয়া নাৰীসকলে কেৱল উন্নয়নৰ অংশীদাৰ নহয়, উন্নয়নৰ পথপ্ৰদৰ্শক।

শিক্ষাই নাৰীশক্তিৰ অগ্ৰগতিত মুখ্য ভূমিকা পালন কৰিছে। গণতন্ত্ৰৰ কাৰণে শিক্ষা এক মৌলিক অধিকাৰ। শিক্ষাৰ মাধ্যমে নাৰীসকলে নিজৰ চিন্তাধাৰা, দক্ষতা আৰু নেতৃত্বগুণ বিকাশ কৰিছে। শিক্ষিত নাৰী এক শক্তিশালী পৰিবাৰ, সমাজ আৰু দেশ গঢ়ে। এই শিক্ষা আৰু সচেতনতা মিলিয়েই নতুন যুগৰ নাৰীশক্তিক গঢ়িছে।

অৰ্থনৈতিক স্বাধীনতাও নাৰীশক্তিৰ অগ্ৰগতিত অত্যন্ত গুৰুত্বপূৰ্ণ। গণতান্ত্ৰিক ব্যৱস্থাই নাৰীসকলক কৰ্মসংস্থান আৰু উদ্যোগৰ সুযোগ দিয়ে। যেতিয়া নাৰী নিজেই নিজৰ উপাৰ্জনৰ উৎস হয়, তেতিয়া তেওঁ আত্মনিৰ্ভৰ হয়। এই আত্মনিৰ্ভৰতাই সমাজত নাৰীৰ মৰ্যাদা বৃদ্ধি কৰে আৰু গণতন্ত্ৰক শক্তিশালী কৰে।

নাৰীশক্তিৰ অগ্ৰগতি মানে হৈছে সমাজৰ অগ্ৰগতি। গণতন্ত্ৰৰ মূল লক্ষ্য হৈছে সকলো নাগৰিকৰ উন্নয়ন। যেতিয়া নাৰীসকল উন্নতি কৰে, তেতিয়া সমাজত সমতা আৰু ন্যায় প্ৰতিষ্ঠা হয়। এই সমতাই গণতন্ত্ৰৰ সফলতা নিশ্চিত কৰে।

গণতন্ত্ৰ দিৱসৰ দিনটোত নাৰীশক্তিৰ অৱদান বিশেষভাৱে স্মৰণ কৰা হয়। দিল্লীৰ পৰেডত নাৰীসেনা, মহিলা পাইলট, বিজ্ঞানী, চিকিৎসক আৰু বিভিন্ন ক্ষেত্ৰত সফল নাৰীসকলৰ অংশগ্ৰহণ এই কথাই স্পষ্ট কৰে যে, নতুন ভাৰতৰ উন্নয়নত নাৰীসকল সমান অংশীদাৰ।

আজিৰ যুগত নাৰীশক্তি সামাজিক পৰিৱৰ্তনৰ চালিকাশক্তি। তেওঁলোকে অন্যায়, অশিক্ষা, দাৰিদ্ৰ্য আৰু বৈষম্যৰ বিৰুদ্ধে যুদ্ধ কৰিছে। এই যুদ্ধই গণতন্ত্ৰক অধিক সজীৱ আৰু শক্তিশালী কৰি তোলে। সেয়েহে কোৱা হয়—"গণতন্ত্ৰৰ প্ৰকৃত সফলতা নাৰীশক্তিৰ উন্নয়নত নিহিত।"

শেষত ক'ব পাৰি, গণতন্ত্ৰ আৰু নাৰীশক্তি একে সূত্ৰত বন্ধা। গণতন্ত্ৰ নাৰীসকলক অধিকাৰ, মৰ্যাদা আৰু সুযোগ দিয়ে; আৰু নাৰীশক্তি দেশখনক শক্তিশালী, উন্নত আৰু সমৃদ্ধ কৰে। এই দুই শক্তিৰ মিলনেই নতুন যুগৰ অগ্ৰগতিৰ পথ। গণতন্ত্ৰৰ শক্তি তেতিয়াহে পূৰ্ণ হয়, যেতিয়া সমাজত নাৰী আৰু পুৰুষ উভয়ে সমানভাৱে আগবঢ়ে। নাৰীশক্তিৰ বিকাশ মানে হৈছে এক ন্যায়ভিত্তিক আৰু উন্নত সমাজ গঢ়া। এই দৃষ্টিকোণৰ পৰা চালে, নতুন যুগত নাৰীসকলৰ অগ্ৰগতি গণতন্ত্ৰৰ সফলতাৰ এক উজ্জ্বল নিদৰ্শন।

আজি নাৰীসকল ৰাজনীতিৰ ক্ষেত্ৰতো গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। সংসদ, বিধানসভা, পঞ্চায়ত- সৰ্বত্ৰ নাৰী নেতৃত্বৰ উপস্থিতি বৃদ্ধি পাইছে। নাৰীসকলৰ এই সক্ৰিয় অংশগ্ৰহণে সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াক অধিক সংবেদনশীল আৰু সুষম কৰি তুলিছে। তেওঁলোকে শিক্ষা, স্বাস্থ্য, পৰিৱেশ আৰু সামাজিক উন্নয়নৰ দৰে বিষয়ত অধিক গুৰুত্ব আৰোপ কৰিছে, যি গণতান্ত্ৰিক শাসনক অধিক মানবিক ৰূপ প্ৰদান কৰে। গ্ৰাম্য উন্নয়নৰ ক্ষেত্ৰত নাৰীশক্তিৰ অৱদান বিশেষভাৱে উল্লেখযোগ্য। বহু গ্ৰাম পঞ্চায়তৰ নেতৃত্বত মহিলা প্ৰধানসকলে সফলভাৱে কাম কৰি আছে। তেওঁলোকে স্থানীয় উন্নয়ন, পানীৰ ব্যৱস্থা, শিক্ষা আৰু স্বাস্থ্যৰ ক্ষেত্ৰত দৃষ্টান্তমূলক পদক্ষেপ লৈছে। ইয়াৰ মাধ্যমে স্পষ্ট হয় যে, সুযোগ পালে নাৰীসকলে কেৱল ঘৰৰ সীমাতেই নহয়, সমাজ আৰু দেশৰ অগ্ৰগতিতো পথ দেখুৱাব পাৰে।

নাৰীশক্তিৰ অগ্ৰগতিত তথ্য-প্ৰযুক্তিৰ ভূমিকা অত্যন্ত গুৰুত্বপূৰ্ণ। ডিজিটেল যুগত অনলাইন শিক্ষা, চাকৰি আৰু উদ্যোগৰ সুযোগ নাৰীসকলক আত্মনিৰ্ভৰ কৰি তুলিছে। বহু মহিলা উদ্যোক্তা আজিৰ দিনত দেশৰ অৰ্থনৈতিক উন্নয়নত উল্লেখযোগ্য অৱদান ৰাখিছে। এই অৰ্থনৈতিক স্বাৱলম্বিতাই গণতন্ত্ৰক অধিক শক্তিশালী কৰে, কাৰণ ই নাগৰিকৰ মৰ্যাদা আৰু স্বাধীনতাক দৃঢ় কৰে।

সামাজিক ন্যায়ৰ ক্ষেত্ৰতো নাৰীশক্তিৰ ভূমিকা গভীৰ। নাৰীসকল অন্যায়, বৈষম্য আৰু হিংসাৰ বিৰুদ্ধে সজাগ হৈ উঠিছে। তেওঁলোকে নিজৰ অধিকাৰৰ কথা জানে আৰু অন্যৰ অধিকাৰৰ বাবেও যুদ্ধ কৰে। এই চেতনাই সমাজত ন্যায় আৰু সমতাৰ ধাৰা বজাই ৰাখে, যি গণতন্ত্ৰৰ মূল লক্ষ্য। গণতন্ত্ৰ দিৱসত নাৰীশক্তিৰ এই অগ্ৰগতিৰ প্ৰতিফলন দেখা যায়। সেনাবাহিনীৰ পৰা মহাকাশলৈ, বিদ্যালয়ৰ পৰা সংসদলৈ- প্ৰতিটো ক্ষেত্ৰত নাৰীসকলৰ অৱদান উদযাপন কৰা হয়। এই উদ্‌যাপন আমাৰ মনত এক নতুন বিশ্বাস জগায় যে, ভাৰতৰ উন্নয়নৰ পথত নাৰী আৰু পুৰুষ দুয়ো সমানভাৱে আগবাঢ়িছে।

নতুন যুগৰ এই অগ্ৰগতিৰ মূল শক্তি হৈছে শিক্ষা, সচেতনতা আৰু সমান অধিকাৰ। যদি সমাজত এই তিনিটা উপাদান বজাই থাকে, তেন্তে নাৰীশক্তি আৰু গণতন্ত্ৰ উভয়ে একেলগে দেশখনক উন্নয়নৰ শিখৰত উপনীত কৰিব।

*স্নাতকোত্তৰ ডিগ্ৰী অসমীয়া বিভাগ*
*বৰপেটা, হাউলী*

# সনাতনী সমাজক ইউ এছ টি

ডিৰেক্টৰ ড° আছমা বেগমক দিল্লীত ভুৱা কূটনৈতিক পৰিচয়ত গ্ৰেপ্তাৰ কৰাৰ পাছতে এই বিশ্ববিদ্যালয়ৰ ওপৰত প্ৰশ্ন উঠিছে। এই ঘটনাৰ প্ৰতিক্ৰিয়া স্বৰূপে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই দেওবাৰে গুৱাহাটীত সংবাদ মাধ্যমৰ আগত তীব্ৰ ভাষাৰে ইউ এছ টি এমক আক্ৰমণ কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে ইউ এছ টি এম জাল আৰু প্ৰৱঞ্চনাৰ এক ডাঙৰ থলী। বিশ্ববিদ্যালয়ৰ চান্সেলৰ মহবুবুল হকৰ প্ৰথম ধনৰ উৎস আল কায়দাৰ সৈতে সম্পৰ্ক থকা সংগঠনৰ পৰা আহিছিল বুলি তেওঁ গুৰুতৰ অভিযোগ উত্থাপন কৰে। তেওঁৰ মতে এই সকলো তথ্য ৰাজ্য চৰকাৰৰ হাতত আছে। তেওঁ লগতে কয় যে মহবুবুল হকৰ ওপৰত অ' বি চি প্ৰমাণপত্ৰ জাল কৰাৰ লগতে মেডিকেল এডমিচনত জালিয়াতিৰ অভিযোগ আছে। দিল্লীত গ্ৰেপ্তাৰ হোৱা আছমা বেগমৰ নাম বিশ্ববিদ্যালয়ৰ ৱেবচাইটৰ পৰা আঁতৰাই দিয়া হৈছে বুলিও তেওঁ উল্লেখ কৰে। অসমৰ সনাতনী সমাজক সম্বোধন কৰি মুখ্যমন্ত্ৰীয়ে আহ্বান জনায় যে তেওঁলোকে ইউ এছ টি এমত নপঢ়িব লাগে। তেওঁ কয়, "যিসকলে এই বিশ্ববিদ্যালয়ক সমৰ্থন কৰে, তেওঁলোকে বুজিব লাগে যে ইয়াৰ চান্সেলৰৰ ওপৰত গুৰুতৰ অভিযোগ আছে আৰু তেওঁৰ ধনৰ উৎস সন্ত্ৰাসবাদী সংগঠনৰ সৈতে জড়িত।" এই সংবাদমেলত মুখ্যমন্ত্ৰীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আসন্ন অসম ভ্ৰমণৰ কথাও উল্লেখ কৰে। তেওঁ কয় যে ১৪ ফেব্ৰুৱাৰীত প্ৰধানমন্ত্ৰী গুৱাহাটীলৈ আহিব। পুৱা তেওঁ গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী কুমাৰ ভাস্কৰ বৰ্মা সেতু মুকলি কৰিব। তাৰ পাছত আই আই এম গুৱাহাটীৰ চৌহদ উদ্বোধন কৰিব। একেদিনাই তেওঁ অসমত কেন্দ্ৰীয় চৰকাৰে প্ৰদান কৰা ১০০খন নতুন বৈদ্যুতিক বাছৰ শুভাৰম্ভ কৰিব। পিছত খানাপাৰাৰ ফিল্ডত বিজেপিৰ বুথ সন্মিলনত অংশগ্ৰহণ কৰিব। এই সভাত ২৫ হাজাৰ বুথ কমিটি আৰু ৭৫ হাজাৰ বিষয়ববীয়াই অংশ ল'ব। মুখ্যমন্ত্ৰীৰ মতে এই সভা ৰাজনৈতিক হ'ব আৰু ইয়াৰ জৰিয়তে আগন্তুক ২০২৬ বিধানসভা নিৰ্বাচনৰ বিজেপিৰ নিৰ্বাচনী প্ৰচাৰৰ শুভাৰম্ভ হ'ব। তাৰ পিছত প্ৰধানমন্ত্ৰীৰ ডিব্ৰুগড়লৈ যোৱাৰ সম্ভাৱনাও আছে যদিও এতিয়াও নিশ্চিত হোৱা নাই। আনহাতে কংগ্ৰেছ সাংসদ গৌৰৱ গগৈৰ পাকিস্তান সংযোগৰ অভিযোগ সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে কয় যে এই বিষয়ত ভয়ংকৰ তথ্য ওলাইছে। চৰকাৰী এছ আই টিৰ প্ৰতিবেদন সোনকালে ৰাজহুৱা কৰা হ'ব। প্ৰথমতে ৩১ জানুৱাৰীত মুকলি কৰাৰ পৰিকল্পনা আছিল যদিও কেন্দ্ৰীয় বাজেটৰ বাবে হয়তো কিছু পিছুৱাব লাগিব। তেওঁ কয় যে চাৰি-পাঁচ দিনৰ ভিতৰতে বা সৰ্বাধিক এসপ্তাহৰ ভিতৰত সকলো তথ্য ৰাজহুৱা কৰা হ'ব। এই তীব্ৰ মন্তব্যৰ জৰিয়তে মুখ্যমন্ত্ৰীয়ে ২০২৬ বিধানসভা নিৰ্বাচনৰ পূৰ্বে ৰাজনৈতিক প্ৰতিদ্বন্দ্বিতাক তীব্ৰতৰ কৰি তুলিছে। ইউ এছ টি এমৰ ওপৰত অভিযোগ আৰু প্ৰধানমন্ত্ৰীৰ ভ্ৰমণৰ কথাই ৰাজ্যৰ ৰাজনৈতিক পৰিৱেশক উত্তপ্ত কৰি তুলিছে।

২৮ জানুৱাৰীৰ পৰা পাঁচদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচী

# দৌলাশাল শ্ৰীশ্ৰী কানাই ব'লাই সভা মহোৎসৱ

**অসম বাৰ্তা, দৌলাশাল, ২৫ জানুৱাৰী ঃ** নলবাৰী জিলাৰ বৰক্ষেত্ৰী ৰাজহ চক্ৰৰ অন্তৰ্গত দৌলাশালৰ গাঁৱৰ ঐতিহ্যপূৰ্ণ শ্ৰীশ্ৰী কানাই ব'লাই মহাপ্ৰভুৰ ৬৪ সংখ্যক সভা মহোৎসৱ অহা ২৮ জানুৱাৰীৰ পৰা ১ ফেব্ৰুৱাৰীলৈ বিভিন্ন ধৰ্মীয় আৰু মাংগলিক আচাৰ- বিচাৰ আৰু সাংস্কৃতিক কাৰ্যসূচীৰে পাঁচদিনীয়াকৈ উদযাপন কৰাৰ বিশাল প্ৰস্তুতি চলিছে। দৌলাশাল গাঁৱৰ সমাজ ব্যৱস্থাৰ সৰ্বোচ্চ সংস্থা দৌলাশাল উন্নতি সাধিনী সভাৰ উদ্যোগত প্ৰতি বছৰে ভৈমী একাদশীৰ পৰা বৰ্ণিল কাৰ্যক্ৰমণিকাৰে এই সভা মহোৎসৱ উদযাপন কৰি অহা হৈছে। পাঁচদিনীয়াকৈ অনুষ্ঠিত হ'বলগীয়া সভা মহোৎসৱৰ কাৰ্যসূচী অনুসৰি ২৮ জানুৱাৰীত সভা মহোৎসৱৰ গোন্ধ। সেইদিনা পুৱা প্ৰভাত ফেৰীৰ পিছতে ধৰ্মধ্বজা উত্তোলন কৰিব উন্নতি সাধিনী সভাৰ সভাপতি গৰ্গনাৰায়ণ বৰ্মনে। ৬৪ সংখ্যক সভা মহোৎসৱৰ লগত সংগতি ৰাখি গাঁৱৰ বিশিষ্ট ব্যক্তিৰ দ্বাৰা ৬৪খন পতাকা উত্তোলন কৰা হ'ব। বন্তি প্ৰজ্বলন কৰিব দৌলাশাল উন্নতি সাধিনী সভাৰ উপ সভাপতি হৰেকৃষ্ণ বৈশ্যই আৰু শ্বহীদ তৰ্পণ কৰিব দৌলাশাল হাইস্কুলৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক জয়ন্ত কুমাৰ দাসে। গছপুলি ৰোপণ কৰিব সমাজসেৱক শনিয়া বৈশ্য আৰু পদ্মৰাম নাথে। সন্ধিয়া গাঁৱৰ জ্যেষ্ঠ নাগৰিক তৰণী বৰ্মনে স্মৃতিফলকত বন্তি প্ৰজ্বলন কৰাৰ পিছতে গাঁৱৰ প্ৰতিটো চুবুৰীৰ পৰা বিগ্ৰহ আনি মূল মন্দিৰত স্থাপন কৰিব। সভা মহোৎসৱৰ মুখ্যদ্বাৰ মুকলি কৰিব বৰক্ষেত্ৰী বিধানসভা সমষ্টিৰ বিধায়ক দিগন্ত বৰ্মনে আৰু আতচবাজী উদ্বোধন কৰিব চতুৰ্দশ অসম আৰক্ষী বাহিনীৰ দ্বিতীয় অধিনায়ক খৰ্গেশ্বৰ তালুকদাৰে। নিশা সমূহীয়া নাম-কীৰ্ত্তনৰ পিছতে নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ২৯ জানুৱাৰী পুৱা ৰাজহুৱা হোম-যজ্ঞ আৰু নাম-কীৰ্ত্তন আৰম্ভ হ'ব। ৰাজহুৱা হোম-যজ্ঞত অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস আৰু জয়ন্ত মল্ল বৰুৱাৰ লগতে গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ নাৰায়ণ ডেকা, নলবাৰী জিলা আয়ুক্ত নিবেদন দাস পাটোৱাৰী, প্ৰাগজ্যোতিষ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মনোজ কুমাৰ মহন্তৰ লগতে কেইবাগৰাকীও বিশিষ্ট লোক অতিথি হিচাপে উপস্থিত থাকিব। আবেলি ঢুলীয়া প্ৰদৰ্শন আৰু নিশা অগ্নিশিখা নাট্যদলৰ দ্বাৰা নাট প্ৰদৰ্শন কৰা হ'ব। ৩০ জানুৱাৰীৰ পুৱা ১০ বজাত প্ৰগতিশীল লেখক পৰীক্ষিত বৈশ্যৰ সঞ্চালনাত অনুষ্ঠিত হ'ব জ্যেষ্ঠ নাগৰিকৰ অন্তৰংগ আলাপ আৰু ধৰ্ম আলোচনা সভা শীৰ্ষক এক মনোজ্ঞ অনুষ্ঠান। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব কৃষি মন্ত্ৰী অতুল বৰা, অসম গণ পৰিষদ দলৰ সম্পাদক গুণমণি ভূ এঞাকে ধৰি ৰাজ্যখনৰ কেইবাগৰাকীও বিশিষ্ট লোক। আবেলি মহিলাৰ থিয়নাম আৰু নিশা সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব। ড° দিলীপ মহন্তই উদ্বোধন কৰিবলগীয়া সাংস্কৃতিক অনুষ্ঠানত গীত পৰিৱেশন কৰিব অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী আস্ত্ৰিয়ানা দিহিঙিয়া আৰু দ্বিপজ্যোতিয়ে। ৩১ জানুৱাৰীত পুৱা ভাগৱত পাঠ আৰু নাম-প্ৰসংগ। আবেলি মহিলাৰ থিয়নাম আৰু বিয়লি ৪ বজাত হালোগাঁৱৰ পাঠিকা বৰষা ৰাণী দাসৰ নাগাৰা নাম পৰিৱেশন। নিশা পাঠশালাৰ শংকৰ-মাধৱ নাট্য দলৰ নাট প্ৰদৰ্শন কৰা হ'ব। সভা মহোৎসৱৰ অন্তিম দিনা অৰ্থাৎ ১ ফেব্ৰুৱাৰীত পুৱা ১০ চিত্ৰাংকন প্ৰতিযোগিতা, আবেলি মহিলাৰ থিয়নাম আৰু বিয়লি চিলাৰায় বীৰ নাম দলৰ নাম পৰিৱেশন। সন্ধিয়া সামৰণি নাম-প্ৰসঙ্গৰ পিছতে নিশা সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব বুলি জানিবলৈ দিয়ে উন্নতি সাধিনী সভাৰ সম্পাদক নাৰায়ণ নাথে। সাংস্কৃতিক অনুষ্ঠানত গীত পৰিৱেশন কৰিব চুইটি দাস, ৰূপজ্যোতি পাপু আৰু চুনামী নাথে। সভা মহোৎসৱ উপলক্ষে অহা ২৯ আৰু ৩০ জানুৱাৰীত অসমীয়া বোলছবি 'ৰৈ ৰৈ বিনালে' প্ৰদৰ্শন কৰা হ'ব বুলিও জানিব পৰা গৈছে। আটাই কেইদিনৰ কাৰ্যসূচীত ৰাইজৰ উপস্থিতি আৰু সহায়-সহযোগিতা কামনা কৰিছে দৌলাশাল উন্নতি সাধিনী সভাই।

বিদ্যুৎ বিভাগৰ গাফিলতিৰ ফলত এই ঘটনা সংঘটিত হোৱাৰ অভিযোগ ৰাইজৰ

# চিৰাঙৰ বিজনীত কৰুণ ঘটনা; বিয়াৰ দিনাই বিদ্যুৎস্পৃষ্ট হৈ কৰুণ মৃত্যুক সাৱটিলে দৰাসহ আন দুজনে

**অসমবাৰ্তা, বিজনী, ২৫ জানুৱাৰী ঃ** চিৰাং জিলাৰ বিজনীৰ আমগুৰী থানাৰ অন্তৰ্গত আমটেকা ১ নং এলেংমাৰীত এক মৰ্মান্তিক আৰু শোকাৱহ ঘটনাই শোকাকুল পৰিৱেশৰ সৃষ্টি কৰিছে অঞ্চলটোত। শনিবাৰে নিশা এক বিদ্যুতৰ শ্বৰ্ট চাৰ্কিতৰ ফলত সংঘটিত ঘটনাত এজন নৱ বিহাঁহিত দৰাই কৰুণ মৃত্যু সাৱটি লোৱাৰ লগতে মৃত্যু হয় আন দুজন লোকৰ। ঘটনাৰ বিবৰণি অনুসৰি নিশা প্ৰায় ১১ মান বজাত গাঁওখনৰ মাজেৰে পাৰ হৈ যোৱা ১১ হেজাৰ ভোল্টৰ বিদ্যুৎ পৰিবাহী তাঁৰত তামোলৰ ঢকুৱা সৰি পৰাৰ ফলত তাঁৰ চিঙি এল.টি. তাঁৰত স্পৰ্শ কৰাত গাঁওখনত শ্বৰ্ট চাৰ্কিত হৈ বিস্তৰ ক্ষতিসাধন হোৱাৰ লগতে তিনিজনকৈ লোক নিহত হয়। ঘটনাটোত নৱ বিবাহিত যুৱক মাইকেল বসুমতাৰী নিহত হোৱাৰ লগতে বিজয় মুছাহাৰী(৫০) আৰু দৈমালু নাৰ্জাৰী(২৫) নামৰ আন এজন যুৱক নিহত হয়। উল্লেখ্য যে কালি দিনৰ ভাগত মাইকেল বসুমতাৰীৰ বিবাহকাৰ্য সম্পন্ন হৈ নিশাৰ ভাগত অভ্যৰ্থনা অনুষ্ঠান সমাপন হৈছিল। আনকি দুৰ্ঘটনা সংঘটিত হোৱাৰ সময়তো আত্মীয় আৰু স্থানীয় লোকে গান বজাই নৃত্য কৰি আছিল চোতালত। তেনে সময়তে হঠাৎ বৈদ্যুতিক শ্বৰ্ট চাৰ্কিতৰ ঘটনাটো সংঘটিত হোৱাত দৰা মাইকেল বসুমতাৰীয়ে ঘৰৰ শ্লুইছ বৰ্ডত চাৰ্জত দিয়া মোবাইল আনিবলৈ গৈ বৈদ্যুতিক শ্বৰ্ট চাৰ্কিতৰ ফলত নিহত হোৱাৰ লগতে চোতালত থকা যুৱক দৈমালু নাৰ্জাৰীয়ে মিটাৰৰ কাট-আউট সংযোগ বিচ্ছিন্ন কৰিবলৈ গৈ তেওঁ শ্বৰ্ট চাৰ্কিত হৈ ঢলি পৰে। ইফালে একেটা সময়তে সমিপৰে অন্থাই বাৰীৰ বাসিন্দা তথা আমটেকা ভিচিডিচিৰ সদস্য বিজয় মুছাহাৰীয়েও নিজ ঘৰত শুই থকা অৱস্থাত সংঘটিত ঘটনাত শ্লুইছ বৰ্ডত থকা মোবাইল আনিবলৈ গৈ বিদ্যুৎস্পৃষ্ট হৈ নিহত হয়। আটাইকে বঙাইগাঁওস্থিত ব্যক্তিগত খণ্ডৰ লোৱাৰ আছাম হস্পিতালৰলৈ লৈ যোৱা হয় যদিও চিকিৎসকে তিনিওকে মৃত বুলি ঘোষণা কৰে। ইফালে দৰা মাইকেল বসুমতাৰীৰ এই কৰুণ মৃত্যুৰ পাছত মাতৃ আলাইশ্ৰী বসুমতাৰী আৰু কনিষ্ঠ ভাতৃ অঞ্চুলা বসুমতাৰী শোকস্তব্ধ অৱস্থাত সংজ্ঞাহীন হোৱাত একেখন হস্পিতালৰলৈ লৈ যোৱা হয় যদিও সম্প্ৰতি ভাতৃ অঞ্চুলা বসুমতাৰী আই.চি.ইউত চিকিৎসাধীন হৈ আছে বুলি জানিব পৰা গৈছে। ইফালে আজি দিনৰ ভাগত দৈমালু নাৰ্জাৰীৰ মাতৃ খৈলাশ্ৰী নাৰ্জাৰী অসুস্থ হৈ পৰাত তেওঁকো এম্বুলেঞ্চৰ সহায়ত হস্পিতালৰলৈ প্ৰেৰণ কৰা হয়। উক্ত কৰুণ ঘটনাৰ পাছত গাঁওখনত শোকাকুল পৰিৱেশৰ সৃষ্টি হয়। ইফালে ঘটনা সংক্ৰান্তত নিচিমা সমষ্টিৰ পাৰিষদ জেমছ বসুমতাৰী ঘটনাস্থলিত উপস্থিত হৈ পৰিস্থিতিৰ বুজ লয়। আনহাতে চিৰাং জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক ধ্ৰুৱ বৰাসহ বিজনী মহকুমা আৰক্ষী বিষয়া ৰূপজ্যোতি দত্ত ঘটনাস্থলিত উপস্থিত হৈ তদন্ত অব্যাহত ৰাখিছে। ঘটনাটোত মাইকেল বসুমতাৰীয়ে পিতৃ, মাতৃ আৰু এগৰাকী কনিষ্ঠ ভাতৃক ইহ সংসাৰত এৰি থৈ যোৱাৰ লগতে বিজয় মুছাহাৰীয়ে পত্নী আৰু এগৰাকী এঘাৰ বছৰীয়া ছোৱালী আৰু দৈমালু নাৰ্জাৰীয়ে পিতৃ-মাতৃ আৰু এগৰাকী ভগ্নীক ইহসংসাৰত এৰি থৈ যায়। ঘটনা সংক্ৰান্তত স্থানীয় লোকে বিদ্যুৎ বিভাগৰ গাফিলতিৰ ফলত এই ঘটনা সংঘটিত হোৱা বুলি অভিযোগ উত্থাপন কৰি নিহত পৰিয়াল কেইটাক উপযুক্ত ক্ষতিপূৰণ দিবলৈ দাবী উত্থাপন কৰে। আবেলিৰ ভাগত বিদ্যুৎ বিভাগৰ বঙাইগাঁও চাৰ্কলৰ মুখ্য কাৰ্যবাহী বিষয়া পিণ্টু ডেকা ৰাজা, বিজনী মহকুমা প্ৰশাসনৰ সহকাৰী আয়ুক্ত ৰাজশ্ৰী বৰদলৈ উপস্থিত হৈ মৃতকৰ পৰিয়াল কেইটাক ৪ লাখ টকাৰ তাৎক্ষণিক আৰ্থিক সাহায্য প্ৰদান কৰাৰ লগতে পৰৱৰ্তী পৰ্যায়ত পৰিয়াল কেইটাৰ উপযুক্ত ব্যক্তিক বিভাগত কৰ্ম সংস্থাপন দিয়াৰ আশ্বাস প্ৰদান কৰে। আনহাতে বিপিএফৰ কেন্দ্ৰীয় উপ সভাপতি উপস্থিত হৈ বিভাগে সাধ্যানুযায়ী সকলো প্ৰকাৰৰ উপযুক্ত সুবিধা কৰি দিবলৈ দাবী উত্থাপন কৰে।

# চামগুৰিৰ সোণাৰীবালিত ৫০টা চোৰাং গৰুসহ কণ্টেইনাৰ জব্দ



**অসম বাৰ্তা, পুৰণিগুদাম, ২৫ জানুৱাৰী ঃ** নগাঁও জিলাৰ চামগুৰি থানাৰ আৰক্ষীয়ে আজি পুৱতি নিশা চোৰাং গৰুৰ বিৰুদ্ধে অভিযান চলাই ৫০টা চোৰাং গৰু জব্দ কৰাৰ লগতে এখন বাহন জব্দ কৰিবলৈ সক্ষম হয়। চামগুৰি থানাৰ অন্তৰ্গত সোণাৰীবালি ৰাষ্ট্ৰীয় ঘাইপথত অভিযান চলাই আৰক্ষীয়ে চোৰাং গৰুসহ বাহনখন জব্দ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে, যোৱা ২০ জানুৱাৰীৰ দিনাও চামগুৰি আৰক্ষীয়ে অভিযান চলাই সোণাৰীবালিৰ ৰাষ্ট্ৰীয় ঘাই পথত ৫২ টাকৈ চোৰাং গৰুসহ এখন বাহন জব্দ কৰিছিল। প্ৰাপ্ত খবৰ মতে, চামগুৰি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী পৰিদৰ্শক অৰূপ পাঠকৰ নেতৃত্বত এটা আৰক্ষী দলে আজি পুৱতি নিশা প্ৰায় ৪-৩০ মান বজাত এক গোপন খবৰৰ ভিত্তিত সোণাৰীবালি অঞ্চলৰ ৰাষ্ট্ৰীয় ঘাইপথত চোৰাং গৰুৰ বিৰুদ্ধে অভিযান চলায়। চামগুৰি থানাৰ আৰক্ষীৰ দলটোৱে অভিযান চলাই থকাৰ সময়ত উজনিৰ দিশৰ পৰা গুৱাহাটী অভিমুখে আহি থকা আৰ-জে-০৬ জি-বি-৭৩৭২ নম্বৰৰ কণ্টেইনাৰ ট্ৰাকখনে চোৰাং গৰু কঢ়িয়াই আনি থকাৰ অৱস্থাতে আৰক্ষীৰ দলটোৱে জব্দ কৰে। আৰক্ষীৰ দলটোৱে জব্দ কৰা গাড়ীখনৰ পৰা পৰৱৰ্তী সময়ত ৫০টা চোৰাং গৰু জব্দ কৰে। গাড়ীখনৰ চালক আৰু পৰিচালক পলায়ন কৰে যদিও পৰৱৰ্তী সময়ত আৰক্ষীয়ে থানাখনৰ অন্তৰ্গত ভগামুৰ অঞ্চলৰ আছিকুল ইছলাম আৰু বাজিয়াগাঁৱৰ ৰবিকুল ইছলাম নামৰ যুৱক দুজনক চোৰাং গৰু সৰবৰাহৰ লগত জড়িত থকাৰ সন্দেহত আটক কৰে। আৰক্ষীয়ে গাড়ীখনৰ পৰা উদ্ধাৰ কৰা চোৰাং গৰুকেইটা পৰৱৰ্তী সময়ত নগাঁও গো-শালালৈ প্ৰেৰণ কৰা হয় বুলি আৰক্ষীৰ এক সূত্ৰই জানিবলৈ দিয়ে।

# গণৰাজ্য দিৱসৰ প্ৰাকক্ষণত কঠোৰ হৈ পৰিছে বৰপেটাৰোড আৰক্ষী

**অসম বাৰ্তা, বৰপেটাৰোড, ২৫ জানুৱাৰী ঃ** আজি নিশা বৰপেটাৰোড আৰক্ষীয়ে গণৰাজ্য দিৱসৰ প্ৰাকক্ষণত ব্যস্ত হৈ পৰিছে নিৰাপত্তা ব্যৱস্থাত। বৰপেটাৰোডৰ শিমলাগুৰীত তন্ন-তন্নকৈ পৰীক্ষা কৰা হৈছে প্ৰতিখন দুচকীয়া-চাৰিচকীয়া যান-বাহন। কাইলৈ সমগ্ৰ ভাৰতবৰ্ষতে উদযাপন কৰা হ'ব ৭৭ সংখ্যক গণৰাজ্য দিৱস। কাইলৈ সমগ্ৰ দেশবাসীয়ে পালন কৰিব দেশৰ ৭৭ সংখ্যক গণৰাজ্য দিৱস। গণৰাজ্য দিৱস উপলক্ষে সাজু হৈছে দেশবাসী, সাজু হৈ পৰিছে বৰপেটা আৰক্ষী প্ৰশাসন। গণৰাজ্য দিৱসৰ প্ৰাকক্ষণত কোনো দুস্কৃতিকাৰীয়ে কোনোধৰণৰ কূটাঘাট সংঘটিত কৰিব নোৱাৰে তাৰ বাবে বৰপেটা আৰক্ষী প্ৰশাসনৰ কটকটীয়া কৰি তুলিছে নিৰাপত্তা ব্যৱস্থা। বৰপেটাৰোড আৰক্ষী থানাৰ নেতৃত্ব চলিছে কটকটীয়া তালাচী অভিযান। বৰপেটাৰোডৰ শিমলাগুৰীৰ ৰাজপথত আৰক্ষীয়ে তীব্ৰতৰ কৰি তুলিছে তালাচি অভিযান। প্ৰতিখন দুচকীয়া- চাৰিচকীয়া বাহনত চলাইছে নিছিদ্ৰ তালাচী। আৰক্ষী প্ৰশাসনৰ এই পদক্ষেপক ধন্যবাদ জনাইছে বৰপেটাৰোডৰ সচেতন ৰাইজে। আনহাতে গণৰাজ্য দিৱসত দুচকীয়া চাৰিচকীয়া বাহনত লগোৱা জাতীয় পতাকাখনক অপব্যৱহাৰ নকৰি স-সন্মানে যতনে ৰখাৰ বাবে আহ্বান বৰপেটাৰোড সচেতন মহলে।

# বিশ্বনাথ জিলা আয়ুক্ত লক্ষ্মীনন্দন চহৰীয়াৰ দ্বাৰা বিশ্বনাথ জিলাৰ চৰকাৰী স্বীকৃতিপ্ৰাপ্ত সাংবাদিকক মুখ্যমন্ত্ৰীৰ শুভেচ্ছামূলক উপহাৰ প্ৰদান

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ২৫ জানুৱাৰী ঃ** অসম চৰকাৰৰ তথ্য আৰু জনসংযোগ বিভাগৰ দ্বাৰা স্বীকৃতি লাভ কৰা বিশ্বনাথ জিলাৰ সাংবাদিক সকলৰ বাবে ইংৰাজী নৱবৰ্ষ উপলক্ষে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰেৰণ কৰা শুভেচ্ছামূলক উপহাৰ (Goodwill Gift) সমূহ বিশ্বনাথ জিলাৰ সাংবাদিক সকলৰ মাজত শণিবাৰে আনুষ্ঠানিকভাৱে বিতৰণ কৰা হয়। সেই উদ্দেশ্যে বিশ্বনাথৰ জিলা আয়ুক্তৰ সন্মিলন কক্ষত আয়োজিত বিশেষ অনুষ্ঠানটিত বিশ্বনাথৰ জিলা আয়ুক্ত লক্ষ্মীনন্দন চহৰীয়াই চৰকাৰী স্বীকৃতিপ্ৰাপ্ত বিশ্বনাথ জিলাৰ সাংবাদিক সকলক উপহাৰৰ টোপোলা সমূহ আনুষ্ঠানিকভাৱে



প্ৰদান কৰে। মুখ্যমন্ত্ৰীয়ে প্ৰেৰণ কৰা উপহাৰৰ টোপোলাসমূহ প্ৰদান কৰি নাতি-দীৰ্ঘ বক্তব্যত জিলা আয়ুক্ত লক্ষ্মীনন্দন চহৰীয়াই সাংবাদিক সকলে সকলো সময়তে আগবঢ়াই অহা সহায় সহযোগিতাৰ বাবে কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰে। জনসংযোগ বিভাগৰ হৈ ৰণজিৎ শইকীয়াই আঁত ধৰা এই অনুষ্ঠানটিত বিশ্বনাথ জিলাৰ অতিৰিক্ত জিলা আয়ুক্ত অসীম বৰগোহাঁই, সহকাৰী আয়ুক্ত তথা ভাৰপ্ৰাপ্ত জিলা তথ্য আৰু জনসংযোগ বিষয়া সুনাম দাস, জিলাখনৰ স্বীকৃতিপ্ৰাপ্ত সাংবাদিক সকলৰ লগতে জনসংযোগ বিভাগৰ কৰ্মচাৰীসকল উপস্থিত আছিল।

# লাখ লাখ ভোটাৰৰ নাম কৰ্তনৰ অভিযোগ;

কৰিছে যে বিজেপিয়ে 'এছ আৰ' (স্পেচিয়েল ৰিভিউ বা সন্দেহযুক্ত ভোটাৰৰ পৰ্যালোচনা)ৰ নামত লাখ লাখ ভোটাৰৰ নাম ইচ্ছাকৃতভাৱে কৰ্তন কৰি ভোটাৰ তালিকাত বিষবাষ্প বিয়পাই দিবলৈ চেষ্টা কৰিছে। এই অভিযোগৰ প্ৰতিবাদত দেওবাৰে বিৰোধী দলসমূহে ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়াক সাক্ষাৎ কৰি স্মাৰক পত্ৰ প্ৰদান কৰে। কংগ্ৰেছ, ৰাইজৰ দল, অসম জাতীয় পৰিষদ, চি পি আই, চি পি আই (এম) আৰু চি পি আই (এম এল)ৰ নেতৃত্বই যৌথভাৱে এই স্মাৰক পত্ৰ প্ৰদান কৰে। স্মাৰক পত্ৰ দিয়াৰ আগতে দিছপুৰৰ নতুন বিধায়ক আৱাসৰ সভাকক্ষত অনুষ্ঠিত সংবাদমেলত বিৰোধী নেতাসকলে তীব্ৰ ভাষাৰে বিজেপি চৰকাৰ আৰু নিৰ্বাচন প্ৰক্ৰিয়াক আক্ৰমণ কৰে। বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই সংবাদমেলত কয় যে এছ আৰৰ নামত অসমত গণতন্ত্ৰৰ মূল ভিত্তিৰ ওপৰতে আঘাত হনা হৈছে। নিৰ্বাচন আয়োগৰ মূল দায়িত্ব হৈছে শুদ্ধ আৰু নিৰপেক্ষ ভোটাৰ তালিকা প্ৰস্তুত কৰা। কিন্তু এই প্ৰক্ৰিয়াক ৰাজনীতিকৰণ কৰি নাগৰিকসকলৰ মাজত বিভাজন সৃষ্টি কৰা হৈছে। তেওঁ উল্লেখ কৰে যে ৰাহুল গান্ধীয়ে ইতিমধ্যে বিভিন্ন ৰাজ্যত ভোটাৰ তালিকাৰ জৰিয়তে ভোট চুৰিৰ অভিযোগ উত্থাপন কৰিছে। অসমতো একে প্ৰক্ৰিয়া চলি আছে বুলি তেওঁ দাবী কৰে। বিশেষকৈ সংখ্যালঘু সম্প্ৰদায়ৰ ভোটাৰৰ নাম বেছিকৈ কৰ্তন কৰা হৈছে। শইকীয়াই শিৱসাগৰ জিলাৰ নাজিৰা সমষ্টিৰ উদাহৰণ দি কয় যে তাত এজনো সন্দেহযুক্ত ভোটাৰ বা ডি-ভোটাৰ নাছিল যদিও বহুতো পুৰণি অসমীয়া উপাধিধাৰী লোকৰ নামৰ বিৰুদ্ধে অভিযোগ দিয়া হৈছে। এই উপাধিসমূহ ৰজাদিনীয়া কালৰ পৰা আহিছে আৰু তেওঁলোকৰ পৰিয়ালৰ বহু লোক আজান পীৰ, বাঘ হাজৰিকা আদিৰ বংশধৰ। তথাপি বিজেপিৰ লোকে বি এল অ' এপৰ জৰিয়তে অভিযোগ দিছে। ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে অভিযোগ কৰে যে বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই মন্ত্ৰী অশোক সিংহলক ৬ লাখ ভোটাৰ কৰ্তনৰ দায়িত্ব দিছে। বিধায়কসকলক বিজেপিক ভোট নিদিয়া ভোটাৰৰ তালিকা দিবলৈ নিৰ্দেশ দিয়া হৈছে। বকো সমজিলাত চাৰিজন বিজেপি নেতাই অবৈধভাৱে ভোটাৰ তালিকা সলনি কৰাৰ ঘটনা ৰাজহুৱা হৈছে। শিৱসাগৰ জিলাত ৭৫ হাজাৰ লোকৰ বিৰুদ্ধে অভিযোগ দিয়া হৈছে, য'ত গৰিয়া-মৰিয়া সম্প্ৰদায়ৰ লোক আছে কিন্তু 'মিঞা' শব্দটোৰে কোনো সম্পৰ্ক নাই। অখিল গগৈয়ে কয় যে অভিযোগৰ বাবে মাত্ৰ ২ ফেব্ৰুৱাৰীলৈ সময় দিয়া হৈছে, যিটো নিৰ্বাচন আয়োগৰ নিয়ম অনুসৰি ২১ দিনৰ সময়সীমাৰ বিপৰীত। এই অভিসন্ধি বন্ধ নকৰিলে প্ৰবল আন্দোলন গঢ়ি তোলা হ'ব আৰু প্ৰয়োজন হ'লে নিৰ্বাচন বৰ্জন কৰিবলৈও বাধ্য হ'ব লাগিব। অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে কয় যে বিজেপিৰ বাবে এতিয়া নিৰ্বাচন জয় কৰাৰ একমাত্ৰ উপায় হৈ পৰিছে ভোটাৰ তালিকাত জালিয়াতি। সমজিলা কাৰ্যালয়সমূহক বিজেপিৰ কাৰ্যালয়ৰ দৰে ব্যৱহাৰ কৰা হৈছে। ভুৱা অভিযোগ দিয়াসকলৰ বিৰুদ্ধে ব্যৱস্থা ল'ব লাগে। চি পি আই (এম)ৰ বিধায়ক মনোৰঞ্জন তালুকদাৰে অভিযোগ কৰে যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সংবিধানৰ শপত লৈ মুছলমান সম্প্ৰদায়ৰ ওপৰত জুলুম কৰাৰ কথা কৈছে। এই সমগ্ৰ প্ৰক্ৰিয়া তেওঁৰ ডিজাইন। বিজেপিক ভোট নিদিয়াসকলক ভোটাধিকাৰৰ পৰা বঞ্চিত কৰাৰ ষড়যন্ত্ৰ চলি আছে। সংবাদমেলৰ অন্তত বিৰোধী নেতৃত্বই মুখ্য নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ত গৈ স্মাৰক পত্ৰ প্ৰদান কৰে আৰু অভিযোগসমূহৰ তদন্ত, দোষীসকলৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ আৰু প্ৰক্ৰিয়া বন্ধ কৰাৰ দাবী জনায়। বিৰোধী দলসমূহৰ এই যৌথ পদক্ষেপে ২০২৬ৰ বিধানসভা নিৰ্বাচনৰ পূৰ্বে ভোটাৰ তালিকা সংশোধনক লৈ ৰাজনৈতিক সংঘাতক আৰু তীব্ৰতৰ কৰি তুলিছে।

# দেৰগাঁও বনগাঁৱৰ মনদীপৰ মৃত্যুৰ ৯ দিন পাৰ হোৱাৰ পাছতো গ্ৰেপ্তাৰ নহ'ল সুতখোৰ দম্পতী

**অসম বাৰ্তা, দেৰগাঁও, ২৫ জানুৱাৰী ঃ** কোনো লোকে সুতত টকা ধাৰলৈ দিলে সুতখোৰক জে'ললৈ পঠোৱা হ'ব বুলি স্বয়ং ৰাজ্যৰ মুখ্যমন্ত্ৰীগৰাকীয়ে ঘোষণা কৰাৰ পাছতে সমগ্ৰ ৰাজ্যজুৰি সুতখোৰৰ বিৰুদ্ধে চলিছিল অভিযান। কিন্তু তাৰ মাজতে মুখ্যমন্ত্ৰীৰ নিৰ্দেশকো ভেঙুচালি কৰি সুতৰ সামাজ্য গঢ়ি তোলা দেৰগাঁৱৰ বনগাঁও বেংগলীপট্টিত সুতখোৰ সুমিত দাস আৰু তেওঁৰ পত্নী ৰিজুমণি দাস নামৰ স্বামী-স্ত্ৰীৰ মানসিক অত্যাচাৰত অতিষ্ঠ হৈ বিষপান কৰি মৃত্যুমুখত পৰিছিল বনগাঁও গড়গুৰিৰ ২৭ বছৰীয়া মনদীপ বৰা। তাৰ পাছতেই এই সুতখোৰ দম্পতীৰ বিৰুদ্ধে মনদীপ বৰাৰ পৰিয়ালৰ তৰফৰ পৰা এজাহাৰ দাখিল কৰা হৈছিল দেৰগাঁও থানাত। কিন্তু ঘটনাই আজি আঠ দিন অতিক্ৰম কৰাৰ পাছতো আৰক্ষীৰ হাতত গ্ৰেপ্তাৰ নহ'ল এই সুতখোৰ স্বামী-স্ত্ৰী। গাঁৱৰ ৰাইজ, মৃত মনদীপৰ পৰিয়াল আৰু কেইবাগৰাকীও ভুক্তভোগীয়ে ন্যায় বিচাৰি এতিয়া আৰক্ষীৰ কাষলৈ তাঁত-বাতি কৰিব লগা পৰিস্থিতিৰ সৃষ্টি হৈছে। ইতিমধ্যে লোকসকলে গোলাঘাট জিলাৰ আৰক্ষী অধীক্ষকগৰাকীক অভিযোগ দাখিল কৰিছে আৰু সেই মৰ্মে আৰক্ষী অধীক্ষক গৰাকীয়ে ২৪ ঘণ্টাৰ ভিতৰত দোষীক কৰায়ত্ত কৰা হ'ব বুলি জনোৱা বুলি পৰিয়ালৰ লোকক জানিবলৈ দিয়ে যদিও এতিয়ালৈকে মুক্ত অৱস্থাত ঘূৰি আছে সুতখোৰ সুমিত দাস আৰু তেওঁৰ পত্নী ৰিজুমণি দাস। কালি পুনৰ দেৰগাঁও থানাত ভুক্তভোগী পৰিয়াল আৰু স্থানীয় লোকসকল উপস্থিত হয় যদিও আৰক্ষীৰ ফালৰ পৰা কোনো সন্তোষজনক সঁহাৰি নোপোৱাৰ অভিযোগ উত্থাপন কৰে সংবাদ মাধ্যমৰ আগত। ক'ৰবাত পালে সুমিতক ধৰি আনিবলৈ ৰাইজক দায়িত্ব দিয়া বুলিহে অভিযোগ কৰে লোকসকলে। সুতখোৰ সুমিত আৰু তেওঁৰ পত্নীৰ প্ৰতি কিহৰ ইমান দৰদ বুলি আৰক্ষীৰ প্ৰতি প্ৰশ্ন কৰে অভিযোগ কাৰীয়ে। উল্লেখযোগ্য যে সুতখোৰ সুমিত আৰু পত্নীয়ে ধৰুৱাৰ পৰা মাহে শতকৰা ২০ টকা সুতত টকা ধাৰে দি আহিছে। সুতখোৰ দম্পতীৰ মানসিক অত্যাচাৰত ইতিমধ্যে বহু কেইটা ভুক্তভোগী পৰিয়ালে নিজৰ মাটি-ভেটি এৰি অন্য ঠাইত আশ্ৰয় ল'ব লগা পৰিস্থিতিৰ সন্মুখীন হৈছে। এনে পৰিপ্ৰেক্ষিতত আৰক্ষীয়ে কিয় ইমান দিনে অপৰাধীক গ্ৰেপ্তাৰ কৰা নাই, তাক লৈ কৃষক নেতা ৰিপুণ মহন্তকে ধৰি সচেতন মহলে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি অতি শীঘ্ৰে সুতখোৰ স্বামী-স্ত্ৰীক গ্ৰেপ্তাৰৰ দাবী জনাইছে। এই ক্ষেত্ৰত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ হস্তক্ষেপ কামনা কৰিছে ভুক্তভোগী পৰিয়ালে।

# ছয়গাঁৱৰ গোৱৰ্দ্ধনত অনুষ্ঠিত ক্ৰিকেট খেল প্ৰতিযোগিতাত Mentor XI Champion

**অসম বাৰ্তা, ছয়গাঁও, ২৫ জানুৱাৰী ঃ** ছয়গাঁৱৰ গোৱৰ্দ্ধনত গোৱৰ্দ্ধন ক্ৰিকেট ক্লাৱৰ সৌজন্যত পাতল টেনিচ ক্ৰিকেট খেল প্ৰতিযোগিতা অনুষ্ঠিত। ২৪ আৰু ২৫ জানুৱাৰী তাৰিখে দুদিনীয়া কাৰ্য্যসূচীৰে অনুষ্ঠিত হয় এই ক্ৰিকেট খেল প্ৰতিযোগিতাখন। বিভিন্ন প্ৰান্তৰ পৰা প্ৰায় ২৫ টাৰো অধিক দলে এই ক্ৰিকেট খেল প্ৰতিযোগিতা খনত অংশগ্ৰহণ কৰে। উক্ত খেলখনত মুখ্য অতিথি হিচাপে উপস্থিত থাকে ক্ৰিকেট খেল খনৰ প্ৰথম পুৰস্কাৰ দাতা পলাশবাৰী সমষ্টিৰ বিধায়ক হেমাংগ ঠাকুৰীয়া লগতে দ্বিতীয় পুৰস্কাৰ দাতা উপস্থিত থাকে গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়া। ক্ৰিকেট খেল প্ৰতিযোগিতা খনৰ ফাইনেল খেলত প্ৰথম পুৰস্কাৰ লাভ কৰে prize -Mentor XI নে আৰু দ্বিতীয় পুৰস্কাৰ লাভ কৰে Team Unit দলে।

# অসম সংগ্ৰামী চাহ শ্ৰমিক সংঘ, বিশ্বনাথ চাৰ্কোল সমিতিৰ সপ্তম বাৰ্ষিক অধিৱেশন




**অসম বাৰ্তা, জিনজিয়া, ২৫ জানুৱাৰী ঃ** আজি বৰগাং চাহবাগিচা শ্ৰমিক ভৱনত অনুষ্ঠিত হয়। সংঘৰ কেন্দ্ৰীয় সমিতিৰ সদস্য বদন মুণ্ডাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা ৭ম অধিৱেশনত বৰগাং, ৰঙাগড়, বুৰৈ, মোনাবাৰী, জিনজিয়া, বৰবিল, বৰগাঁও, বিহালী, কেটেলা আদি ১০খন চাহ বাগিচাৰ প্ৰতিনিধিৰ লগতে বিদায়ী চাৰ্কোল সমিতিৰ সভাপতি নৰোত্তম চুণ্ডী, সম্পাদক কৃষ্ণ পাইক আৰু অসম সংগ্ৰামী চাহ শ্ৰমিক সংঘৰ কেন্দ্ৰীয় সভাপতি বিবেক দাস উপস্থিত থাকে। প্ৰতিনিধি সভাখনত বিশ্বনাথৰ চাহ বাগিচা সমূহৰ লগতে অসমৰ চাহ শ্ৰমিকৰ সমস্যা সমূহৰ ওপৰত বিষদভাৱে আলোচনা হয়। উল্লেখনীয় বিষয় যে অসম সংগ্ৰামী চাহ শ্ৰমিক সংঘই দিৰ্ঘদিন ধৰি অসমৰ চাহ শ্ৰমিক সকলৰ বিভিন্ন সমস্যা তথা চাহ শ্ৰমিকৰ ওপৰত চলা আক্ৰমণৰ বিৰুদ্ধে আৰু চাহ শ্ৰমিকৰ দখলত থকা মাটিৰ পট্টা, জনজাতিকৰণ, ৫৫১ টকা মজুৰিৰ দাবীত সংগ্ৰাম চলাই আহিছে। ১০ বছৰ আগতে বিজেপিয়ে নিজে দিয়া ৩৫১ টকা মজুৰিৰ প্ৰতিশ্ৰুতি আজি ১০ বছৰ পিছতো পুৰন নকৰিলে। মাটিৰ পট্টা আৰু জনজাতিকৰনৰ বষয়টোও অস্পষ্ট-ভেঁকোভাওনা হৈ আছে। বিজেপি চৰকাৰে চাহ শ্ৰমিকক আইনী প্ৰাপ্য দিয়াৰ ক্ষেত্ৰত সম্পুৰ্ন ব্যৰ্থ হৈছে বুলি মন্তব্য প্ৰকাশ কৰে সংগঠনটোৰ কেন্দ্ৰীয় সভাপতি বিবেক দাসে। প্ৰতিনিধি সভাৰ অন্তত নতুনকৈ চাৰ্কোল কমিটি গঠন হয়। পুনৰবাৰ নৰোত্তম চুণ্ডীক সভাপতি আৰু কৃষ্ণ পাইকক সম্পাদকৰ দায়িত্ব অৰ্পন কৰা হয়। লগতে তিলেশ্বৰী গোৱালাক উপ সভানেত্ৰী আৰু চাজেন পৰ্জাক সহ সম্পাদকৰ দায়িত্ব সহ মুঠ ৩৫ জনীয়া বিশ্বনাথ চাৰ্কোল গঠন কৰা হয়।

# বিজনীত কোকৰাঝাৰ লোকসভা সমষ্টিৰ প্ৰাক্তন সাংসদ নৱ কুমাৰ শৰণীয়া

**অসম বাৰ্তা, বিজনী, ২৫ জানুৱাৰী ঃ** কোকৰাঝাৰৰ কাৰিগাঁৱত সংঘটিত হিংসাত্মক ঘটনাৰ পৰিস্থিতি পৰিদৰ্শন কৰি বিজনীত ঘটনাৰ ওপৰত প্ৰতিক্ৰিয়া প্ৰকাশ প্ৰাক্তন সাংসদ নৱ কুমাৰ শৰণীয়াৰ। পৰিস্থিতি দেখাত শান্ত যদিও মানুহখিনি শংকাত থকা বুলি মন্তব্য প্ৰাক্তন সাংসদ শৰণীয়াৰ। বড়ো বা আদিবাসী দুয়োটা জনগোষ্ঠীৰ নিজৰ মাজত বুজাপৰা কৰাৰ আহ্বান। মানুহ খিনিৰ যথেষ্ট ক্ষতি হৈছে। গতিকে চৰকাৰে দুই আঢ়ৈ লাখ যিয়েই নাযাওক ঘৰ বিলাক বনাই দিব লাগে। লগতে দুয়োটা জনগোষ্ঠীৰ মাজত শান্তি শৃংখলা অটুট ৰখাৰ বাবে সজাগতা সৃষ্টি কৰিব লাগে। ইয়াৰ লগতে দোষী সকলক শাস্তি প্ৰদান কৰি নিৰ্দোষী সকলক এৰি দিব লাগে বুলি প্ৰশাসনক দাবী উত্থাপন কৰি আহি থকা দিনত শান্তি আৰু প্ৰগতিৰ স্বাৰ্থত মানুহখিনিক ধৰ্য আৰু সংযোম হ'বলৈ আহ্বান জনায় প্ৰাক্তন সাংসদ নৱ কুমাৰ শৰণীয়াই। কিবা বাদ বিবাদ থাকিলেও আলোচনাৰ মাজত সমাধান কৰিব লাগে। আনহাতে আগন্তুক বিধানসভা নিৰ্বাচন সন্দৰ্ভত নিৰ্বাচনত বিপিএফৰ সৈতে জিএছপি লগ লাগিলে ১৫ চিটৰ ভিতৰত ১৫ টাতেই জিকিব লাগে বুলি কয়। জিএছপি হিচাবে বিজনীত এশ শতাংশ জিকাৰ সম্ভাৱনা আছে বুলি কয় প্ৰাক্তন সাংসদ শৰণীয়াই। বিজনী সমষ্টি দাবী কৰিব জিএছপিয়ে। এইবাৰ কম হ'লেও দুজন হলেও বিধায়ক হিচাবে পঠাই দিয়াৰ আশা প্ৰাক্তন সাংসদ নৱ কুমাৰ শৰণীয়াৰ।

# অসমীয়া সাহিত্যত নতুন সংযোজন - ভাওনা আৰু নামতিৰ ইতিহাসেৰে সমৃদ্ধ ৫৩৫ পৃষ্ঠাৰ গৱেষণাধৰ্মী গ্ৰন্থ 'বৈজয়ন্তী' উন্মোচন



**অসম বাৰ্তা, আমগুৰি, ২৫ জানুৱাৰী ঃ** অসম চৰকাৰৰ পৰা দুবাৰকৈ যুৱ লেখক সন্মানেৰে সন্মানিত জনপ্ৰিয় কবি, ঔপন্যাসিক, প্ৰবন্ধকাৰ, গল্পকাৰ অংকুৰণ আৰ্ফৰ সম্পাদনাৰে অসমীয়া সাহিত্যত সংযোজন হৈছে ৫৩৫ পৃষ্ঠাৰ এখন সুবৃহৎ গৱেষণাধৰ্মী গ্ৰন্থৰ। গ্ৰন্থখনৰ নাম "বৈজয়ন্তী"। বৃহত্তৰ নামতি অঞ্চলত সদৌ অসম ভিত্তিত অনুষ্ঠিত ভাওনা প্ৰতিযোগিতাৰ স্মৃতি যুগমীয়া কৰাৰ উদ্দেশ্যই প্ৰকাশ কৰা গ্ৰন্থখন অতি আটকধুনীয়াকৈ প্ৰকাশ কৰি উলিয়াইছে গুৱাহাটীৰ পাঞ্চজন্য প্ৰকাশনে। এই গ্ৰন্থখন কেইবাটাও দিশত গুৰুত্ব প্ৰদান কৰি সম্পাদকে সম্পাদনা কৰি উলিয়াইছে। বিশেষকৈ প্ৰথম অধ্যায়ত আছে ভাওনা, ধৰ্ম, দৰ্শন, সাহিত্য, সংস্কৃতি ইত্যাদি বিষয়। দ্বিতীয় অধ্যায়ত আছে নামতিৰ ইতিহাস বিষয়। প্ৰথম অধ্যায়ৰ ভাওনা বা ধৰ্ম, সংস্কৃতি বিষয়ক গৱেষণামূলক প্ৰায় চল্লিশটা প্ৰবন্ধ লিখিছে অসমৰ প্ৰসিদ্ধ সাহিত্যিক, চিন্তিবিদ ক্ৰমে ড° হীৰেণ গোঁহাই, ড° নগেন শইকীয়া, কনক সেন ডেকা, ড° পীতাম্বৰ দেৱগোস্বামী, ড° অমৰজ্যোতি চৌধুৰী, ড° নিৰুপমা মহন্ত, ড° জ্যোতিপ্ৰসাদ শইকীয়া, ড° খৰ্গেশ্বৰ ভূএগ, ড° ভাৰত ভূষণ বৰা, ড° অনিল শইকীয়া, ড° মাণিক শইকীয়া, ড° মৃদুল শৰ্মা, ড° মৃণাল কুমাৰ বৰুৱা, ড° প্ৰণৱ ঢেকিয়াল ফুকন, ময়ূৰ বৰা, জগত চন্দ্ৰ বণিয়া, ড° নন্দ সিং বৰকলা, ড° প্ৰশান্ত কুমাৰ চুতীয়া, ড° যুগল খাৰঘৰীয়া, ৰিপুঞ্জয় গগৈ ইত্যাদি। দ্বিতীয় অধ্যায়ত নামতি অঞ্চলৰ গাঁও সমূহৰ বুৰঞ্জী, নামতি অঞ্চলৰ ৰাজনৈতিক, সাংস্কৃতিক, সামাজিক, অৰ্থনৈতিক, ক্ৰীড়াৰ বুৰঞ্জী, নামতি অঞ্চলৰ নামঘৰ সমূহৰ বুৰঞ্জী, নামতি অঞ্চলৰ শিক্ষানুষ্ঠানৰ বুৰঞ্জী, নামতি অঞ্চলৰ সংবাদ জগত, ৰাস, কৃষি, উদ্যোগ, ঐতিহাসিক কীৰ্তিচিহ্ন, বুৰঞ্জী প্ৰসিদ্ধ বুৰঞ্জী ইত্যাদি বিভিন্ন বিষয় সমূহৰ ক্ষেত্ৰভিত্তিক অথ্য সম্বলিত গৱেষণামূলক প্ৰবন্ধ সন্নিৱিষ্ট হৈছে। ৫৩৫ পৃষ্ঠাৰ সুবৃহৎ গ্ৰন্থখন নামতিৰ লগতে অসমৰ সাহিত্য-সংস্কৃতিৰ জগতত এক সুৱৰ্ণ স্তম্ভ হৈ ৰ'ব বুলি বৌদ্ধিক সমাজ লগতে সমাজৰ শুভচিন্তক সমাজে অভিমত প্ৰকাশ কৰিছে। এনে সম্পূৰ্ণ গৱেষণাধৰ্মী ঐতিহাসিক সমলেৰে ভৰপূৰ গ্ৰন্থখন ভাওনা জগতৰ লগত জড়িত কলাকুশলী ৰ কাৰণেও এক হাতপুথি স্বৰূপ। এই 'বৈজয়ন্তী' এখন ব্যতিক্ৰমধৰ্মী স্মাৰকগ্ৰন্থ যি সময় আৰু সভ্যতাৰ বাবে এক দস্তাবেজ।

# নলবাৰী জিলাৰ বৰক্ষেত্ৰীৰ বৰুৱাপুতাত ভাৰতীয় জনতা পাৰ্টি, বৰক্ষেত্ৰী ধৰ্মপুৰ মণ্ডলৰ বৰ্দ্ধিত কাৰ্যনিৰ্বাহক সভা



**অসম বাৰ্তা, বৰক্ষেত্ৰী, ২৫ জানুৱাৰী ঃ** নলবাৰী জিলাৰ মুকালমুৱাৰ বৰুৱাপুতাস্থিত শ্ৰীশ্ৰী শ্যামৰায় শাখা সত্ৰ প্ৰাঙ্গণত ভাৰতীয় জনতা পাৰ্টি, বৰক্ষেত্ৰী ধৰ্মপুৰ মণ্ডলৰ বৰ্দ্ধিত কাৰ্যনিৰ্বাহক সভাখন অনুষ্ঠিত হয়। বৰক্ষেত্ৰী ধৰ্মপুৰ মণ্ডলৰ সভাপতি মহেশ বৰ্মনৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত ভাৰতীয় জনতা পাৰ্টিৰ নলবাৰী জিলাৰ সাধাৰণ সম্পাদক পুলক কুমাৰ শৰ্মা, সম্পাদক তথা মণ্ডল প্ৰভাৰী মৃগেন শৰ্মা, সহপ্ৰভাৰী দিপ্তী দাস, জিলা উপ সভানেত্ৰী ৰীতামণি ডেকা, বৰক্ষেত্ৰী আঞ্চলিক পঞ্চায়তৰ সভাপতি প্ৰীতম গোস্বামী, জাগাৰা মুকালমুৱা জিলা পৰিষদৰ সদস্যা দিপ্তী তালুকদাৰ, চৰ জিলা পৰিষদৰ সদস্যা আনোৱাৰা খাতুন, নলবাৰী জিলা সংখ্যালঘু মৰ্চাৰ সভাপতি সোণাবৰ আলী প্ৰমুখ্যে মণ্ডল বিষয়ববীয়া তথা কাৰ্যনিৰ্বাহক সদস্য/সদস্যা, নিৰ্বাচিত পঞ্চায়ত প্ৰতিনিধি, বিভিন্ন মৰ্চাৰ সভাপতিসকলৰ লগতে দলৰ শক্তিকেন্দ্ৰ আহ্বায়কসকল উপস্থিত থাকে। সভাত অনাগত দিনত দলৰ ভেটি শক্তিশালী কৰাৰ বাবে উপস্থিত বক্তাসকলে গুৰুত্বপূৰ্ণ পৰামৰ্শ আগবঢ়ায় আৰু আসন্ন বিধানসভা নিৰ্বাচনত বিজেপি দলৰ প্ৰাৰ্থীক অভিলেখ সংখ্যক ভোটৰ ব্যৱধানত জয়যুক্ত কৰাৰ ৰণনীতি প্ৰস্তুত কৰা হয়।

# গোৱালপাৰাত "ৰাষ্ট্ৰীয় ভোটাৰ্চ দিৱস" উদ্‌যাপন

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, দুধনৈ, ২৫ জানুৱাৰী ঃ** গোৱালপাৰা জিলা প্ৰশাসনৰ উদ্যোগত বিগত বৰ্ষসমূহৰ দৰে এইবাৰো ২০২৬ বৰ্ষৰ "ৰাষ্ট্ৰীয় ভোটাৰ দিৱস" (National Voters' Day) আজি ২৫ জানুৱাৰী তাৰিখে উদ্‌যাপন কৰা হয়। ভাৰতীয় নিৰ্বাচন আয়োগৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে ২৫ জানুৱাৰীৰ দিনটো "ৰাষ্ট্ৰীয় ভোটদাতা দিৱস" হিচাপে উদ্‌যাপন কৰা হয়। আজি গোৱালপাৰা জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাগৃহত আয়োজন কৰা অনুষ্ঠানটোত জিলা আয়ুক্ত প্ৰদীপ টিমুং, অতিৰিক্ত জিলা আয়ুক্ত জগদীশ ব্ৰহ্ম, নিৰ্বাচনী বিষয়া পল্লৱী বৰা, সহকাৰী আয়ুক্ত নিশামণি কলিতা, আশিস কলিতা আৰু মেৰী হাজৰিকাই অংশগ্ৰহণ কৰে। গোৱালপাৰা জিলা প্ৰশাসনৰ নাজিৰ ভুৱন ৰাভাকে আদি কৰি অন্যান্য কৰ্মচাৰীসকল উপস্থিত থকা অনুষ্ঠানটোত জিলা আয়ুক্ত মহোদয়ে ভোটদাতা দিৱসৰ শপত বাক্য পাঠ কৰায় আৰু ৰাষ্ট্ৰীয় ভোটদাতা দিৱসৰ তাৎপৰ্য বৰ্ণনা কৰে। জিলা আয়ুক্ত মহোদয়ে উল্লেখ কৰে যে-ৰাষ্ট্ৰীয় ভোটদাতা দিৱসৰ মুখ্য উদ্দেশ্য হ'ল নাগৰিকসকলক ভোটদানৰ অধিকাৰ আৰু কৰ্তব্যৰ বিষয়ে সচেতন কৰা, বিশেষকৈ নতুন ভোটাৰসকলক গণতান্ত্ৰিক প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰিবলৈ উৎসাহিত কৰা। লগতে নিৰ্বাচনৰ কামত জড়িত হোৱা সকলো বিষয়া কৰ্মচাৰীয়ে যাতে স্বচ্ছতা আৰু নিৰপেক্ষভাৱে দায়িত্ব পালন কৰে তাৰ বাবেও জিলা আয়ুক্ত মহোদয়ে উল্লেখ কৰে।

# নকছাৰিত ৩৪ সংখ্যক শিশু সমাৰোহৰ সম্পন্ন, হাজাৰ হাজাৰ মইনা চেমনীয়াৰে "মাইনাময়" সোণাধৰ গগৈ সোঁৱৰণি সমন্বয় ক্ষেত্ৰ

**অসম বাৰ্তা, নকছাৰি, ২৫ জানুৱাৰী ঃ** যোৰহাট জিলাৰ পূৰ্বাঞ্চলত লাহিং, নকছাৰি আৰু গাখীৰখোৱা মৌজাক সামৰি গঠিত হোৱা একমাত্ৰ শিশু কল্যাণকামী স্বেচ্ছাসেৱী অনুষ্ঠান হল পূব যোৰহাট আঞ্চলিক মইনা পাৰিজাত। এই শিশু কল্যাণ কামী অনুষ্ঠানটিয়ে গৌৰৱোজ্জ্বল সোণালী জয়ন্তী বৰ্ষ অতিক্ৰম কৰি কৰিছে। আজিৰ শিশু কালিলৈ দেশৰ ধৰণী, মানৱ সম্পদ। দেশৰ ধৰণী স্বৰূপ কণ কণ শিশুসকলক পৰিশীলিত আৰু সু-শৃংখলিত ভাৱে শাৰীৰিক, মানসিক আৰু বৌদ্ধিক। উৎকৰ্ষ সাধন কৰি সঠিক পথৰ সন্ধান দিবলৈ অহোপুৰুষাৰ্থ কৰি আহিছে। প্ৰকৃতিৰ সেউজ দলিচাত ওলমি-জামলি সময় কটোৱা কণ কণ দেৱশিশু সকলৰ সু কুমলা অন্তৰত লোকাই থকা প্ৰতিভা সমূহক চিনাক্ত কৰি বিকাশ ঘটোৱাৰ লক্ষ্যৰে পূৱ যোৰহাট আঞ্চলিক মইনা পাতিজাতে বিভিন্ন ঠাইত শিশুপ্ৰেমী সদাশয় ৰাইজৰ সহায় সহযোগ, আদৰ অভ্যৰ্থনাত প্ৰতি বছৰে শিশু সমাৰোহৰ লগতে আনুসংগিক অনুষ্ঠান অনুষ্ঠিত কৰি আহিছে। এই বৰ্ষত ৩৪সংখ্যক শিশু সমাৰোহখনি নকছাৰি মৌজাৰ লাহদৈগড় মৰাণ গাঁৱৰ জোনালী, ৰাজবাৰী গাঁৱৰ কুঁহি, উজিনী ৰজাবাৰী আৰু পুথিনদী গোহাঁই গাঁৱৰ অংকুৰজ্যোতি মইনা অৰিজাত তথা স্থানীয় শিশু প্ৰেমী ৰাইজৰ সহযোগত লাহদৈগড় মৰাণ গাঁৱৰ খেল পথাৰত বুৰঞ্জীবিদ সমাজ হিতৈষী সোণাধৰ গগৈ সোঁৱৰণি সমন্বয় ক্ষেত্ৰত তিনিদিনৰ (২৩, ২৪, ২৫জানুৱাৰী) কাৰ্যসূচীৰে অনুষ্ঠিত হয়। প্ৰথম দিন। প্ৰথম দিনৰ কাৰ্যসূচী মৰ্মে পুৱা সামূহিক চাফাই, আদৰণি অনুষ্ঠান, বন্তি প্ৰজলন আৰু সামূহিক প্ৰাৰ্থনা, গছপুলি ৰোপণৰ পাছত চিনাকি পৰ্বৰ পাছতেই ৮.২০ বজাত পতাকা উত্তোলন অনুষ্ঠান আৰম্ভণি হয়। কুঁহি মইনা পাৰিজাতৰ মইনা অভিজ্ঞান গগৈয়ে পতাকা উত্তোলন কৰে। পতাকা উত্তোলনৰ কামান দিয়ে নায়ক অংকুৰজ্যোতি মইনা পাৰিজাতৰ চেমনীয়া ঋতুৰাজ কুঁৱৰে। ৮.৫০বজাত পূৱ যোৰহাট মইনা পাৰিজাতৰ প্ৰতিষ্ঠাপক শিশুপ্ৰেমী ইন্দ্ৰনাথ শৰ্মা আৰু শিশুদৰদী তুলন চুতীয়া দেৱলৈ শ্ৰদ্ধাঞ্জলি অৰ্পণ কাৰ্য্যসূচীৰ আৰম্ভণি কৰে তৰ্পক আঞ্চলিক মইনা পাৰিজাতৰ উপদেষ্টা শিশুপ্ৰেমী পূৰ্ণানন্দ বৰাই। ৯ বজাত উপস্থিত সকলোৱে লঘু আহাৰ গ্ৰহণ কৰে। ৯.৩০ বজাত ক্ৰীড়াশিখা প্ৰজ্বলন কাৰ্য্যসূচী অনুষ্ঠিত হয়। ৯.৫০ বজাত মাৰ্চপাষ্ঠ প্ৰতিযোগিতাৰ আৰম্ভণি অনুষ্ঠানত অধিনায়কৰ দায়িত্ব পালন কৰে ভাৰতীয় সেনাৰ প্ৰাক্তন কেপ্তেইন তথা আঞ্চলিক মইনা পাৰিজাতৰ বিত্ত বিভাগৰ সভাপতি তোলন গগৈয়ে। তাৰ পাছত পদৰ্শনী দ্বাৰ মুকলি কৰে প্ৰধান শিক্ষক ৩৪৮ নং মৰাণ গাঁৱৰ প্ৰাথমিক বিদ্যালয়ৰ পল্লৱ শইকীয়াই। ১১ বজাত মুখপত্ৰ উন্মোচন কৰে নকছাৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষয়িত্ৰী সূচীব্ৰতা পাত্ৰই আৰু স্মৃতিগ্ৰন্থ উন্মোচন কৰে জগন্নাথ বৰুৱা মহা বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপিকা ড° জ্যোতিৰেখা হাজৰিকাই। ১২ বজাত সাহিত্য, সংগীত, ক্ৰীড়া আৰম্ভণি হয় লগতে পূৱ যোৰহাট মাইনা পাৰিজাতৰ গীত উন্মোচন কৰে। ৩ বজাৰ পৰা নাট প্ৰতিযোগিতা আৰম্ভণি হয়। সন্ধিয়া ৫.৩০ বজাত বন্তি প্ৰজ্বলন আৰু সামূহিক প্ৰাৰ্থনাৰে প্ৰথম দিনৰ কাৰ্য্যসূচী সমাপন ঘটে। দ্বিতীয় দিনা সাহিত্য, সংগীত, ক্ৰীড়া প্ৰতিযোগিতা সমূহ অনুষ্ঠিত হয় দুপৰীয়া সান্নিধ্যৰ সুবাসিত অনুষ্ঠান "অনুপ্ৰেৰণা"ত যোৰহাট আউনীআটী বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° মাধুৰ্য্য মণ্ডিত বৰুৱা, শিক্ষক তথা জনপ্ৰিয় ঔপন্যাসক কৌশিক নন্দন বৰুৱা আৰু প্ৰধানমন্ত্ৰী যুৱ বঁটাপ্ৰাপ্ত শিক্ষক বিকাশ দিহিঙীয়া অংশগ্ৰহণ কৰে। ২ বজাৰ পৰা সৃষ্টিশীল নৃত্য প্ৰতিযোগিতা আৰু নাটক প্ৰতিযোগিতা অনুষ্ঠিত হয়। সন্ধিয়া বন্তি প্ৰজলন কৰি দ্বিতীয় দিনৰ কাৰ্যসূচীৰ সামৰণি পৰে। আজি শেষৰ দিনা মুখ্য আকৰ্ষণ সাংস্কৃতিক শোভাযাত্ৰাৰ প্ৰতিযোগিতা অনুষ্ঠিত হয়। দুপৰীয়া মুকলি সভাৰ উদ্বোধন কৰে মইনা অভিনৱ গগৈয়ে আৰু সভাপতিত্ব কৰে মইনা ভাৰ্গৱ গগৈয়ে, নিৰ্দিষ্ট বক্তা হিচাবে অংশগ্ৰহণ কৰে মইনা সুমাঙ্গিনি বৰুৱায়। সভাত মুখ্য অতিথি ৰূপে উপস্থিত থাকে বিশিষ্ট সাংবাদিক চক্ৰপানী পৰাশৰ। মুকলি সভাতে প্ৰতিযোগিতাৰ পুৰস্কাৰ সমূহ বিতৰণ কৰা হয়। শেষত পতাকা অৱতৰণে অনুষ্ঠানৰ সামৰণি পৰে। অহা ৩৫সংখ্যক শিশু সমাৰোহ ভাগি নকছাৰিৰ মৰঙীয়াল মৌচুমী শাখা মইনা পৰিজাতৰ আদৰ আতিথ্যত অনুষ্ঠিত হব বুলি সমাৰোহৰ পতাকা আঞ্চলিক সমিতিৰ তৰফৰ পৰা মৰঙীয়াল মৌচুমী শাখা মইনা পাৰিজাতৰ সমিতিৰ হাতত অৰ্পণ কৰে। এই তিনিদিনীয়া কাৰ্য্যসূচী সুন্দৰভাৱে অনুষ্ঠিত কৰাৰ বাবে উদযাপন সমিতিৰ বিষয় ববীয়াৰ লগতে প্ৰত্যেকজন সদস্যলৈ আঞ্চলিক সমিতিৰ তৰফৰ পৰা ধন্যবাদ জ্ঞাপন কৰে। অনুষ্ঠানত উপস্থিত ৰাইজে এনে অনুষ্ঠান অনুষ্ঠিত কৰি সমগ্ৰ নকছাৰি মইনাময় কৰাৰ লগতে শিশু সকলৰ শাৰীৰিক, বৌদ্ধিক, মানসিক বিকাশ ঘটাই এজন সু-নাগৰিক হিচাবে গঢ়ি তোলাৰ যি চেষ্টা কৰি আহিছে তাৰ বাবে মইনা পাৰিজাতৰ সমূহ সদস্য, বিষয়ববীয়াক ধন্যবাদ জ্ঞাপন কৰে।

## তিনিদিনৰ কাৰ্যসূচীৰ আজি সামৰণি




## ৭২ ঘণ্টাৰ বাবে ৰখোৱা হ'ব মৰ্গত

# নগাঁৱৰ হয়বৰগাঁৱত অচিনাক্ত মহিলাৰ মৃতদেহ উদ্ধাৰ

**অসম বাৰ্তা, পুৰণিগুদাম, ২৫ জানুৱাৰী ঃ** নগাঁও চহৰৰ হয়বৰগাঁও মাৰোৱাৰী হিন্দী হাইস্কুলৰ ওচৰত আজি পুৱা ভাগত মহিলাৰ এটা মৃতদেহ উদ্ধাৰ হোৱা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। হয়বৰগাঁও আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া বিজু বড়োয়ে জনোৱা মতে, আজি পুৱা প্ৰায় ৯ বজাত মানসিকভাৱে বিকাৰগ্ৰস্ত প্ৰায় ৬৫-৬৭ বছৰ বয়সীয়া অচিনাক্ত মহিলাগৰাকীৰ মৃতদেহ এখন দোকানৰ সন্মুখত পৰি থকা দেখা পায় আৰু নগাঁও সদৰ ৰাজহ চক্ৰ বিষয়াৰ উপস্থিতিত আৰক্ষীয়ে মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষা কৰোৱায়। অত্যন্ত ঠাণ্ডাৰ ফলতে মৃত্যু হোৱা বুলি ধাৰণা কৰা মৃতদেহটো ইতিমধ্যে নগাঁও মেডিকেল কলেজ হস্পিতালৰ মৰ্গত চিনাক্তকৰণৰ বাবে ৰখোৱা হ'ব বুলি জানিবলৈ দিছে।

# সোণতলীত ৰূপালী জয়ন্তী সমাৰোহ সম্পন্ন



**অসম বাৰ্তা, সোণতলী, ২৫ জানুৱাৰী ঃ** কামৰূপ জিলাৰ ছমৰীয়াৰ ডেকাচাং যুৱ ক্ৰীড়া শিল্পী সংঘৰ ৰূপালী জয়ন্তী সমাৰোহৰ শনিবাৰে সামৰণী পৰে। এই উপলক্ষে সংঘৰ পতাকা উত্তোলন, গছ পুলি ৰোপণ, ২৫টাকৈ পতাকা উত্তোলন, বিশ্ব শান্তিৰ বাবে সমূহীয়া দোৱা, বৈ যোৱা খেল-ধেমালি, স্মৃতি পৰীক্ষা, আকস্মিক বক্তৃতা, কবিতা আবৃত্তি, কোৰ-আন পাঠ, গজল, চিত্ৰাঙ্কণ, তৰ্ক, গোৱালপৰীয়া নৃত্য, বিহু নৃত্য, একক আধুনিক নৃত্য, ধোৱাগান-নাও খেলৰ গান-বৈঠকি গান, অকণিৰ মেল, জিকিৰ-জাৰী, সম্বৰ্ধনা অনুষ্ঠান, আলোচনা চক্ৰ, জুবীন সংগীতানুষ্ঠান, বিভিন্ন গীত-মাত প্ৰতিযোগিতা আৰু আমন্ত্ৰিত শিল্পীবৃন্দৰ গীতৰ শৰাই, মাৰাথান দৌৰ, ভেশ্চন প্ৰতিযোগিতা, বাৰে ৰহণীয়া সাংস্কৃতিক শোভা যাত্ৰা আদি কাৰ্যসূচী ৰূপায়ণ কৰে। সমাৰোহৰ অন্তিম দিনা অনুষ্ঠিত মুকলি সভাত বঁটা বিতৰণ কৰি মুখপত্ৰ "ডেকাচাম" উন্মোচন কৰে। ইয়াৰ পিছত মুকলি-বঁটা বিতৰণী সভাত মুখ্য অতিথি তথা গোৱালপাৰা অসামৰিক চিকিৎসালয়ৰ শল্য চিকিৎসক ডাঃ ৰেজা ছফিউৰ ৰহমান, গোৱালপাৰা ছোৱালী মহাবিদ্যালয়ৰ অধ্যক্ষ মুন্নাফ আলী আহমেদ, বিজেপিৰ প্ৰাৰ্থীত্ব প্ৰত্যাশী তথা লাইফ লাইন ৰুৰেল হস্পিতালৰ স্বত্বাধিকাৰী ডাঃ ছামছুল আলমে ভাষণ প্ৰদান কৰে। লগতে সভাত ছমৰীয়াৰ ভেষজবিদ মনমোহন কলিতা, মিৰ্জা শাখাৰ মুখ্য বীমা উপদেষ্টা ৰূপম দাস, বীমা উপদেষ্টা জহিৰুল হক, ঠিকাদাৰ দুলাল ভৰালী, কৃতী শিক্ষক আহমেদ আলী, ছুফিয়ৰ ৰহমান, এম আৰ এমৰ অধ্যক্ষ মেহবুবৰ ৰহমান, জেৰাৰ অধ্যক্ষ কলিম উদ্দিন, বগুৰিগুৰী গাঁও পঞ্চায়ত সভানেত্ৰী মামণি চুলতানা, প্ৰাক্তন আঞ্চলিক সদসস্য কুতুব উদ্দিন আহমেদ, গাঁও প্ৰধান আব্দুছ ছামাদ, আব্দুল কাদেৰ আকন্দ প্ৰমুখ্যে গণ্য-মান ব্যক্তি সকল উপস্থিত থাকে। নিশা সাংস্কৃতিক সন্ধিয়াৰ মঞ্চত যুৱ কণ্ঠশিল্পী জিয়াউৰ ৰহমানৰ লগতে বিভিন্ন শিল্পীৰে গীতৰ শৰাই আগবঢ়ায়।

## মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ শোকবাৰ্তা

# নামতিত প্ৰয়াত শিক্ষাবিদ চন্দ্ৰেশ্বৰ বৰুৱাদেৱৰ আদ্যশ্ৰাদ্ধ উপলক্ষে স্মৃতিচাৰণ সভা স্মৃতিগ্ৰন্থ "চন্দ্ৰাদিত্য" উন্মোচন

**অসম বাৰ্তা, আমগুৰি, ২৫ জানুৱাৰী ঃ** শিৱসাগৰ জিলাৰ নামতিৰ মৰাণকাৰী সন্দিকৈ গাঁৱৰ নিবাসী, বিশিষ্ট শিক্ষাবিদ, অঞ্চলটোৰ প্ৰতিটো অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত, বিশিষ্ট সমাজকৰ্মী আৰু ১৯৬৪ চনৰ পৰা ১৯৯৮ চনলৈকে প্ৰায় চাৰিটা দশক জুৰি ঐতিহ্যপূৰ্ণ নামতি বালক উচ্চতৰ মাধ্যমিক বিদ্যালয়ত শিক্ষকতাৰে কৰ্মজীৱনৰ সামৰণি মৰা সকলোৰে শ্ৰদ্ধাৰ প্ৰয়াত চন্দ্ৰেশ্বৰ বৰুৱাদেৱৰ আদ্যশ্ৰাদ্ধ উপলক্ষে আজি এখন স্মৃতিচাৰণ সভা অনুষ্ঠিত হয়। উক্ত সভাতে প্ৰয়াত শিক্ষাবিদ গৰাকীৰ স্মৃতিত প্ৰকাশ কৰা গ্ৰন্থ "চন্দ্ৰাদিত্য" উন্মোচন কৰে নামতি বালক উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত বৰ্ষীয়ান সংস্কৃত বিষয়ৰ শিক্ষক টংকেশ্বৰ বৰুৱাই। শিক্ষক তথা লেখক শান্তনু দত্ত আৰু আছুৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক ধ্ৰুৱজ্যোতি কলিতাই আঁত ধৰা ব্যতিক্ৰমী সভাখনত প্ৰয়াত চন্দ্ৰেশ্বৰ বৰুৱাদেৱৰ একালৰ প্ৰাক্তন ছাত্ৰসকলে শিক্ষক গৰাকীৰ জীৱনৰ বিভিন্ন দিশৰ ওপৰত আলোকপাত কৰাৰ লগতে এসময়ৰ "অংকৰ বাঘ" হিচাপে বিভূষিত শিক্ষক গৰাকীৰ শিকণ পদ্ধতিৰ ওপৰত বিশদ ব্যাখ্যা আগবঢ়ায়। অসম সাহিত্য সভাৰ উপ-সভাপতি পবিত্ৰ প্ৰাণ ভট্টাচাৰ্যকে আদি কৰি তেখেতৰ একালৰ সহকৰ্মী বুদ্ধীন্দ্ৰ নাথ ভট্টাচাৰ্য্য, বদন চন্দ্ৰ শৰ্মা, দেৱেন গগৈ, ঠানুৰাম বৰুৱাৰ লগতে ভালেকেইজন বৰ্ষীয়ান শিক্ষাবিদে প্ৰয়াত চন্দ্ৰেশ্বৰ বৰুৱাদেৱৰ জীৱন আৰু দৰ্শনৰ ওপৰত নিজৰ অনুভৱ ব্যক্ত কৰে। ইয়াৰোপৰি প্ৰাক্তন শিক্ষাৰ্থীসকলে কৃতী শিক্ষক গৰাকীক শ্ৰেণীকোঠাত লগপোৱা অনুভৱ ব্যক্ত কৰি সকলো আবেগিক হৈ পৰে। পৰিয়ালৰ তৰফৰপৰা অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী অতুল বৰাৰ পত্নী ড° বুলবুলী বৰুৱা আৰু বৰপুত্ৰ, বিশিষ্ট ব্যৱসায়ী ভাস্কৰ বৰুৱাই পিতৃৰ কথা সুঁৱৰি আবেগিক হৈ পৰে। অনুষ্ঠানটিত বন্তিপ্ৰজ্বলন কৰে প্ৰয়াত শিক্ষাবিদ গৰাকীৰ সহধৰ্মিনী পুষ্পলতা বৰুৱাই আৰু পুষ্পাঞ্জলি অৰ্পণ কৰে শ্ৰদ্ধাৰ বুদ্ধিন্দ্ৰ নাথ ভট্টাচাৰ্য্যই। বহুতো ছাত্ৰক অংকক কেনেকৈ জীৱনৰ লগত সংপৃক্ত কৰি আগবাঢ়ি যাব পাৰি তাৰ আদিপাঠ শিকোৱা শিক্ষক গৰাকীৰ মৃত্যুত অসমৰ মাননিয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা লগতে ৰাজহ মন্ত্ৰী কেশৱ মহন্ত, অসম সাহিত্য সভাৰ লগতে বহুতো অনুষ্ঠান-প্ৰতিষ্ঠানে শিক্ষক গৰাকীৰ মৃত্যুত শোক প্ৰকাশ কৰি সমবেদনা জ্ঞাপন কৰে।

# হোজাই জিলা দিৱসত বিশিষ্ট শিক্ষক জয়ন্ত চৌধুৰীক সম্বৰ্ধনা



**অসম বাৰ্তা, ডবকা, ২৫ জানুৱাৰী ঃ** আজি হোজাই জিলা প্ৰশাসনৰ উদ্যোগত শ্ৰীমন্ত শংকৰদেৱ নগৰত জিলা দিৱস উদ্‌যাপন কৰা হয়। এই জিলা দিৱসৰ কাৰ্যসূচীত বাৰেবৰণীয়া সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। ইয়াৰ পিছত শংকৰদেৱ নগৰ কছাৰী ময়দান এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। জিলা আয়ুক্ত বিদ্যুৎ বিকাশ ভাগৱতীয়ে উদ্দেশ্য ব্যাখ্যা কৰা সভাত বিশিষ্ট অতিথি হিচাপে জনপ্ৰিয় কণ্ঠশিল্পী বৰ্ণালী কলিতা উপস্থিত থাকি গীত পৰিৱেশন কৰে। এই অনুষ্ঠানত হোজাই জিলা প্ৰশাসনৰ ফালৰ পৰা জিলাখনৰ বহু কেইজন বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জনোৱা হয়। ইয়াৰ ভিতৰত সাংবাদিক, সমাজকৰ্মী আৰু শিক্ষকো আছে। উল্লেখ্য যে, বিগত সময়ছোৱাত হোজাইৰ বিশিষ্ট শিক্ষক জয়ন্ত কুমাৰ চৌধুৰীয়ে হোজাই জিলাৰ অন্তৰ্গত হোজাই, ডবকা, নীলবাগান, ইছলাম নগৰ আদি অঞ্চলৰ বহু কেইখন স্কুলত কেইবা সহস্ৰাধিক নিম, নাহৰ আদি গছপুলি ৰোপণ আৰু বিতৰণ কৰি হোজাই জিলা প্ৰশাসনৰ পৰা সন্মান লাভ কৰিবলৈ সক্ষম হৈছে। আজি পৱিত্ৰ জিলা দিৱসৰ অনুষ্ঠানত বিশিষ্ট সমাজকৰ্মী তথা শিক্ষক জয়ন্ত চৌধুৰীক হোজাই জিলা আয়ুক্ত বিদ্যুৎ বিকাশ ভাগৱতীয়ে সম্বৰ্ধনা জনায়। এই অনুষ্ঠানত কণ্ঠ শিল্পী বৰ্ণালী কলিতাৰ লগতে হোজাইৰ বিধায়ক ৰামকৃষ্ণ ঘোষ, লামডিংৰ বিধায়ক শিবু মিশ্ৰ সহ অন্যান্য ব্যক্তিসকল উপস্থিত আছিল। শিক্ষক চৌধুৰীয়ে জিলা প্ৰশাসনক ধন্যবাদ জ্ঞাপন কৰে।

## অবৈধ বাংলাদেশীমুক্ত শুদ্ধ ভোটাৰ তালিকাৰ দাবী

# আমগুৰিত সংবাদমেলত অসমীয়া যুৱ মঞ্চৰ হুংকাৰ



**অসম বাৰ্তা, আমগুৰি, ২৫ জানুৱাৰী ঃ** ভোটাৰ তালিকাৰ সংশোধনীৰ জৰিয়তে যাতে এজনো অবৈধ বাংলাদেশী লোকৰ নাম ভোটাৰ তালিকাত অন্তৰ্ভুক্ত নহয় সেই ক্ষেত্ৰত অসমীয়া যুৱ মঞ্চ সৰৱ হৈ উঠিছে। সংগঠনটোৱে ১৯৭১ চনৰ পিছত অসমলৈ অহা কোনো লোকৰে নাম ভোটাৰ তালিকাত অন্তৰ্ভুক্ত হবলৈ নিদিয়ে। আজি শিৱসাগৰ জিলাৰ আমগুৰিত অনুষ্ঠিত হোৱা এক সংবাদমেলত এই কথা স্পষ্ট কৰি দিয়ে অসমীয়া যুৱ মঞ্চৰ কেন্দ্ৰীয় সহকাৰী সম্পাদক আকাশ শইকীয়াই। অসমীয়া যুৱ মঞ্চৰ আমগুৰি আঞ্চলিক সমিতিৰ কাৰ্যালয়ত অনুষ্ঠিত সংবাদমেলত সংগঠনটোৱে কোনো কাৰণতে অবৈধ মিঞা বাংলাদেশীৰ লগত কোনো কম্প্ৰমাইজ কৰা নহ'ব বুলি স্পষ্ট কৰি দিয়ে। অবৈধ মিঞা বাংলাদেশীৰ নাম ভোটাৰ তালিকাত নাম অন্তভূক্ত কৰিবলৈ দিয়া নহ'ব বুলি দাবী কৰি অসমীয়া যুৱ মঞ্চৰ নেতা গৰাকীয়ে নিৰ্বাচন আয়োগ আৰু অসম চৰকাৰক এখন শুদ্ধ ভোটাৰ তালিকা প্ৰস্তুত কৰিবলৈ আহ্বান জনায়। শইকীয়াই কংগ্ৰেছৰ আমোলত হাজাৰ হাজাৰ অবৈধ বাংলাদেশীক ভোটাৰ তালিকাত অন্তৰ্ভুক্ত কৰা হ'ল বুলি অভিযোগ কৰে। ইয়াৰ বিপৰীতে বৰ্তমানৰ সময়ত যাতে কোনো দলেই যাতে অবৈধ মিঞা বাংলাদেশীৰ প্ৰেমত নপৰে তাৰ বাবে আহ্বান জনায়। সংবাদমেলত জনৈক জয়নুদ্দীনৰ কথা উল্লেখ কৰি কয় যে ব্যক্তিজনে সংবাদ মাধ্যমৰ আগত স্বীকাৰ কৰিছে যে সংখ্যালঘু সংগঠন মিঞা সংগ্ৰাম সমিতিয়ে দেৰ লাখ টকাৰ বিনিময়ত অবৈধ বাংলাদেশীক ভাৰতীয় নাগৰিকৰ ব্যক্তিগত তথ্য বাংলাদেশী লোকক বিক্ৰী কৰে। ইয়াৰোপৰি জিম জেহাদৰ জৰিয়তে হিন্দু যুৱতী আৰু মহিলাক ধৰ্মান্তকৰন কৰা হয় বুলি অভিযোগ কৰে সংগঠনটোৱে। অসম আন্দোলনৰ ৮৫৫ জন স্বহীদক সোঁৱৰী আকাশ শইকীয়াই কয় যে অবৈধ বাংলাদেশী ভোটাৰমুক্ত এখন ভোটাৰ তালিকা প্ৰস্তুত কৰিবলৈ যাওঁতে প্ৰয়োজন সাপেক্ষে হাজাৰ হাজাৰ অসমীয়া যুৱ মঞ্চৰ সদস্যই জীৱন দিবলৈ সাজু। সংশোধিত ভোটাৰ তালিকাত যদি এটাও অবৈধ বাংলাদেশীৰ নাম সন্নিবিষ্ট হয় তেন্তে ভয়ঙ্কৰ পৰিস্থিতি সৃষ্টি হ'ব বুলি হুংকাৰ প্ৰদান কৰে সংগঠনটোৱে।

## ৩১ জানুৱাৰী আৰু ১ ফেব্ৰুৱাৰীত দুদিনীয়াকৈ বিপুল আয়োজন

# লংকা ফুলতলী হাইস্কুলৰ সোণালী জয়ন্তীৰ প্ৰস্তুতি

**অসম বাৰ্তা, লংকা, ২৫ জানুৱাৰী ঃ** লংকাৰ নিলগৰ বৃহত্তৰ ওদালী অঞ্চলৰ অন্যতম শিক্ষানুষ্ঠান ফুলতলী হাইস্কুলৰ প্ৰতিষ্ঠাৰ গৌৰৱময় ৫০টা বছৰ অতিক্ৰম কৰাৰ মুহূৰ্তত বিগত দিনৰ সোণালী ক্ষণৰ স্মৃতি ৰোমন্থনেৰে প্ৰাক্তন আৰু বৰ্তমানৰ ছাত্ৰ-ছাত্ৰী সকল, শিক্ষক সকল আৰু পৰিচালনা সমিতি তথা স্থানীয় ৰাইজে বিদ্যালয়খনৰ সোণালী জয়ন্তী অহা ৩১ জানুৱাৰী আৰু ১ ফেব্ৰুৱাৰীত আয়োজনৰ বিপুল প্ৰস্তুতি চলাইছে। আয়োজক সমিতিৰ তৰফৰ পৰা জানিব দিয়া মতে, ৩১ জানুৱাৰীৰ পুৱা বিদ্যালয়ৰ পতাকা উত্তোলন কৰিব বিদ্যালয়ৰ প্ৰধান শিক্ষক আচাব আলিয়ে। তাৰ পিচতে বিশিষ্ট ব্যক্তি সকলৰ দ্বাৰা ৫০খন পতাকা উত্তোলন কৰা হ'ব। তাৰ লগে-লগে শ্বহীদ তৰ্পণ, প্ৰয়াত শিক্ষাগুৰু সকললৈ শ্ৰদ্ধা তৰ্পণ, বৃক্ষৰোপণ। বিয়লি প্ৰাচীৰ পত্ৰিকা উন্মোচনৰ পাচতে শীতৰ আবেলি কবিতাৰ গুঞ্জন শীৰ্ষক কাব্যিক সৰস আলোচনাৰ আয়োজন কৰিছে। ১ ফেব্ৰুৱাৰীৰ পুৱা পৰিবেশ নিকাকৰণ, কুইজ, আলচনা সভা। বিয়লি ২বজাৰ পৰা হ'ব লগা মুকলি সভাত মুখ্য অতিথি হিচাবে উপস্থিত থাকিব কবি-সাহিত্যিক নন্দ সিঙ বৰকলা, হোজাই জিলা আয়ুক্ত বিদ্যুত বিকাশ ভাগৱতী, সাহিত্যিক, সাংবাদিক গুৰমাইল সিঙ, বিদ্যালয় পৰিৰ্দশক ৰঞ্জন কুমাৰ ডেকা আদি ভালেমান গণ্য-মান্য ব্যক্তি। সন্ধিয়াৰ সাংস্কৃতিক অনুষ্ঠানত গায়ক দিব্যজ্যোতি গগৈকে ধৰি ভালেকেইজনে গীত পৰিবেশণ কৰিব বুলি জানিব দিছে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶

◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • • Facebook : \asombarta • • Instagram : \asom_barta •

● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন